www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

এটা জাতিৰ সমূহীয়া শিক্ষা কিতাপৰ ওপৰত নিৰ্ভৰ কৰে। চিন্তাৰ সংৰক্ষণ, স্থায়ীকৰণ আৰু সঞ্চাৰণৰ বাবে কিতাপেই একমাত্ৰ মাধ্যম। — ৰোজাৰ্চ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ প্ৰথম বছৰ ❐ সংখ্যা- ১২৭ ❐ মঙ্গলবাৰ ❐ ১৭ ফেব্ৰুৱাৰী, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 127 ❐ Tuesday ❐ 17th February, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page- 8

প্ৰদ্যুৎ বৰদলৈ আৰু দেৱব্ৰত শইকীয়াৰো ডেডলাইন ঘোষণা মুখ্যমন্ত্ৰীৰ

## মুখ্যমন্ত্ৰীৰ ভৱিষ্যদ্বাণী; '২৯ৰ আগতে বিজেপিত যোগদান কৰিব প্ৰদ্যুৎ বৰদলৈ, দেৱব্ৰত শইকীয়াই

### হিতেশ্বৰ শইকীয়াৰ প্ৰতি ঋণ শোধ কৰিবলৈ দেৱব্ৰত শইকীয়াকো বিজেপিলৈ অনাৰ পৰিকল্পনা



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৬ ফেব্ৰুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ভূপেন বৰাই হঠাতে দল ত্যাগ কৰাৰ পিছতে ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশ তীব্ৰ গৰম হৈ পৰিছে। এই ঘটনাৰ প্ৰতিক্ৰিয়া স্বৰূপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ আন কেইজনমান জ্যেষ্ঠ নেতাৰ দলত্যাগৰ বিষয়ে নতুন ভৱিষ্যদ্বাণী কৰিছে। মুখ্যমন্ত্ৰীয়ে স্পষ্টভাৱে কয় যে, "২০২৯ চনৰ লোকসভা নিৰ্বাচনৰ আগতে ❑ ৬ পৃষ্ঠাত

■ সিদ্ধান্ত পুনঃবিবেচনাৰ বাবে মঙলবাৰৰ পুৱালৈকে বিচাৰিলে সময় ■

## ভূপেন বৰাক সৈমান কৰিবলৈ ভূপেনৰ চোতালত তিনি ঘণ্টাৰ ৰুদ্ধদ্বাৰ বৈঠক

ৰাহুল গান্ধীৰে ১৫ মিনিটৰ ফোনালাপ; গৌৰৱৰ ৰাজহুৱাকৈ ক্ষমা ভিক্ষা



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৬ ফেব্ৰুৱাৰী ঃ** অসম কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ভূপেন বৰাই সোমবাৰে পুৱা দল ত্যাগ কৰি পদত্যাগ-পত্ৰ প্ৰেৰণ কৰাৰ পিছতেই ৰাজ্যৰ ৰাজনীতিত তীব্ৰ তোলপাৰ সৃষ্টি হৈছে। পদত্যাগৰ কেইঘণ্টামানৰ ভিতৰতে গুৱাহাটীৰ ঘোঁৰামাৰাত থকা ভূপেন বৰাৰ বাসগৃহত উপস্থিত হয় কংগ্ৰেছৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক নেতৃত্ব। জীতেন্দ্ৰ ❑ ৬ পৃষ্ঠাত

### বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যালোচনাৰ বাবে নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দলৰ তিনিদিনীয়া ভ্ৰমণ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ ফেব্ৰুৱাৰী ঃ** আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অৱস্থা ❑ ৬ পৃষ্ঠাত

### ভাৰত এআইৰ বিশ্ব নেতৃত্ব গ্ৰহণৰ পথত ঃ প্ৰধানমন্ত্ৰী

**অসম বাৰ্তা, নতুন দিল্লী, ১৬ ফেব্ৰুৱাৰী ঃ** সোমবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত মণ্ডপত ইণ্ডিয়া এআই ইম্পেক্ট এ'পো ২০২৬ৰ আনুষ্ঠানিক ❑ ৬ পৃষ্ঠাত

■ কংগ্ৰেছ ত্যাগ প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ভূপেন বৰাৰ ■

# দল বাগৰাৰ ৰাজনীতিত বিধ্বস্ত কংগ্ৰেছ



### "মই বিশ্বাস কৰোঁ যে ভূপেন বৰাই সিদ্ধান্ত প্ৰত্যাহাৰ কৰিব"

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৬ ফেব্ৰুৱাৰী ঃ** অসমৰ ৰাজনৈতিক পৰিৱেশত নতুনকৈ ধুমুহাৰ সৃষ্টি হৈছে। প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ভূপেন কুমাৰ বৰাই আজি কংগ্ৰেছ দল এৰি দিয়াৰ খবৰে ৰাজ্যৰ ৰাজনীতিত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। এই দলত্যাগৰ পিছতে সাংসদ ❑ ৬ পৃষ্ঠাত



### আত্মসন্মানৰ প্ৰশ্ন উত্থাপন কৰি পদত্যাগ পদত্যাগ পত্ৰত বহু বিস্ফোৰক অভিযোগ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ ফেব্ৰুৱাৰী ঃ** অসমৰ ৰাজনৈতিক অঙ্গনত এক বৃহৎ চমক সৃষ্টি কৰি প্ৰদেশ কংগ্ৰেছ কমিটীৰ (এপিচিচি) প্ৰাক্তন সভাপতি তথা প্ৰাক্তন বিধায়ক ভূপেন কুমাৰ বৰাই কংগ্ৰেছ দল ত্যাগ কৰিছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ মাত্ৰ কেইমাহমান বাকী থকা অৱস্থাত এই ঘটনাই বিৰোধী দলটোক গভীৰ সংকটত পেলাইছে। সোমবাৰে পুৱা ৮ বজাত ভূপেন বৰাই কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু ৰাহুল গান্ধীলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে। সংবাদ মাধ্যমৰ আগত ভূপেন বৰাই কয় যে, "মই আত্মসন্মান ❑ ৬ পৃষ্ঠাত

হাইকমাণ্ডলৈ পদত্যাগ পত্ৰ পঠোৱাৰ পিছতে ভূপেন বৰাৰ ঘোৰামৰাৰ বাসগৃহত কংগ্ৰেছ-ৰাইজৰ দলৰ নেতাৰ ভিৰ

## কংগ্ৰেছত নাথাকিলে ৰাইজৰ দলৰ সভাপতিৰ দায়িত্ব দিম ভূপেন বৰাক !



**ষ্টাফ ৰিপৰ্টাৰ, দিছপুৰ, ১৬ ফেব্ৰুৱাৰী ঃ** অসম কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ভূপেন কুমাৰ বৰাই দলীয় হাইকমাণ্ডলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰাৰ পিছতে তেওঁৰ ঘোৰামৰাস্থিত বাসগৃহত ৰাজনৈতিক নেতাসকলৰ ভিৰ লাগি গৈছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতাসকলে বৰাক দলত ❑ ৬ পৃষ্ঠাত

শক্তিশালী নেতাজনৰ কংগ্ৰেছ ত্যাগৰ পিছতেই বিজেপিৰ জাল

## বিজেপিলৈ কংগ্ৰেছৰ বৰগছ ভূপেন বৰা !

❑ সন্ধিয়ালৈ ভূপেন বৰাৰ বাসগৃহলৈ যাব মুখ্যমন্ত্ৰী; দুখনকৈ আসনৰ প্ৰতিশ্ৰুতি ❑

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৬ ফেব্ৰুৱাৰী ঃ** অসমৰ ৰাজনৈতিক পৰিৱেশত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰি কংগ্ৰেছ ত্যাগ কৰা প্ৰাক্তন প্ৰদেশ কংগ্ৰেছ সভাপতি ভূপেন বৰাৰ ঘৰলৈ মঙলবাৰে যাব মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ ❑ ৬ পৃষ্ঠাত

ঘোষণাৰ কিছু সময়ৰ পাছতে ফলাফল প্ৰত্যাহাৰ

### ঘোষণা কৰিয়েই ফলাফল বাতিল APSCৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ ফেব্ৰুৱাৰী ঃ** অসম লোকসেৱা আয়োগে (APSC) সোমবাৰে ঘোষণা কৰা সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা (Combined Competitive Examination - CCE), ২০২৪ৰ চূড়ান্ত ফলাফল বাতিল কৰিছে। ফলাফল ঘোষণাৰ কিছু সময়ৰ পাছতেই ❑ ৬ পৃষ্ঠাত

প্ৰাৰ্থী বাছনিৰ বাবে বহিব ৰুদ্ধদ্বাৰ বৈঠকত; স্ক্ৰীনিং কমিটীৰ অধ্যক্ষ হিচাপে প্ৰথম অসম আগমন

### কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে প্ৰিয়ংকা গান্ধীৰ অসম ভ্ৰমণ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৬ ফেব্ৰুৱাৰী ঃ** আসন্ন ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ হৈ উঠিছে। কংগ্ৰেছ দলে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰাৰ লগতে প্ৰাৰ্থী নিৰ্বাচনৰ প্ৰক্ৰিয়াকো দ্ৰুত ❑ ৬ পৃষ্ঠাত

তাৰিক ৰহমানৰ নেতৃত্বাধীন বিএনপি চৰকাৰৰ শপত গ্ৰহণ অনুষ্ঠানত অংশ ল'ব দেশ-বিদেশৰ প্ৰতিনিধিয়ে

### আজি বাংলাদেশৰ নতুন মন্ত্ৰীসভাৰ শপত গ্ৰহণ



**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৬ ফেব্ৰুৱাৰী ঃ** বাংলাদেশৰ ৰাজনৈতিক ইতিহাসত নতুন অধ্যায়ৰ সূচনা হ'বলৈ আহি পৰিছে। বিএনপিৰ অধ্যক্ষ তাৰিক ৰহমানৰ নেতৃত্বাধীন নতুন মন্ত্ৰীসভাই ❑ ৬ পৃষ্ঠাত

নামনি অসমৰ সংখ্যালঘু সমষ্টিত কংগ্ৰেছৰ সমীকৰণ জটিল

### কংগ্ৰেছী বিধায়ক আব্দুৰ ৰছিদ মণ্ডলৰ ৰাইজৰ দলত যোগদান

আজি যোগদান কৰিব শ্বেৰমান আলী আহমেদে



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৬ ফেব্ৰুৱাৰী ঃ** অসমৰ ৰাজনৈতিক পৰিৱেশত নতুনকৈ উত্তেজনাৰ সৃষ্টি হৈছে। ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰাক্ ❑ ৬ পৃষ্ঠাত

বুথ সন্মিলন, বৰনামঘৰ-মৈদামত আশীৰ্বাদ গ্ৰহণ

### বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনৰ প্ৰথম অসম ভ্ৰমণ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৬ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় জনতা পাৰ্টীৰ (বিজেপি) নৱনিৰ্বাচিত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে প্ৰথমবাৰৰ বাবে অসমলৈ দুদিনীয়া কাৰ্যসূচীৰে আহি ❑ ৬ পৃষ্ঠাত

❑ ফাষ্টট্ৰেক আদালতৰ দাবী গৰিমা-পাল্মীৰ ❑

### জুবিন গাৰ্গক অসমতে হত্যাৰ ষড়যন্ত্ৰ ৰচনাৰ দাবী চৰকাৰী অধিবক্তাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ ফেব্ৰুৱাৰী ঃ** অসমৰ জনপ্ৰিয় গায়ক-সংগীত স্ৰষ্টা জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ❑ ৬ পৃষ্ঠাত

ASBM®

Founded and led by Prof. Biswajeet Pattanayak, former Distinguished Professor of IIM, Indore & Lucknow

LEARN TO EXCEL & LEAD @ASBM



ADMISSION 2019 - 21

POST GRADUATE PROGRAMME IN MANAGEMENT

14th Batch PGDM

TWO YEAR FULL TIME RESIDENTIAL PROGRAMME

ACBSP ACCREDITED USA

As the only B-School in Eastern India accredited by ACBSP (Accreditation Council for Business Schools & Programs), recognised by Council for Higher Education Accreditation (CHEA), USA, ASBM has access to around 1200 Universities throughout the world for student and faculty exchange as part of ACBSP's Global Network of Business Schools

SPECIALISATIONS
- Finance
- Human Resources
- Marketing
- Operation & LSCM
- IT & Analytics
- Retail Management
- BIFS
- International Business

- Approved by AICTE
- A+++ Rank - Business India
- Green Residential Campus
- Excellent Campus Placement
- Mentoring by distinguished Faculty & Corporate Leaders
- International Immersion Programme at MDIS, Singapore & University of Nottingham, Malaysia

ELIGIBILITY
- Minimum 50% ( 45% for SC & ST) in Graduation
- Valid score of CAT/ XAT/ CMAT/ MAT/ GMAT
- Scholarships for Meritorious Students

Other Programmes of ASBM under Utkal University

BBA (Hons.) | B.Com. (Hons.) | Bachelor of Fashion Design

www.asbm.ac.in | E-mail : admission@asbm.ac.in

Tell: 0674 2744881/ 882/ 8763127020 | TOLL FREE- 1800 3456 5855

হনুমানৰ নেগুৰত জুই জ্বলাই নিজৰ স্বৰ্ণলংকা ধ্বংসৰ আখৰাত জ্যেষ্ঠ কংগ্ৰেছী নেতা

# লাহৰীঘাট সমষ্টিত ডাক্তৰক খেদিবলৈ ডাক্তৰ সাজু কৰিছে প্ৰদ্যুত বৰদলৈয়ে



**অসম বাৰ্তা, ভুৰাগাঁও, ১৬ ফেব্ৰুৱাৰী** ঃ স্বাধীনতাৰ পাছৰ পৰাই একেৰাহে কংগ্ৰেছৰ দখলত আছে ৫৩ নং লাহৰীঘাট বিধান সভা সমষ্টি টো। এইবাৰ লাহৰীঘাট বিধান সভা সমষ্টিত সৰ্বমুঠ ভোটাৰৰ সংখ্যা হৈছে ৩,০১,৫৮১ জন। তাৰে ১,৫৯,৩৩৫জন পুৰুষ, ১,৪৯,৭৯৭ গৰাকী মহিলা আৰু ৯জন তৃতীয় লিংগৰ। সমষ্টিটো স্বাধীনতাৰ পাছৰ পৰাই কংগ্ৰেছৰ দখলত আছে যদিও ১৯৮৫ চনত ড° নজৰুল ইছলামৰ জ্যেষ্ঠ ভাতৃ আবুল কাছেমক টিকট নিদি নুৰুল হকক টিকট দিয়াৰ পাছতে সমষ্টিটো প্ৰথম বাৰৰ বাবে হেৰুৱাইছিল কংগ্ৰেছে। সমষ্টিটোত কংগ্ৰেছৰ বিসংবাদ ৰাজনীতি গা কৰি উঠাৰ বাবেই কংগ্ৰেছ এছৰ আব্দুল জলিলে সমষ্টি টোত জয়ী হ'বলৈ সক্ষম হৈছিল। উল্লেখ্য যে ১৯৮৫ চনত সমষ্টি টোত ইউ এম এফত ছমিৰ উদ্দিন, এছ কংগ্ৰেছত আব্দুল জলিল, আৰু নিৰ্দলীয় প্ৰাৰ্থী হিচাবে প্ৰতিদ্বন্দ্বিতা কৰিছিল ক্ৰমে আবুল কাছেম, আবু বক্কৰ ছিদ্দিক, অলিউল্লা আদিয়ে। পৰৱৰ্তী সময়ত ছামছুল হুদাক কংগ্ৰেছে টিকট দিয়ে যদিও ১৯৯৬ চনত সমষ্টিটো উদ্ধাৰৰ বাবে কংগ্ৰেছৰ নেতৃত্বই পুনৰ আবুল কাছেমৰে ভাতৃ ডাঃ নজৰুল ইছলামক লাহৰীঘাট সমষ্টিৰ টিকট প্ৰদান কৰি একপ্ৰকাৰ পুনৰ আবুল কাছেমৰ পৰিয়ালৰ ওচৰতে সৰনাপন্ন হয় কংগ্ৰেছ। তেতিয়াৰ পৰা ৫ বাৰকৈ লাহৰীঘাট সমষ্টিৰ পৰা জয়ী হৈ ডাঃ নজৰুল ইছলাম তৰুণ গগৈৰ সোহাত হৈ পৰে। তৰুণ গগৈ চৰকাৰৰ দিনত প্ৰয়াত নজৰুল ইছলামে যোগান বিভাগ আৰু চৰ উন্নয়নৰ দৰে কেবাটাও বিভাগৰ কেবিনেট মন্ত্ৰিত্ব লাভ কৰে। কংগ্ৰেছৰ নেতৃত্বই আশা কৰা ধৰণেই ডাঃ নজৰুল ইছলামে সমষ্টিটো সুদীৰ্ঘ ২৫ বছৰ কংগ্ৰেছৰ দখলত ৰাখিবলৈ সক্ষম হয়। পৰৱৰ্তী কালত ডাঃ নজৰুল ইছলামৰ অসুস্থতাৰ বাবে সমষ্টি টোত টিকট প্ৰদান কৰা হয় ডাঃ নজৰুল ইছলামৰ চিকিৎসক পুত্ৰ ডাঃ আছিফ মহম্মদ নাজাৰক। পিতৃৰ পদাংকন অনুকৰণ কৰি ডাঃ আছিফ মহম্মদ নাজাৰেও বিগত নিৰ্বাচনত লাহৰীঘাট সমষ্টিটো কংগ্ৰেছৰ দখলত ৰাখে। কংগ্ৰেছৰ অতি সংকট কালতো ডাঃ আছিফ মহম্মদ নাজাৰক সমষ্টিবাসীয়ে জয়যুক্ত কৰি সমষ্টিটোৰ ৰাজনৈতিক ঐতিহ্য ৰক্ষা কৰে। পৰৱৰ্তী সময়ত বিৰুধী দলৰ বিধায়ক হিছাবে বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে ইতিমধ্যে নাজাৰে সমাপ্ত কৰিছে প্ৰথমটো কাৰ্যকাল। বৰ্তমান কংগ্ৰেছী বিধায়ক সকলৰ ভিতৰত ডাঃ আছিফ মহম্মদ নাজাৰ সৰ্বকনিষ্ঠ বিধায়ক। এই ৫ বছৰত আন আন কংগ্ৰেছী বিধায়ক সকলৰ দৰেই সমষ্টিটোত ডাঃ আছিফ মহম্মদ নাজাৰে বিশেষ উন্নয়নমূলক কাম কৰিব পৰা নাই। কেৱল বিধায়ক পুঁজিৰ ধনৰাশি সমষ্টিত ভগাই দায়িত্ব সামৰিব লগা হৈছে। ইয়াৰ মাজতে সমষ্টি টোৰ কিছু বাট পথৰ কাম কৰা হৈছে যদিও বহুকেইটা পথ বৰ্তমান মেৰামতিৰ অভাৱত জহি খহি গৈছে। অৱশ্যে ডাঃ আছিফ মহম্মদ নাজাৰৰ যোৱা পাঁচ বছৰৰ কাৰ্যকালত সমষ্টিটোৰ বান গৰাখহনীয়া সমস্যা বহু পৰিমাণে সমাধান হৈছে। কিন্তু সেয়ে হলেও ইয়াৰ কীৰ্তিত্ব জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ বুলিহে স্বাভাৱিকতে দাবী কৰে মন্ত্ৰী গৰাকীৰ লগতে বিজেপি কৰ্মী সকলে। উল্লেখ্য যে মৰিগাঁও জিলাৰ একমাত্ৰ কংগ্ৰেছী বিধায়ক হিছাবে ডাঃ আছিফ মহম্মদ নাজাৰে মৰিগাঁও জিলা কংগ্ৰেছত বিশেষ স্থান লাভ কৰিছিল। প্ৰতিটো মণ্ডল বা ব্লকৰ পৰা জিলা সমিতি পৰ্যন্ত নাজাৰৰ মতে চলিছিল। সেই সময় ছোৱাত কংগ্ৰেছৰ সকলো ধৰণৰ কাৰ্যসূচী চলাই নিছিল নাজাৰে। কিন্তু নগাঁও লোক সভাৰ পৰা প্ৰদ্যুত বৰদলৈ সাংসদ হিছাবে জিকাৰ পাছতে মৰিগাঁও জিলা কংগ্ৰেছত কেনা লাগে। সাংসদ হিছাবে জিকিয়ে বৰদলৈয়ে জিলা কংগ্ৰেছ সমিতি, বহু কেইটা ব্লক সমিতি ভংগ কৰি নিজৰ মতে গঠন কৰে। লগে লগে আৰম্ভ হয় দুই নেতাৰ মাজত সংঘাত। পৰৱৰ্তী সময়ত পঞ্চায়ত নিৰ্বাচনৰ টিকট প্ৰদানক লৈয়ো দুই নেতাৰ মাজত শিতল যুদ্ধ আৰম্ভ হয়। অৱশেষত লাহৰীঘাট সমষ্টিৰ জিলা পৰিষদৰ আতাইকেইখন আসনত প্ৰদ্যুত বৰদলৈৰ পচগুৰ প্ৰাৰ্থীয়ে টিকট পাবলৈ সক্ষম হয়। এই সময় ছোৱাত প্ৰদ্যুত বৰদলৈয়ে টিকট প্ৰদানৰ নামত ধন সংগ্ৰহৰ দৰেও গুৰুতৰ অভিযোগ আনিছিল টিকট বঞ্চিত একাংশ টিকট প্ৰত্যাশীয়ে। একেদৰে একাংশ লোকে ডাঃ আছিফ নাজাৰৰ বিৰুদ্ধে অভিযোগ তুলি ব্লক কংগ্ৰেছৰ কাৰ্যালয়ত তলা ওলোমাই দিছিল একাংশ কংগ্ৰেছীয়ে। পঞ্চায়ত নিৰ্বাচনত প্ৰদ্যুত বৰদলৈৰ আশীৰ্বাদত টিকট পোৱা সকলৰ ভিতৰত কংগ্ৰেছ এৰি বিজেপিত যোগদান কৰা লোকেও টিকট পাবলৈ সক্ষম হৈছিল যদিও টিকটৰ পৰা বঞ্চিত নিৰ্দলীয় প্ৰাৰ্থীৰ হাতত পৰাজিত হৈছিল তেনে প্ৰাৰ্থী। পঞ্চায়ত নিৰ্বাচনৰ পাছত ডাঃ আছিফ মহম্মদ নাজাৰ পন্থী প্ৰাৰ্থীৰ নেতৃত্বতে গঠন হয় লাহৰীঘাট আঞ্চলিক পঞ্চায়ত। দুই নেতাৰ মাজত চলা সংঘাতে সম্প্ৰতি বিধান সভা নিৰ্বাচনৰ টিকটক লৈয়ো টনা আজোৰা সৃষ্টি হৈছে। সাংসদ প্ৰদ্যুত বৰদলৈয়ে চলে বলে কৌশলে ডাঃ আছিফ মহম্মদ নাজাৰক টিকটৰ পৰা বঞ্চিত কৰি নিজৰ ক্ষমতা পদৰ্শনৰ দৌৰত আছে। ইফালে নাজাৰেও নিজৰ স্থানত থাকি টিকট লাভৰ যুদ্ধত নামিছে। ডাঃ নজৰুল ইছলামৰ ২৫ বছৰ আৰু ডাঃ আছিফ নাজাৰৰ ৫ বছৰ ধৰি মুঠ ৩০ বছৰ লাহৰীঘাট সমষ্টিটো এককথাত কবলৈ গলে ডাক্তৰৰ দখলতে আছে। লাহৰীঘাট চলি থকা এই ডাক্তৰৰাজৰ ঐতিহ্য ৰক্ষা কৰি আছিফ ডাক্তৰক সমষ্টিৰ পৰা খেদিবলৈ সাংসদ প্ৰদ্যুত বৰদলৈয়ে সাজু কৰিছে ডাঃ ফৰিদুল হুছেইনক। ডাঃ ফৰিদুল হুছেইনে অংশ গ্ৰহণ কৰা বহু অনুষ্ঠান প্ৰতিষ্ঠানত প্ৰদ্যুত বৰদলৈক ফৰিদুল হুছেইনৰ সৈতে একেলগে দেখা গৈছে। আনকি ডাঃ ফৰিদুলৰ হুছেইনৰ নগাঁও স্থিত নিজা নাৰ্চিং হোমৰ ব্লাড বেঙ্ক উন্মোচনৰ দৰে কাৰ্যসূচীতো প্ৰদ্যুত বৰদলৈয়ে অংশ গ্ৰহণ কৰি ফৰিদুলৰ প্ৰসস্তি গোৱা দৃশ্যই প্ৰমাণ কৰিছে যে প্ৰদ্যুত বৰদলৈয়ে লাহৰীঘাট কংগ্ৰেছৰ বিসংবাদৰ জুইকুৰা প্ৰসাৰিত কৰাত সাৰপানী যোগাই ছে। আনকি সংবাদ মাধ্যমতো ফৰিদুলৰ সমৰ্থক ইজ্জত আলীৰ দৰে চল চাই এবাৰ বিজেপি, এবাৰ কংগ্ৰেছত ভৰি দিয়া স্থানীয় নেতাই মুকলিকৈ কংগ্ৰেছৰ প্ৰাৰ্থী টিকট নিৰ্বাচন কমিটিত সাংসদ প্ৰদ্যুত বৰদলৈ থকা বুলি দাবী কৰাৰ লগতে ডাঃ ফৰিদুল হুছেইনৰ লগতো প্ৰদ্যুত বৰদলৈ থকা বুলি ঘোষণা কৰি ডাঃ ফৰিদুল হুছেইনে টিকট পোৱাটো নিশ্চিত বুলি দাবী কৰে। এনেধৰণৰ কথাবোৰে দুই নেতাৰ মাজত থকা সংঘাতৰ কথা স্পষ্ট ৰূপে প্ৰমাণিত কৰিছে। সমষ্টিটোত টিকট কোনে পাব সেয়া নিশ্চিতভাৱে ক'ব নোৱাৰি যদিও কংগ্ৰেছৰ এনে সংকট কালত প্ৰদ্যুত বৰদলৈৰ দৰে এজন জ্যেষ্ঠ নেতাই ডাঃ আছিফ নাজাৰৰ দৰে এজন কনিষ্ঠ বিধায়কৰ সৈতে মুকলি সংঘাতত নমাটো, দল টোৰ বাবে যে ক্ষতিকাৰক সেয়া এশ শতাংশ সত্য। এই সংঘাত দলীয় নেতৃত্বই তৎকালে মশিমুৰ কৰিব নোৱাৰিলে দলটোৰ ব্যাপক ক্ষতি হ'ব। তেনে পৰিস্থিতিত লাহৰীঘাটত ১৯৮৫ চনৰ পৰিবেশ পুনৰাবৃতি হ'লে কংগ্ৰেছে হেৰুৱাব লাগিব নিজৰ দখলত থকা এটা স্থায়ী সমষ্টি। যাৰ সুযোগ লবলৈ অপেক্ষা কৰিছে এ আই ইউ ডি এফৰ প্ৰাৰ্থী ছিদ্দিক আহমেদে। সেয়ে হলে হনুমানৰ নেগুৰত জুই জলাই নিজৰ স্বৰ্ণলংকা ধ্বংস কৰাৰ দৰে হ'ব কংগ্ৰেছৰ অৱস্থা। এনেক্ষেত্ৰত দলীয় নেতৃত্বই প্ৰাৰ্থীত্ব প্ৰদানত "ছিটিং গেটিং" নীতিৰ আধাৰত কংগ্ৰেছৰ কনিষ্ঠ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰকে টিকট দিয়ে নে নতুন প্ৰাৰ্থী ডাঃ ফৰিদুল হুছেইনক টিকট দি পুনৰ অগ্নি পৰীক্ষাত অৱতীৰ্ণ হয় সেয়া লক্ষণীয় হ'ব।

## দেৰগাঁৱৰ খকন্দগুৰিৰ পৰা নিৰুদ্দেশ ত্ৰিশ বছৰীয়া বোৱাৰী

**অসম বাৰ্তা, দেৰগাঁও, ১৬ ফেব্ৰুৱাৰী** ঃ দেৰগাঁৱত দিনক দিনে উদ্বেগজনকভাৱে বৃদ্ধি পাইছে বোৱাৰী নিৰুদ্দেশৰ ঘটনা। শেহতীয়াকৈ দেৰগাঁৱৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ খকন্দগুৰিৰ ত্ৰিশ বছৰীয়া মধুস্মিতা হাজৰিকা নামৰ এগৰাকী বোৱাৰী প্ৰায় চাৰিদিন ধৰি ৰহস্যজনকভাৱে সন্ধানহীন হৈ আছে বুলি জানিব পৰা গৈছে। ঘৰৰ পৰা বেংকলৈ বুলি ওলাই যোৱাৰ পাছৰে পৰা বোৱাৰী গৰাকী নিৰুদ্দেশ হৈ আছে বুলি জানিবলৈ দিয়ে পৰিয়ালৰ লোকে। উল্লেখযোগ্য যে, চাৰি বছৰীয়া পুত্ৰ সন্তানৰ মাতৃ মধুস্মিতা হাজৰিকাক বিগত চাৰিদিন ধৰি বিচাৰ- খোচাৰ কৰি হাবাথুৰি খাইছে পৰিয়ালৰ লোকে। ইতিমধ্যে পৰিয়ালৰ লোকে সন্ধানহীন হোৱাৰ সম্পৰ্কত দেৰগাঁও আৰক্ষী থানত এখন এজাহাৰ দাখিল কৰিছে। কোনো লোকে বোৱাৰীগৰাকীৰ সম্ভেদ পালে 60013 97544 নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে পৰিয়ালৰ লোকে। বেংকলৈ বুলি ওলাই যোৱা মহিলা গৰাকী ৰহস্যজনকভাৱে নিৰুদ্দেশৰ ঘটনাই অঞ্চলজুৰি সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ।

## ন-মাটিত জয়ৰাম ডেকাৰ সোঁৱৰণত "ৰুক্মিণী হৰণ" ভাওনা প্ৰদৰ্শন

**অসম বাৰ্তা, বেবেজীয়া, ১৬ ফেব্ৰুৱাৰী** ঃ বেবেজীয়াৰ নিকটবৰ্তী ন-মাটি গাঁৱৰ অৱসৰ প্ৰাপ্ত ভাৰতীয় সৈনিক বিষয়া, ধৰ্মপ্ৰাণ ব্যক্তি, সমাজৰ বায়ন আৰু সূত্ৰধাৰ জয়ৰাম ডেকাৰ যোৱা ৪ ফেব্ৰুৱাৰীত পৰলোক প্ৰাপ্তি হয়। তেখেতৰ বিয়োগত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰাৰ লগতে ১৪ ফেব্ৰুৱাৰীত আদ্যশ্ৰাদ্ধৰ দিনা পৰিয়ালবৰ্গৰ একান্ত ইচ্ছা আৰু স্থানীয় ৰাইজৰ সহযোগত নিশা প্ৰদৰ্শন হয় "ৰুক্মিণী হৰণ" অংকীয়া ভাওনা। প্ৰয়াত জয়ৰাম ডেকাৰ সোঁৱৰণত প্ৰদৰ্শিত হোৱা অংকীয়া ভাওনা "ৰুক্মিণী হৰণ" ভাওনাখনি সামগ্ৰীক পৰিচালনা কৰে বিচিত্ৰ মোহন ডেকাই। ভাওনাখনি আৰম্ভণীৰ আগে আগে প্ৰয়াত ডেকাৰ সহধৰ্মীনী প্ৰভা ডেকা, জেষ্ঠপুত্ৰ ৰাজুমনি ডেকা আৰু পৰিয়ালবৰ্গই গায়ন-বায়ন, সকলো ভাৱৰীয়া আৰু অতিথি সকলক একোখনি ধৰ্মবস্ত্ৰ আৰু চেলেঙৰে সম্ভাষণ জনায়।

## হোজাইত আনফৰ ফাউণ্ডেচনৰ উদ্যোগত বিনামূলীয়া চিকিৎসা শিবিৰ

**অসম বাৰ্তা, ডবকা, ১৬ ফেব্ৰুৱাৰী** ঃ মৌলানা মুস্তাক আনফৰ আৰু ফাৰুক আহমেদ আনফৰৰ তত্ত্বাৱধানত আৰু আনফৰ ফাউণ্ডেচনৰ উদ্যোগত আজি হোজাইত আনফৰ ফাউণ্ডেচনৰ কাৰ্যালয় চৌহদত বিনামূলীয়া চিকিৎসা শিবিৰ আয়োজন কৰা হয়। চাইল্ড ইস্পিচিয়েলিষ্ট, স্ত্ৰী ৰোগ বিশেষজ্ঞ চিকিৎসক সহ পাঁচজনীয়া চিকিৎসকৰ দলে বিনামূলীয়াকৈ চিকিৎসা চলায়। বিনামূলীয়া চিকিৎসা শিবিৰত প্ৰায় পাঁচ শতাধিক ৰোগীক বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে তেজৰ বিভিন্ন পৰীক্ষা আৰু বিনামূলীয়াকৈ ঔষধ যোগান ধৰা হয়। উল্লেখ্য যে, আনফৰ ফাউণ্ডেচনৰ কাৰ্যালয় চৌহদত আজিৰে পৰা আৰম্ভ হোৱা উক্ত বিনামূলীয়া চিকিৎসা শিবিৰ অহা ১৬ ফেব্ৰুৱাৰীলৈকে চলিব। মৌলানা মস্তাক আনফৰ আৰু ফাৰুক আহমেদ আনফৰৰ তত্ত্বাৱধানত আনফৰ ফাউণ্ডেচনৰ উদ্যোগত এই বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হৈছে য'ত শিশু ৰোগ বিশেষজ্ঞ, স্ত্ৰী ৰোগ বিশেষজ্ঞ, মেডিচিন বিভাগৰ লগতে ডায়েবেটিছ আদি বিশেষজ্ঞ চিকিৎসকৰ সজাতি দলে চিকিৎসা সেৱা আগবঢ়াইছে বুলি আনফৰ ফাউণ্ডেচনৰ সাধাৰণ সম্পাদক ফিৰুজ আহমেদ লস্কৰ আৰু সফিক আহমেদে জানিবলৈ দিয়ে। ৰোগী সকলক বিনামূলীয়া ঔষধ পাতিও যোগান ধৰাৰ লগতে তেজৰ বিভিন্ন পৰীক্ষাও বিনামূলীয়াকৈ কৰা হৈছে। উদ্যোক্তা সকলে সদৰি কৰা মতে, হোজাই জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় পাঁচ শতাধিক ৰোগীক বিনামূলীয়া চিকিৎসা সেৱা গ্ৰহণ কৰা হৈছে।

## কৰ্মসূত্ৰে বহিঃ ৰাজ্যত গৈ মৃত্যু দলগাঁৱৰ শ্ৰমিকৰ

**অসম, বাৰ্তা, দলগাঁও, ১৬ ফেব্ৰুৱাৰী** ঃ সপৰিয়ালে কৰ্মসূত্ৰে কেৰালালৈ গৈছিল দলগাঁৱৰ দুলিয়াপাৰা গাঁৱৰ ৰফিকুল ইছলাম। কেৰালাৰ ইডুকি জিলাৰ চেঙেৰাৰ এখন চাহ পাত উদ্যোগত কৰ্মৰত আছিল ৰফিকুল ইছলামৰ লগতে পৰিয়াল। বুধবাৰে কামৰ পৰা উভতি নিশা হঠাৎ অসুস্থ হৈ পৰে ৰফিকুল ইছলাম। অসুস্থ হোৱাৰ ক্ষন্তেক পিছতে মৃত্যুবৰণ কৰে লোকজন কিছুদিন ধৰি মৃত লোকজন হৃদৰোগত আক্ৰান্ত হৈ আছিল বুলি জানিব পৰা গৈছে। পৰিয়ালৰ লোকে অসম চৰকাৰৰ শ্ৰদ্ধাঞ্জলি আঁচনিৰ জৰিয়তে আজি ঘৰলৈ আনে মৃতদেহ। পৰিয়ালৰ লোকে জানিব দিয়া মতে- আঁচনিৰ জৰিয়তে মৃতদেহ অনা হয় যদিও সকলো ধন পৰিয়ালৰ লোকেই খৰচ কৰিবলগা হয়। খৰচ হোৱা ৭০ হাজাৰতকৈ অধিক ধন চৰকাৰে ভুক্তভোগী পৰিয়ালক যোগান ধৰাৰ আহ্বান স্থানীয় লোকৰ।

## তিনিচুকীয়া জিলাৰ টিংৰাই নৈত মহিলাৰ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, মাকুম, ১৬ ফেব্ৰুৱাৰী** ঃ আজি দিনৰ ভাগত তিনিচুকীয়া জিলাৰ লোহাৰী কছাৰী গাঁৱৰ সমীপৰ টিংৰাই নৈত এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ কৰা হয়। নৈ খনত উপঙি থকা অৱস্থাত উদ্ধাৰ হয় মহিলা গৰাকীৰ মৃতদেহটো। মৃত মহিলা গৰাকী লোহাৰী কছাৰী গাঁৱৰ নিবাসী মাখন ভুমিজ নামৰ লোকজনৰ পত্নী লক্ষ্মীমণি ভূমিজ (৫১) বুলি চিনাক্ত কৰা হয়। ঘটনা স্থলীত স্থানীয় লাংকাঁচি আৰক্ষী চকী আৰু ন-পুখুৰী আৰক্ষী চকীৰ উপস্থিত হৈ মৃতদেহটো নৈৰ পৰা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষালৈ প্ৰেৰণ কৰে। মহিলা গৰাকীৰ মৃত্যুৰ কাৰণ জানিব পৰা হোৱা নাই যদিও মৰণোত্তৰ পৰীক্ষাৰ পাছতহে মৃত্যুৰ প্ৰকৃত কাৰণ জানিবলৈ পৰা যাব।

## দুদিনীয়া কাৰ্যসূচীৰে লাওখোৱা-বুঢ়াচাপৰি অভয়াৰণ্যত শিমলু উৎসৱ

দেশী-বিদেশী পৰ্যটকৰ ভিৰ




**অসম বাৰ্তা, ৰূপহীহাট, ১৬ ফেব্ৰুৱাৰী** ঃ বননিত সৰাপাতৰ জুনুকা বাজি থকাৰ সময়তেই ধূলীময়ী বাটেৰে আহিছে ফাগুন। ধূলিময় পৰিৱেশতো ফাগুন অহাৰ বাটত ৰঙা দলিছা পাৰি দিছে ৰঙা শিমলুৱে। এই শিমলুক কেন্দ্ৰ কৰিয়েই লাওখোৱা আৰু বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্যত দুদিনীয়াকৈ আয়োজন কৰা হ'ল 'শিমলু উৎসৱ' ২০২৬। শিমলু ফুলৰ ৰঙা পৰিৱেশে এক অনন্য মাত্ৰা প্ৰদান কৰিছে পুনৰুজ্জীৱিত হোৱা অভয়াৰণ্য দুখনক। এসময়ত এশিঙীয়া গঁড়ৰ বাবে বিখ্যাত আছিল লাওঁখোৱা আৰু বুঢ়াচাপৰি অভয়াৰণ্য। অভয়াৰণ্য দুখনলৈ প্ৰকৃতিয়ে দিয়া নান্দনিক সৌন্দৰ্যৰ সুযোগ লৈ অভয়াৰণ্য কৰ্তৃপক্ষয়ো পৰ্যটকক আকৰ্ষণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। এইবেলি তৃতীয় বাৰৰ বাবে লাওখোৱা অভয়াৰণ্যত উদযাপন কৰিছে ব্যতিক্ৰমী উৎসৱ 'শিমলু উৎসৱ ২০২৬'। এই শিমলু উৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা হয় চাইক্লিং আৰু মাৰাথন দৌৰ প্ৰতিযোগিতা। দুদিনীয়া বিভিন্ন কাৰ্যসূচীৰে আজিৰ পৰা লাওখোৱা অভয়াৰণ্যত আৰম্ভ হোৱা শিমলু উৎসৱৰ মাজেৰেই পৰ্যটকক আকৰ্ষণৰ চেষ্টা কৰিছে নগাঁও বন্যপ্ৰাণী সংমণ্ডল তথা লাওখোৱা বুঢ়াচাপৰি অভয়াৰণ্য কৰ্তৃপক্ষই। প্ৰথম দিনাৰ ৩২ কিঃমিঃ চাইক্লিংত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা পৰ্যটক আহি অংশগ্ৰহণ কৰিছে। দ্বিতীয় দিনা ৩২ কিঃমিঃ মাৰাথন দৌৰ প্ৰতিযোগিতাৰ বাবে ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা পৰ্যটক আহি অংশগ্ৰহণ কৰিব বুলি বন বিভাগে জনাইছে।

## মৈৰাবাৰী মহাবিদ্যালয়ৰ NSS গোটৰ বিশেষ শিবিৰ সম্পন্ন



**অসম বাৰ্ত, ধিং, ১৬ ফেব্ৰুৱাৰী** ঃ মৈৰাবাৰী মহাবিদ্যালয় Nss গোটৰ উদ্যোগত আলি পুখুৰী মধ্য ইংৰাজী বিদ্যালয়ত আয়োজিত এক সপ্তাহযোৱা বিশেষ শিবিৰৰ সফল সামৰণী পৰে। ছাত্ৰ ছাত্ৰীৰ মাজত গণতান্ত্ৰিক প্ৰমূল্য বোধ আৰু সামাজিক দায়বদ্ধতা, শৈক্ষিক উন্নতি আদি যোগাত্মক দিশ সমূহ গঢ়ি তোলাৰ লক্ষ্যৰে আয়োজিত শিবিৰখনিৰ যোৱা তিনি ফেব্ৰুৱাৰী তাৰিখৰ উদ্বোধনী অনুষ্ঠানত মৈৰাবাৰী মহাবিদ্যালয়ে অহা পাঁচ বছৰৰ বাবে আলিপুখুৰী মধ্য ইংৰাজী বিদ্যালয়ক এডপটেড স্কুল হিচাপে নিৰ্বাচন কৰি দুয়োখন শিক্ষানুষ্ঠানৰ মাজত এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। চিকিৎসক সকলৰ দ্বাৰা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰা, ৰক্তদান শিবিৰ, বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ণৰ উপৰিও পাতেকীবৰী সত্ৰ আৰু আলিপুখুৰী মধ্য ইংৰাজী বিদ্যালয়লৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা বিজুলী চালিত ফেন, ব্লেক বৰ্ড, ডাষ্টবিন, খেলৰ বিভিন্ন সা-সামগ্ৰী আদি বিতৰণ কৰা হয়। উক্ত ৰক্তদান শিবিৰত ভৈচ অফ নিডিৰ কেইবাজনো সদস্যই ৰক্তদান কৰে। বিদ্যালয় খনত অন্ত পৰা সামৰণি অনুষ্ঠানত উপস্থিত থাকে মৈৰাবাৰী মহাবিদ্যালয়ৰ হৈ IQAC'ৰ সমন্বয়ক ড° মইদুল ইছলাম আৰু Nss গোটৰ সমন্বয়ক ড° সমীৰ বৰুৱা। আনহাতে বিদ্যালয়ৰ ফালৰ পৰা উপস্থিত থাকে বিদ্যালয় খনৰ প্ৰধান শিক্ষক আকতাৰুল হক, পৰিচালনা সমিতিৰ সভাপতি ৰফিকুল ইছলাম আৰু অঞ্চলৰ অন্যান্য অভিভাৱক ৰাইজ, গণ্য মান্য ব্যক্তি সকল। সামৰণি অনুষ্ঠানত বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰী সকলে কবিতা আবৃত্তি আৰু প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ মায়াবিনী আদি গীতেৰে অনুষ্ঠানটি উপভোগ্য কৰি তোলে। মৈৰাবাৰী মহাবিদ্যালয়ৰ এনে জনমুখী প্ৰয়াসক অঞ্চলটোৰ ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

## দিল্লীত গণৰাজ্য দিৱসৰ পেৰেডত দেশৰ ভিতৰতে দশম শ্ৰেষ্ঠ কেডেটৰ খিতাপ

# লখিমপুৰলৈ গৌৰৱ কঢ়িয়াই আনিলে ছেইণ্ট মেৰীজ স্কুলৰ ছাত্ৰী আস্থা শইকীয়াই

**অসম বাৰ্তা, লীলাবাৰী, ১৬ ফেব্ৰুৱাৰী** ঃ দিল্লীত অনুষ্ঠিত ৭৮ সংখ্যক গণতন্ত্ৰ দিৱসত আৰ.ডি.চি., ২০২৬ ত উত্তৰ পূৰ্বাঞ্চলক প্ৰতিনিধিত্ব কৰি দেশৰ ভিতৰতে শ্ৰেষ্ঠ দহগৰাকীৰ ভিতৰত স্থান লাভ কৰিবলৈ সক্ষম হৈছে লখিমপুৰৰ আস্থা শইকীয়া। লখিমপুৰৰ আগশাৰীৰ শিক্ষানুষ্ঠান চেইণ্ট মেৰীজ চিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ ছাত্ৰী লখিমপুৰৰ পশ্চিম চানমাৰীৰ অধ্যাপক নিপেন শইকীয়া আৰু গায়ত্ৰী দেৱীৰ সুযোগ্য কন্যা আস্থা শইকীয়াই লখিমপুৰ-বাসীয়েই নহয়, সমগ্ৰ অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে বহু গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত সৰ্বভাৰতীয় কেডেড জে. ডব্লিউ. / জে. ডি. (JW/JD) আৰ্মী কেটেগোৰীত এই সফলতা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উল্লেখ্য যে, এই এন. ই. আৰ. দলটোৱে সাংস্কৃতিক শিতানত প্ৰথম হ'বলৈ সক্ষম হয়। গণৰাজ্য দিৱসৰ পেৰেডত অংশগ্ৰহণৰ বাবে উত্তৰ-পূবৰ ৮৮ গৰাকী এন.চি.চি. কেডেট নিৰ্বাচিত হৈছিল। বিগত ২০২৫ বৰ্ষৰ মে' মাহৰ পৰা দেশৰ ভিন্ন প্ৰান্তত অনুষ্ঠিত দীঘলীয়া প্ৰশিক্ষণৰ অন্তত আস্থা নিৰ্বাচিত হৈছিল। সাংবাদিকৰ সৈতে হোৱা সাক্ষাৎকাৰত আস্থাই ছেইণ্ট মেৰীজ চিনিয়ৰ ছেকেণ্ডাৰী স্কুলত এন. চি. চি. ক অন্তৰ্ভূক্ত কৰাৰ বাবে বিদ্যালয়ৰ অধ্যক্ষক বিশেষভাৱে কৃতজ্ঞতা জনোৱাৰ লগতে ইউনিট কামাণ্ডাৰ বিকাশ ঝা, কৰ্ণেল দীপক নাম্বিয়াৰৰ লগতে বিদ্যালয়ৰ সকলো শিক্ষক, শিক্ষয়িত্ৰীক কৃতজ্ঞতা জনায়। আস্থাৰ এই সাফল্যক লৈ বিদ্যালয়খনৰ অধ্যক্ষ চিষ্টাৰ চনিয়া যোচেফে সন্তুষ্টি প্ৰকাশ কৰিছে। আস্থা বৰ্তমান উত্তৰ লখিমপুৰ, অসমৰ ৭২ আছাম গাৰ্লচ (আই) চি.অ.ৰাই, (72 Assam Girls (I) Coy, NCC) এন. চি. চি. ৰ অধীনত চাৰ্জেণ্ট পদবীত আছে। এই সাফল্যৰ বাবে ছেইণ্ট মেৰীজ চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ চিষ্টাৰ চনিয়া যোচেফ আৰু সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীয়ে আস্থাক অভিনন্দন জনাই সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

## গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ নতুন সমিতি গঠন

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৬ ফেব্ৰুৱাৰী** ঃ ৬৫ সংখ্যক গোলাঘাট কেন্দ্ৰীয় ৰঙালী সন্মিলনৰ নতুন সমিতিখন আজি গঠন কৰা হয়। বিশিষ্ট শিক্ষাবিদ, দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ ডীন ড° দেৱজিৎ ফুকনক সভাপতি, মুন্না আহমেদ কাৰ্যকৰী সভাপতি, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ আৰু অধিবক্তা অংশুমান বৰুৱা যুটীয়া সম্পাদক হিচাপে সৰ্বসম্মতি ক্ৰমে নিৰ্বাচিত কৰা হয়। ৬৫ সংখ্যক গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ প্ৰস্তুতি সন্দৰ্ভত আজি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ গোলাঘাট জিলা সমিতিৰ কাৰ্যালয়ত বিগত কাৰ্যকালৰ উদযাপন সমিতিৰ সভাপতি পূৰ্ণ ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত সম্পাদকীয় আৰু বিত্তীয় প্ৰতিবেদন পাঠ কৰে বিগত কাৰ্যকালৰ সম্পাদক বিশ্বজিৎ গগৈয়ে। উদ্দেশ্য ব্যাখ্যা কৰে বিগত কাৰ্যকালৰ অন্যতম যুটীয়া সম্পাদক জিতুল ৰাজখুৱাই। সভাত মুখ্য উপদেষ্টা ক্ৰমে অমিয় কুমাৰ বৰা, দিগন্ত কুমাৰ ভূঞা, ৰোহিত গগৈ, , শান্তনু শইকীয়া, দ্বীজেন বৰা, টংকেশ্বৰ পাঠক, বিশ্বজিৎ শইকীয়া, বিগত কাৰ্যকালৰ কাৰ্যকৰী সভাপতি অতুল গগৈ, বিশিষ্ট শিক্ষাবিদ ড° পুতুল শইকীয়া আদি উপস্থিত থাকে।

## মিছাজান গোহাঁই গাঁৱত নতুন খেলপথাৰ মুকলি

**অসম বাৰ্তা, গেলেকী, ১৬ ফেব্ৰুৱাৰী** ঃ নাজিৰা সম-জিলাৰ অন্তৰ্গত মিছাজান দেওপানী গোহাঁই গাঁৱত "আভা স্প'ৰ্টছ এৰেনা" নামেৰে এখন ব্যক্তিগত খেলপথাৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। স্থানীয় ক্ৰীড়া প্ৰতিভা বিকশিত কৰাৰ উদ্দেশ্যেৰে পল্লৱজিত গগৈ নামৰ যুৱকজনৰ একক প্ৰচেষ্টাৰে গঢ়ি তোলা হৈছে এই খেলপথাৰখন। আজি খেলপথাৰখন আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। স্থানীয় যিকোনো খেল এই পথাৰখনত অনুষ্ঠিত কৰিব পৰাকৈ গঢ়ি তুলা হৈছে। মাত্ৰ সামান্যতম এটা বৰঙনি দি যিকোনো উদ্‌যাপন সমিতিয়ে ব্যৱহাৰ কৰিব পাৰিব খেলপথাৰখন। আজি খেলপথাৰখন মুকলি অনুষ্ঠানৰ পিছতেই ১৪ বছৰীয়া অনুৰ্দ্ধৰ এখন প্ৰীতি ক্ৰিকেট মেচ অনুষ্ঠিত হয়। এই মেচখনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই নাজিৰা ক্ৰিকেট একাডেমী বনাম ফিনি' ক্ৰিকেট ক'চিং ক্লাব শিৱসাগৰে। মুকলি অনুষ্ঠানত উপস্থিত আছিল প্ৰাক্তন ৰঞ্জি খেলুৱৈ পবিত্ৰ কুমাৰ দত্ত, শিৱসাগৰ জিলা ক্ৰিকেট ক্ৰীড়া সন্থাৰ সম্পাদক মেহদি মাছুদ, সহকাৰী সম্পাদক শ্যাম গুৰুং, গদাপাণি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ বুধেন বৰগোহাঁই, প্ৰাক্তন অধ্যক্ষা গুণ গগৈ, প্ৰাক্তন শিক্ষক হিৰেণ বৰগোহাঁই, নাজিৰা ক্ৰিকেট একাডেমীৰ প্ৰশিক্ষক ৰফিক আলী, ফিনি' ক্ৰিকেট ক'চিং ক্লাৱ শিৱসাগৰৰ প্ৰশিক্ষক আজাদুৰ ৰহমান, ন-পাম বাৰুৱতী গাঁও পঞ্চায়তৰ সভাপতি আমান উল্লাহ, গেলেকী প্ৰেছক্লাবৰ সভাপতি ৰাহিদ আলীকে প্ৰমুখ্যে কৰি ভালেকেইজন গণ্য মান্য ব্যক্তি। এই খেলপথাৰখনে স্থানীয় ক্ৰীড়া প্ৰতিভাসমূহ বিকশিত কৰাত এক যুগান্তকাৰী ভূমিকা লব বুলি ব্যক্ত কৰে উপস্থিত আমন্ত্ৰিত অতিথিসকলে।

NAME CORRECTION

My actual and correct name is Fulmala Khatun which is correctly recorded in my Aadhar Card Vide No. 8711 0296 8481 and other relevant documents. But my name has been recorded in my Bank Passbook of Assam Gramin Vikash Bank Jania Branch bearing A/C No. 7107010004671 as Ful Mala Bidhaba instead of Fulmala Khatun. I have been corrected my actual name as Fulmala Khatun through Notary Public Barpeta. dated 16.02.26

Name: Fulmala Khatun
Vill: Tapajuli, Dist. Barpeta

AB-18/2026

# হয়বৰগাঁও প্ৰেছ ক্লাবৰ ত্ৰি-বাৰ্ষিক সাধাৰণ অধিৱেশন সম্পন্ন

## তিনি বছৰীয়া পূৰ্ণাংগ কমিটি গঠন




**অসম বাৰ্তা, নগাঁও, ১৬ ফেব্ৰুৱাৰী** ঃনগাঁও জিলাৰ হয়বৰ গাঁও প্ৰেছ ক্লাবৰ ত্ৰি-বাৰ্ষিক অধিৱেশন খনি আজি ১৪ ফেব্ৰুৱাৰীত অতি সফলতাৰে সম্পন্ন হ'ল। ২০০৭ চনত স্থাপিত এই স্থানীয় সাংবাদিক সংগঠনটোৱে দীৰ্ঘ সময় ধৰি অঞ্চলটোৰ সংবাদ মাধ্যমৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আজিৰ এই অধিৱেশনত ক্লাবৰ সদস্য সকলৰ উপৰিও বিভিন্ন বিশিষ্ট অতিথি উপস্থিত থাকি অনুষ্ঠানটোক আৰু অধিক মৰ্যাদাপূৰ্ণ কৰি তুলিছিল। অধিৱেশনৰ এক বিশেষ আকৰ্ষণ আছিল 'মই হয়বৰ মোৰ গাঁও মোৰ কাহিনী' নামৰ স্মৃতি গ্ৰন্থৰ উন্মোচন। নগাঁও জিলা তথ্য আৰু জনসংযোগ বিভাগৰ দায়িত্বত থকা সহকাৰী আয়ুক্ত অভিনাভ চৌধুৰীয়ে উন্মোচন কৰে স্মৃতিগ্ৰন্থ খনি। হয়বৰগাঁও প্ৰেছ ক্লাবৰ জ্যেষ্ঠ সাংবাদিক দিব্যজ্যোতি বৰুৱা আৰু মোস্তাফা কামালৰ সম্পাদনাত প্ৰকাশিত এই স্মৃতি গ্ৰন্থখনে ক্লাবৰ ১৮-১৯ বছৰীয়া যাত্ৰা, সাংবাদিকতাৰ অৱদান আৰু স্থানীয় সমাজৰ বিভিন্ন দিশক সুন্দৰকৈ প্ৰতিফলিত কৰিছে। গ্ৰন্থখনত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰী কেশৱ মহন্ত, মন্ত্ৰী পীযূষ হাজৰিকা, বিধায়ক ৰূপক শৰ্মা, বিধায়ক দীপুৰঞ্জন শৰ্মা নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকা, নগাঁও জিলাৰ উপায়ুক্ত দেৱাশিস শৰ্মা, ড° দুৰ্লভ চমুৱাকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে শুভেচ্ছা বাৰ্তা প্ৰদান কৰিছে। এই শুভেচ্ছা বাৰ্তাসমূহে ক্লাবৰ কাম-কাজক স্বীকৃতি দিয়াৰ লগতে সাংবাদিক সমাজৰ প্ৰতি সমাজৰ শীৰ্ষস্তৰৰ সমৰ্থনক প্ৰতিফলিত কৰিছে। অনুষ্ঠানত সাংবাদিকতাৰ ভূমিকাৰ ওপৰত গুৰুত্বপূৰ্ণ অন্তৰংগ আলোচনাৰ ওপৰত তথ্যপূৰ্ণ ভাষণ প্ৰদান কৰে গুৱাহাটীৰ জ্যেষ্ঠ সাংবাদিক সুশীল পাটোৱাৰীয়ে। সভাত ভাষণ দিয়া বক্তাসকলে কয় যে, সমাজৰ অতন্দ্ৰ প্ৰহৰী হিচাপে সংবাদ মাধ্যমে সদায় সত্য আৰু নিৰপেক্ষ তথ্য যোগান ধৰি সমাজক সঠিক দিশত পৰিচালিত কৰাৰ দায়িত্ব কঢ়িয়াই ফুৰে। আজিৰ দ্ৰুতগতিত পৰিৱৰ্তনশীল বিশ্বত সাংবাদিকসকলৰ দায়িত্ব আৰু অধিক বৃদ্ধি পাইছে, কিয়নো মিছা তথ্য আৰু প্ৰচাৰৰ যুগত সঠিক সংবাদ প্ৰদান কৰাটো এক ডাঙৰ প্ৰত্যাহ্বান। তেনে প্ৰেক্ষাপটত হয়বৰগাঁও প্ৰেছ ক্লাবৰ সাংবাদিক সকলে সদায় যোগাত্মক ভূমিকা পালন কৰি আহিছে। অধিৱেশনৰ আৰম্ভণিতে সকলো সাংবাদিক সদস্যৰ মতামতৰ ভিত্তিত নতুন কাৰ্যকৰী সমিতি গঠন কৰা হয়। দিব্যজ্যোতি বৰুৱাক সভাপতি আৰু মোস্তাফা কামালক সম্পাদক হিচাপে লৈ মুঠ ২৪ জনীয়া এক শক্তিশালী, সক্ৰিয় আৰু প্ৰতিনিধিত্বমূলক কমিটি গঠন কৰা হৈছে। এই নতুন কমিটিয়ে অহা তিনি বছৰত ক্লাবক আৰু অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে। হয়বৰ গাঁও প্ৰেছক্লাবৰ এই সফল অধিৱেশনে স্থানীয় সাংবাদিকতাৰ ক্ষেত্ৰত নতুন উদ্যম আৰু একতাৰ বাৰ্তা বিলাইছে। অঞ্চলটোৰ উন্নয়ন, সামাজিক ন্যায় আৰু সচেতনতাৰ ক্ষেত্ৰত ক্লাবটোৱে অহা দিনবোৰতো গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব বুলি বিশ্বাস কৰা হৈছে। উল্লেখযোগ্য যে আজিৰ এই অধিবেশনত ৯০ বছৰ বয়স অতিক্ৰম কৰা প্ৰাক্তন সাংবাদিক সভাৰাম মজুমদাৰ, বিশিষ্ট শিক্ষাবিদ ফজলুল হক মৰল, সমাজ সেৱক হৰিচৰণ ডেকা, কমৰুজ জামান সৰকাৰ, আবুল হোছেইন, নগাঁও প্ৰিণ্ট মিডিয়া এচ'চিয়েছনৰ ৰ সভাপতি কনক হাজৰিকা আৰু কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত আছিল। অনুষ্ঠানত হয়বৰ গাঁও প্ৰেছক্লাবৰ তৰফৰ পৰা কচুৱা প্ৰেছ ক্লাবৰ সভাপতি বাহাৰুল ইছলাম, জুৰীয়া প্ৰেছ ক্লাবৰ সম্পাদক ফজলুল হক, জ্যেষ্ঠ সাংবাদিক দেৱজিৎ হাজৰিকা আৰু যোগাসন খেলুৱৈ তনুশ্ৰী বৰাক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## চৰকাৰী আৱাসৰ সন্মুখত বৰো ধানৰ খেতিৰ প্ৰদৰ্শনীমূলক দৃশ্য

# ৰহা সহকাৰী কাৰ্যবাহী কৃষি অভিযন্তাৰ ব্যতিক্ৰমী পদক্ষেপ

**অসম বাৰ্তা, ৰহা, ১৬ ফেব্ৰুৱাৰী** ঃকথাতে কয় উপদেশতকৈ আৰ্হি ভাল। এই বাক্যশাৰীক সাৰোগত কৰি নগাঁও জিলাৰ ৰহাত হাতত কঠীয়া লৈ ৰোৱণীৰ বেশত নামিল কৃষি বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তাৰ লগতে বিষয়া-কৰ্মচাৰী। উল্লেখযোগ্য যে ৰহা সহকাৰী কাৰ্যবাহী কৃষি অভিযন্তা শৰৎ দত্ত ই আজি স্থানীয় কৃষক সকলক উৎসাহিত কৰিবলৈ গ্ৰহণ কৰে এক ব্যতিক্ৰমী পদক্ষেপ। ৰাজ্য চৰকাৰে প্ৰতি বছৰি ৰাজ্যৰ অন্যান্য ঠাইৰ দৰে ৰহাৰ সহকাৰী কাৰ্যবাহী কৃষি অভিযন্তা কাৰ্যালয়ৰ এলেকাধীন অঞ্চলৰ কৃষকসকলৰ বাবে কৃষিজাত কাৰিকৰী সামগ্ৰী যোগান ধৰি আহিছে। টেক্টৰ, পাৱাৰ টিলা, হাতত কঠীয়া লৈ খেতি পথাৰত নামিল কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰী। পাৱাৰ উইডাৰৰ যোগেদি যে কৃষকসকলে বৈজ্ঞানিক পদ্ধতিৰে অধিক উৎপাদনৰ লক্ষ্যৰে কৃষিকৰ্ম কৰি আহিছে। ইয়াৰ লগতে সংগতি ৰাখি সহকাৰী কাৰ্যবাহী কৃষি অভিযন্তাগৰাকীয়ে কাৰ্যালয়ৰ চৰকাৰী আৱাসৰ সন্মুখত থকা মাটিত উন্নত জাতৰ কঠীয়াই কিদৰে অধিক উৎপাদন কৰিব পাৰি তাকে এই পৰীক্ষামূলক লক্ষ্যৰে প্ৰদৰ্শনীমূলক কৃষিকাৰ্য শুভাৰম্ভ কৰে। সহকাৰী কাৰ্যবাহী কৃষি অভিযন্তগৰাকীয়ে জানিবলৈ দিয়া অনুসৰি, ঠাইখিনিত বহু বছৰ শাক-পাচলিৰ খেতি কৰা হৈছিল যদিও এই বছৰত ব্যতিক্ৰমী চিন্তাৰে বাবে ধানৰ এক উন্নত জাতৰ কঠীয়া সংগ্ৰহ কৰি ধান খেতি কৰা হৈছে। উল্লেখযোগ্য যে উক্ত কৃষিকাৰ্যত কোনো ৰোৱনী নোহোৱাকৈ পুৱাৰ ভাগত কাৰ্যালয়ৰ বিষযা কৰ্মচাৰীসকলে একেলগে ভূঁই ৰোৱা পৰিলক্ষিত হয়।

# গৰৈমাৰীৰ টপাৰপথাৰত তৃণমূল কংগ্ৰেছৰ নিৰ্বাচনী কৰ্মীসভা

**অসম বাৰ্তা, গৰৈমাৰী, ১৬ ফেব্ৰুৱাৰী** ঃ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত টপাৰপথাৰত আজি অসম প্ৰদেশ তৃণমূল কংগ্ৰেছৰ নিৰ্বাচনী কৰ্মীসভা অনুষ্ঠিত হৈ যায়, । দক্ষিণ কামৰূপ জিলাৰ যুৱ তৃণমূল কংগ্ৰেছৰ সভাপতি নজমুল ইছলামৰ সঞ্চালনাত অনুষ্ঠিত সভাত তৃণমূল কংগ্ৰেছৰ উপ-সভাপতি তথা ছমৰীয়া সমষ্টিৰ তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী দুলু আহমেদ আৰু ৰাজ্যসভাৰ সাংসদ সুস্মিতা দেৱ উপস্থিত থাকে। ৰাজ্যসভাৰ সাংসদ সুস্মিতা দেৱে দুলু আহমেদক ছমৰীয়া সমষ্টিৰ পৰা দিছপুৰলৈ পঠাব পাৰিলে ছমৰীয়া সমষ্টিৰ উন্নয়ন হ'ব বুলি ভাষণ প্ৰসংগত কোৱাৰ উপৰি সুস্মিতা দেৱে দুলু আহমেদক আগন্তুক নিৰ্বাচনত ভোট প্ৰদান কৰিবলৈ ৰাইজক আহ্বান জনায়। সভাত দক্ষিণ কামৰূপ জিলা তৃণমূল কংগ্ৰেছৰ সভাপতি বলেন মালি, অসম যুৱ তৃণমূল কংগ্ৰেছৰ যুৱ সভাপতি পৰাগ দাসৰ উপৰি তৃণমূল কংগ্ৰেছৰ বিষয়ববীয়াসকল উপস্থিত থাকে। সভাত ভলুকাবাৰী গাঁও পঞ্চায়তৰ প্ৰাক্তন মণ্ডল কংগ্ৰেছৰ সম্পাদক আতোৱাৰ ৰহমান আনুষ্ঠানিকভাৱে তৃণমূল কংগ্ৰেছত যোগদান কৰে।

# গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত বালাজানত সাংসদ ৰকিবুল হুছেইনৰ কংগ্ৰেছৰ বিশাল সভা

**অসম বাৰ্তা, আগমনি, ১৬ ফেব্ৰুৱাৰী** ঃ ধুবুৰী জিলা কংগ্ৰেছ ইয়ঙ ব্ৰিগেডৰ উদ্যোগত গৌৰীপুৰ বালাজানত বিশাল নিৰ্বাচনী সভা। সাংসদ পুঁজিৰ ১১খন এম্বুলেন্স বিতৰণ। ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত ১১টা সমষ্টিতে একোখনকৈ এম্বুলেন্স বিতৰণ কৰে সাংসদ ৰকিবুল হুছেইনে। বিতৰণ কাৰ্যসূচীৰ অন্তত এখন বিশাল সভাত অংশগ্ৰহণ কৰে। ভাষণত কয়- এইবাৰ অসমত কংগ্ৰেছে চৰকাৰ গঠন কৰিব বুলি মন্তব্য কৰে সাংসদ ৰকিবুল হুছেইনে। ৰাইজৰ বিপদৰ সময়ত সদায় ৰকিবুল হুছেইন থাকিব বুলি প্ৰতিশ্ৰুতি দিয়ে। লক্ষ্মীমপুৰ ঘটনাত ভূপেন বৰাৰ বিতৰ্কক লৈ ৰকিবুল হুছেইনে কয় - এয়া এক ষড়যন্ত্ৰ ৰচনা কৰিছে। কংগ্ৰেছৰ অনুষ্ঠানত বিজেপিৰ মানুহ কি কৰে। বিজেপি তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা সাংসদ ৰকিবুল হুছেইনৰ।

# এগৰাকী চাহ শ্ৰমিক মহিলাই কঢ়িয়াই আনিলে গৌৰৱ

**অসম বাৰ্তা, মাকুম, ১৬ ফেব্ৰুৱাৰী** ঃতিনিচুকীয়া জিলাৰ মহাকালী চাহ বাগিছাৰ নিবাসী দৈৱকী নায়ক তাঁতী নামৰ এগৰাকী মহিলাই গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হ'ল। মহাকালী চাহবাগিছাত দৈনিক হাজিৰা কৰি থকাৰ সমান্তৰালভাৱে মাতৃত্বৰ দায়িত্ব পূৰ্ণ কৰি এক ব্যতিক্ৰমী পৰিচয় দাঙি ধৰিছে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত চলিত বৰ্ষৰ যোৱা ইংৰাজী ৩১ জানুৱাৰী তাৰিখে অনুষ্ঠিত হোৱা আদিবাসী তথা চাহ জনগোষ্ঠীৰ পৰম্পৰাগত ঝুমইৰ গীতৰ কণ্ঠ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। যোৱা কালি ঝুমইৰ গীতৰ কণ্ঠ পৰীক্ষাৰ ফলাফলত তেখেতে সফলতা লাভ কৰাত মহাকালী চাহবাগিছাৰ লগতে সমগ্ৰ আদিবাসী চাহ জনগোষ্ঠীৰ বাবে গৌৰৱ কঢ়িয়াই আনিছে। তেখেতে চাহবাগিছাত দৈনিক কঠোৰ পৰিশ্ৰম নিষ্ঠা প্ৰচেষ্টা আৰু একাগ্ৰতাৰ ইচ্ছাশক্তিৰ জৰিয়তে "অনাতাঁৰ" শিল্পী হিচাপে জিলিকিবলৈ সক্ষম হৈছে। তেখেতৰ সফলতাত অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা তিনিচুকীয়া জিলা সমিতিৰ বিষয়ববীয়া সকল, অসম চাহ জনজাতি মহিলা তিনিচুকীয়া জিলা সমিতিৰ বিষয়ববীয়া সকল প্ৰমুখ্যে স্থানীয় শিক্ষক আদি কৰি বিভিন্ন জনে অভিনন্দন জ্ঞাপন কৰাৰ লগতে তেওঁৰ উজ্জ্বল ভৱিষ্যতৰ কামনা কৰিছে। এগৰাকী চাহ শ্ৰমিক মহিলা হৈ এনেদৰে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱাত ধন্য হোৱাৰ লগতে অসমৰ চাহবাগিছা অঞ্চলত মোৰ দৰে বহু মহিলা আছে যি মহিলাই প্ৰতিভা থাকিও এখন মঞ্চৰ বা সহায়কৰ অভাৱত হেৰাই যাবলৈ ধৰিছে, গতিকে তেখেত সকলৰ প্ৰতিভা সমূহ বাছনি কৰি এখন মঞ্চ দিবলৈ সদৌটিলৈ সংবাদ মাধ্যমৰ জৰিয়তে অনুৰোধ জনায়। প্ৰতিটো ক্ষণত সাহস হিচাপে থিয় দিয়া স্বামী শেখৰ নায়কক ধন্যবাদ জ্ঞাপন কৰে "অনাতাঁৰ" শিল্পী খিতাপ দখল কৰা দৈৱকী নায়ক তাঁতীয়ে।

### হাইস্কুল শিক্ষান্ত পৰীক্ষাত সমাজ বিজ্ঞানৰ OMR শ্বীটত খেলিমেলি; ছাত্ৰ-ছাত্ৰীৰ মাজত হাহাকাৰ

# বৰপেটাৰ এটা পৰীক্ষা কেন্দ্ৰত আহিল কাছাৰ জিলাৰ OMR শ্বীট

**অসম বাৰ্তা, জনীয়া, ১৬ ফেব্ৰুৱাৰী** ঃআজি অসম ৰাজ্যিক মাধ্যমিক শিক্ষা বোৰ্ড চুমুকৈ (ASSEB) ৰ নাভূত নাশ্ৰুত কাণ্ডই বৰপেটাৰ এম এ বাতেন উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰত ছাত্ৰ ছাত্ৰীৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। অসম চৰকাৰৰ শিক্ষা বিভাগে যিমানেই নিকা আৰু স্বচ্ছতাৰে পৰীক্ষা অনুষ্ঠিত কৰিব নিবিচাৰক কিয় একাংশ বিষয়া-কৰ্মচাৰীৰ গাফিলতি আৰু অমনোযোগিতাৰ বাবে বিভিন্ন সময়ত পৰীক্ষাৰ প্ৰশ্ন কাকত ফাদিল নাইবা বিভিন্ন বিসংগতিৰ ঘটনা সংঘটিত হৈ আহিছে। তেনে এক ঘটনা সংঘটিত হৈছে বৰপেটা জিলাৰ ভৱানীপুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত এম এ বাতেন উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰত। জানিব পৰা মতে উক্ত পৰীক্ষা কেন্দ্ৰত কাছাৰ জিলাৰ OMR শ্বীটত পৰীক্ষা দিবলগীয়া হোৱাত শিক্ষা বিভাগৰ প্ৰকৃত স্বৰূপটো পুনৰ উদঙাই দিলে। উল্লেখ্য যে ছাত্ৰ-ছাত্ৰীৰ হাতত কাছাৰ জিলাৰ OMR শ্বীট পৰাৰ লগে-লগে এক অভাৱনীয় হাহাকাৰৰ সৃষ্টি হয় যদিও কৰ্তৃপক্ষই ইয়াক গোপন ৰখাৰ প্ৰয়াস কৰে। স্মৰ্তব্য বিষয় যে প্ৰত্যেক জিলাৰ প্ৰত্যেক কেন্দ্ৰৰ বাবে OMR শ্বীট পৃথক পৃথককৈ আহে যদিও বৰপেটাৰ এম এ বাতেন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাংশ পৰীক্ষাৰ্থীয়ে কাছাৰ জিলাৰ OMR শ্বিটত পৰীক্ষা দিবলগীয়া হয়। জানিব পৰা মতে কেন্দ্ৰত পৰীক্ষাৰ দায়িত্বত থকা বিষয়াসকলে শ্বিটত পুনৰ নামকৰণ কৰি ছাত্ৰ-ছাত্ৰীক পৰীক্ষা দিবলৈ দিয়ে যদিও ফটো পৰিৱৰ্তন সম্ভৱ নহয়। যাৰ বাবে কোনো কোনো শ্বিটত ছাত্ৰৰ ঠাইত ছাত্ৰীৰ ফটো আৰু ছাত্ৰীৰ ঠাইত ছাত্ৰৰ ফটো সন্নিবিষ্ট হোৱাটো তেনেই অস্বাভাৱিক নহয়। ছাত্ৰ-ছাত্ৰীৰ ফটো, নাম বিভিন্ন তথ্য সম্বলিত এই OMR শ্বীট কেনেকৈ খেলি-মেলি হ'ল বুলি বৌদ্ধিক মহলৰ মাজত প্ৰশ্ন উত্থাপিত হৈছে। কেন্দ্ৰটোত ৪৩৮ গৰাকীকৈ পৰীক্ষাৰ্থীয়ে এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছে। তাৰে ১৬২ জন ছাত্ৰ আৰু ২৭৬ গৰাকী ছাত্ৰী। পৰীক্ষা কেন্দ্ৰটোত ছয়খন বিদ্যালয়ৰ মুঠ ৪৩৮ গৰাকী ছাত্ৰ-ছাত্ৰী এইবেলি এম এ বাতেন উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰত পৰীক্ষাত অৱতীৰ্ণ হৈছে। তাৰে এম এ বাতেন উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰা ৩৫ গৰাকী ছাত্ৰ আৰু ৯০ গৰাকী ছাত্ৰী, মুঠ ১২৫জন ছাত্ৰ-ছাত্ৰী। আদৰ্শ জাতীয় বিদ্যালয়ৰ পৰা ১ গৰাকীকৈ ছাত্ৰী। ডি এইচ নৱ বিকাশ হাইস্কুলৰ পৰা ৩১ গৰাকী ছাত্ৰ আৰু ৫৩ গৰাকী ছাত্ৰী, মুঠ-৮৪জন ছাত্ৰ-ছাত্ৰী। গৰেমাৰী হাইস্কুল পৰা ১০জন ছাত্ৰ আৰু ৩৭ গৰাকীকৈ ছাত্ৰী, মুঠ- ৪৭ গৰাকী ছাত্ৰ-ছাত্ৰী। কে কে হাইস্কুলৰ পৰা ৭০ গৰাকী ছাত্ৰ আৰু ৭৪ গৰাকী ছাত্ৰী, মুঠ-১৪৪জন ছাত্ৰ-ছাত্ৰী। কুমুল্লীপাৰা হাইস্কুলৰ পৰা ১৬জন ছাত্ৰ আৰু ২১ গৰাকী ছাত্ৰী, মুঠ- ৩৭জন ছাত্ৰ-ছাত্ৰী। কাৰ ভুলৰ বাবে বৰপেটা জিলাৰ ছাত্ৰ-ছাত্ৰীয়ে কাছাৰ জিলাৰ OMR শ্বীটত পৰীক্ষা দিবলগীয়া হ'ল আৰু ছাত্ৰ-ছাত্ৰীৰ জীৱনলৈ হেতালি খেলা বিষয়া কৰ্মচাৰীৰ বিৰুদ্ধে শিক্ষা বিভাগৰ উৰ্দ্ধতন মহলে কি ভূমিকা লয় সেইয়া হ'ব লক্ষণীয়।

# ষ্টাৰ স্প'ৰ্টিঙৰ ৬২ তম্ প্ৰতিষ্ঠা দিৱস আৰু ছিʼ এ ছাইড ক্ৰিকেট




**অসম বাৰ্তা, নগাঁও, ১৬ ফেব্ৰুৱাৰী** ঃ নগাঁৱৰ অন্যতম ক্ৰীড়ানুষ্ঠান ষ্টাৰ স্প'ৰ্টিং ক্লাবে আজি ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱসটি নুৰুল আমিন ষ্টেডিয়ামত আড়ম্বৰপূৰ্ণভাৱে পালন কৰে। ইয়াৰ লগত সংগতি ৰাখি ক্লাবটোৱে চতুৰ্থ পুলিন শইকীয়া সোঁৱৰণী ভেটাৰ্ণছ ছিʼ-এ-ছাইড ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰে। দহটা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ক্লাবটোৰ সভাপতি আলোক গোস্বামীয়ে। প্ৰিয়াংকু শৰ্মাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানটোত সম্পাদক প্ৰদীপ কুমাৰ হাজৰিকা, যুটীয়া সম্পাদক মৃনাল কুমাৰ হাজৰিকা আৰু ৰজত বৰদলৈ, নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাস আৰু যুটীয়া সম্পাদক উজ্জ্বল বৰুৱা, প্ৰয়াত পুলিন শইকীয়াৰ সহধৰ্মিনী দীপা শইকীয়া আৰু উদ্যোক্তাৰ সভাপতি দেৱজিত দাস উপস্থিত থাকে। প্ৰতিযোগিতাৰ উদ্বোধনী খেলত বৰদোৱা ছিক্সাৰে কাজিৰঙা ছিক্সাৰক পৰাস্ত কৰাৰ বিপৰীতে দ্বিতীয়খন খেলত কলং ছিক্সাৰে মহামৃত্যুঞ্জয় ছিক্সাৰক আৰু কপিলী ছিʼৰে মহামৃত্যুঞ্জয় ছিক্সাৰক, কাজিৰঙা ছিক্সাৰে ৰংঘৰ ছিʼৰক পৰাস্ত কৰি অগ্ৰগতি লাভ কৰে। আনহাতে, ব্ৰহ্মপুত্ৰ ছিʼৰে বৰলুইত ছিক্সাৰক আৰু পবিতৰা ছিʼৰক আৰু চম্পাৱতী ছিক্সাৰে পবিতৰা ছিক্সাৰ আৰু বৰলুইত ছিক্সাৰক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। কাইলৈ প্ৰতিযোগিতাৰ অন্তিম দিন।

# বাৰ্লিনেল ২০২৬-ৰ দৰ্শকভৰ্তি প্ৰেক্ষাগৃহত ৱৰ্ল্ড প্ৰিমিয়াৰ ৰীমা দাসৰ নতুন চিনেমা Not a Hero

## ৬ মাৰ্চত মুক্তি পাব ভিলেজ ৰকষ্টাৰ্ছ-২

**অসম বাৰ্তা, ছয়গাঁও, ১৬ ফেব্ৰুৱাৰী** ঃ ৰীমা দাসৰ চিনেমা পুনৰ উজলিল বাৰ্লিনেলত। বাৰ্লিনেল ২০২৬-ৰ দৰ্শকভৰ্তি প্ৰেক্ষাগৃহত ভূয়সী প্ৰশংসাৰে ৱৰ্ল্ড প্ৰিমিয়াৰ সম্পন্ন হ'ল যশস্বী চলচ্চিত্ৰ নিৰ্মাতা গৰাকীৰ শেহতীয়া চিনেমা Not a Hero. বাৰ্লিনেলৰ ৰেড কাৰ্পেটত জিলিকি উঠা চিনেমাখনৰ জয়যাত্ৰাই গৌৰৱান্বিত কৰিছে অসম তথা ভাৰতৰ চলচ্চিত্ৰপ্ৰেমীক। ইফালে, অহা ৬ মাৰ্চত চিনেমা হলত মুক্তি লাভ কৰিব ৰীমা দাসৰ আন এখন চিনেমা 'ভিলেজ ৰকষ্টাৰ্ছ-2'। উল্লেখ্য যে ভিলেজ ৰকষ্টাৰ্ছ-২ হৈছে ৰীমা দাসৰ বহু প্ৰশংসিত চিনেমা 'ভিলেজ ৰকষ্টাৰ্ছ'ৰ ছিকুৱেল। বাৰ্লিনেলত প্ৰিমিয়াৰ সন্দৰ্ভত ৰীমা দাস কয় যে Not a Hero-ই যুৱচাম দৰ্শকক সন্দিগ্ধতা আৰু আবেগিক সম্পৰ্কৰে চিনেমাখনেৰে একাত্ম কৰিব বুলি দৃঢ় বিশ্বাসী। অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে এই সংঘাতৰ সম্পূৰ্ণ সমাধান হৈছে। শিশুসকল প্ৰতীক বা পাঠশিক্ষা নহয়, বৰঞ্চ পূৰ্ণ পৰ্যায়ৰ ব্যক্তি - এই ধাৰণাৰে 'জেনেৰেছন'ত হোৱা এই প্ৰিমিয়াৰক লৈ ৰীমা দাসে কৃতজ্ঞ বুলি কয়। ইয়াৰ উপৰিও ৰীমা দাসে কয়-দলটোৰ সৈতে ৰেড কাৰ্পেটত খোজ কঢ়াটো অধিক বিশেষ আৰু গভীৰ অৰ্থপূৰ্ণ অনুভৱ।' এইবাৰকে ধৰি ৰীমা দাসে বাৰ্লিনেলত তৃতীয়বাৰলৈ অংশগ্ৰহণ কৰিছে। 'বুলবুল কেন ছিঙে' ২০১৯-ত জেনেৰেচন ফৰটিনপ-ছ'ত বিশেষ উল্লেখ লাভ কৰিছিল আৰু ২০২০-ত তেওঁ একেটা শাখাৰ জুৰী সদস্য হিচাপে সেৱা আগবঢ়াইছিল। চিনেমাখনৰে জড়িত অন্যান্যসকলৰ মন্তব্য কৰে চিনেমাখনৰ কাৰ্যবাহী প্ৰযোজক আৰু ডাইৰেক্টৰ অৱ ফটোগ্ৰাফী আদিত্য বাৰ্মাই এই অভিজ্ঞতাক ৰূপান্তৰমূলক বুলি কয়। 'জেনেৰেছন শাখা'ৰ লগত জড়িত হ'বলৈ পোৱাটো এটা উপলব্ধি। সংবেদনশীল আৰু ভৱিষ্যদৰ্শী দৃষ্টিভংগীৰ ৰীমা দাসৰ অধীনত কাম কৰিবলৈ সুযোগ পোৱাটোৱে মোক মনত পেলাই যে চিনেমাই বিশুদ্ধতাৰ অনুভৱ দিয়ে। দৰ্শকৰ সৈতে চিনেমাখন ইয়াত চোৱাৰ দ্বাৰা কাহিনী কোৱাৰ প্ৰতি মোৰ ভালপোৱা পুনৰুজ্জীৱিত হৈছে। অভিনেত্ৰী সুকন্যা বৰুৱাই কয়, "ৰীমা দাসৰ লগত কাম কৰিবলৈ পোৱাটো এটা বিৰল অভিজ্ঞতা। তেওঁ অভিনেতাসকলক সহজ কৰি দি প্ৰয়োজনীয় পৰিৱেশ দিয়ে। দলটোৰ সৈতে বাৰ্লিনেলৰ প্ৰিমিয়াৰত উপস্থিত থাকি বিশেষ অনুভৱ হ'ল। মই গৌৰৱান্বিত আৰু গভীৰভাৱে কৃতজ্ঞ বুলি কয় তেওঁ। "সংগীত পৰিচালক পল্লৱ তালুকদাৰে কয়-Not a Hero-ত সংগীত নিজেই এটা চৰিত্ৰ। ইয়াৰ বাবে সংযম আৰু আবেগিক সততা লাগিব। এই যুটীয়া কৰ্ম মোৰ হৃদয়ত সদায় অংকিত হৈ ৰ'ব।" উল্লেখ্য যে, Flying River Films -এ প্ৰযোজনা কৰা এই চিনেমাখনত অকাংগা ফিল্ম এছিয়া আৰু ট্ৰেইন ট্ৰিপাৰ ফিল্মছ প্ৰযোজনা সহযোগী হিচাপে আছে। প্ৰিমিয়াৰৰ পূৰ্বে পেৰিছৰ বিপনন কোম্পানী এম এম এম ছেলছ-এ চিনেমাখনৰ বিশ্ব বিপননৰ স্বত্ব ক্ৰয় কৰে। Not a Hero চিনেমাখনৰ কাহিনীৰ সাৰাংশ-মহানগৰৰ সা-সুবিধাৰ পৰা দূৰত পূৰ্বপুৰুষৰ পুৰণি গাঁৱত কঠুৱা মহিলা আত্মীয়ৰ সৈতে মুখামুখি হোৱা এটা সৰু ল'ৰাৰ এটা ঘোঁৰাৰ সৈতে বন্ধুত্ব হয় আৰু এদল স্থানীয় শিশুৰ সৈতে কৰা নানা অভিযানে জীৱনৰ সৌন্দৰ্য আৱিষ্কাৰ কৰায় আৰু সি আগতে নজনা সাহসৰ সৈতে পৰিচয় কৰায়। এইখিনিতে উল্লেখ্য যে-ৰীমা দাস, দুবাৰকৈ ৰাষ্ট্ৰীয় বঁটা প্ৰাপক চলচ্চিত্ৰ নিৰ্মাতা, যি খিলঞ্জীয়া আৰু বাস্তৱধৰ্মী চিনেমা নিৰ্মাণ কৰে, যাৰ মাজেৰে সম্পৰ্কৰ জটিলতা, উদ্দেশ্য, যুগ কাল আৰু প্ৰকৃতিৰ মাজৰ জীৱনৰ সন্ধান কৰা হৈছে। ২০২৪ত তেওঁ একাডেমি অৱ মোশ্যন পিকচাৰ্ছ আৰ্টছ এণ্ড ছায়েন্সৰ এগৰাকী সদস্য হয়। টৰ'ণ্টো ইণ্টাৰনেচনেল ফিল্ম ফেষ্টিভেলৰ 'Share Her Journey' শীৰ্ষক লিংগ সমতা অভিযানৰ ব্ৰেণ্ড এম্বেছেদৰ হিচাপেও তেওঁ সেৱা আগবঢ়াইছে। আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসৰ চিনেমা- 'ভিলেইজ ৰকষ্টাৰ্ছ '(২০১৭), 'বুলবুল কেন ছিং, (২০১৮), 'তৰা'জ হাজবেণ্ড' (২০২২) আৰু 'ভিলেজ ৰকষ্টাৰ্ছ ২' (২০২৪)ই সৰ্বমুঠ ১৫০খনতকৈ অধিক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈছে, ইয়াৰ ভিতৰত আছে টৰণ্টো, বাৰ্লিনেল, আৰু বুছান আদি। বিশ্বজুৰি ৭৫ টাতকৈ অধিক বঁটা লাভ কৰিছে। ছবিখনত অভিনয় কৰিছে ভূমন ভাৰ্গৱ দাস, সুকন্যা বৰুৱা, মৃণ্ময় দাসে। ৰচনা, পৰিচালনা, সম্পাদনা আৰু প্ৰযোজনাঃ ৰীমা দাসৰ। সহঃ প্ৰযোজনাঃ ফ্ৰেন বৰ্জিয়া, জয়া দাস, চিপ্পি বাবু, অভিষেক শৰ্মা। কাৰ্যবাহী প্ৰযোজক আৰু ডাইৰেক্টৰ অৱ ফটোগ্ৰাফীঃ আদিত্য বৰ্মা। এচ'চিয়েট প্ৰডিউচাৰঃ মুনিষ ভৰদ্বাজ, মাৰিঅ' ষ্টেফান। ছাউণ্ড ডিজাইনাৰ-শ্ৰেয়াংক নানজাপ্পা। সংগীত পৰিচালক পল্লৱ তালুকদাৰ। কালাৰিষ্ট-পৃথ্বী বুদ্ধাভাৰাপু (ব্ৰীজ পোষ্ট ৱৰ্কছ)। অতিৰিক্ত সম্পাদক-লিপ্পি ৰামচন্দ্ৰানী। বিশ্ব বিপনন- এম এম এম ছেলছৰ বুলি এক প্ৰেছ বিজ্ঞপ্তিত চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসে উল্লেখ কৰে।

### তিনিগৰাকী শিল্পীৰ সত্ৰীয়া নৃত্য, মুখা সংস্কৃতি আৰু অংকীয়া ভাওনা সম্পৰ্কীয় প্ৰদৰ্শনমূলক বক্তৃতা

# মাজুলী মহাবিদ্যালয়ত সংগীত নাটক অকাডেমিৰ বৰ্ণাঢ্য অনুষ্ঠান 'প্ৰাতিজ্ঞ'

**অসম বাৰ্তা, মাজুলী, উজনী মাজুলী, ১৬ ফেব্ৰুৱাৰী** ঃ ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অন্তৰ্গত সংগীত নাটক অকাদেমিৰ উদ্যোগত আৰু মাজুলী মহাবিদ্যালয়ৰ সহযোগত আজি অনুষ্ঠিত হয় এক বিশেষ বৰ্ণাঢ্য অনুষ্ঠান 'প্ৰাতিজ্ঞ'। বিয়লি ৩ বজাৰ পৰা মাজুলী মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহত অনুষ্ঠিত এই অনুষ্ঠানটি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে সংগীত নাটক অকাদেমী বঁটাপ্ৰাপক শিল্পী যোগেন দত্ত বায়ন, হৰিচৰণ ভূএগ বৰবায়ন, কৰুণা বৰা, ভৱেন বৰবায়ন প্ৰমুখ্য বিশিষ্ট শিল্পীসকলে। অনুষ্ঠানৰ আৰম্ভণিতে অকাডেমিৰ তৰফৰ পৰা সমল ব্যক্তি অসমৰ তিনিগৰাকী পৰিৱেশ্য কলা বিশাৰদ ক্ৰমে পদ্মশ্ৰী হৰিচৰণ শইকীয়া, হেমচন্দ্ৰ গোস্বামী, গুণীন্দ্ৰ নাথ ওজা, মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, সংগীত নাটক অকাদেমীৰ উত্তৰ পূব কেন্দ্ৰৰ সঞ্চালক ড° অৰূপ বৰদলৈ প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলক আনুষ্ঠানিকভাৱে সম্ভাষণ জনোৱা হয়। আদৰণী ভাষণ আগবঢ়ায় সংগীত নাটক অকাদেমীৰ উত্তৰ পূব কেন্দ্ৰৰ সঞ্চালক ড° অৰূপ বৰদলৈয়ে। অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায় মাজুলীৰ জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই সংগীত নাটক অকাডেমিৰ উদ্যোগত দেশৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠানসমূহত অনুষ্ঠিত কৰি অহা 'প্ৰাতিজ্ঞ' শীৰ্ষক এই অনুষ্ঠানৰ অষ্টাদশটি অনুষ্ঠান মাজুলীৰ প্ৰাচীনতম উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ত অনুষ্ঠিত কৰাৰ বাবে অকাডেমিক মাজুলীবাসীৰ হৈ কৃতজ্ঞতা জনায়। অনুষ্ঠানত অসমৰ পৰিৱেশ্য কলাৰ তিনিগৰাকী পাৰংগত পুৰুষ ক্ৰমে লখিমপুৰৰ সত্ৰীয়া শিল্পী পদ্মশ্ৰী হৰিচৰণ শইকীয়াই সত্ৰীয়া নৃত্য, মাজুলীৰ নতুন চামগুৰি সত্ৰৰ মুখাশিল্পী পদ্মশ্ৰী হেমচন্দ্ৰ গোস্বামীয়ে মুখাশিল্প সংস্কৃতি আৰু বৰপেটা সত্ৰৰ লোকশিল্পী গুণীন্দ্ৰ নাথ ওজাই অংকীয়া ভাওনা আৰু বৰগীত শীৰ্ষক বিষয়ত কেইবাগৰাকীও সহঃ শিল্পীৰে সৈতে প্ৰদৰ্শনমূলক বক্তৃতা আগবঢ়াই সমৱেতসকলক আপ্লুত কৰে। সত্ৰীয়া শিল্পী তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° যাদৱ বৰাই অনুষ্ঠানটোৰ আঁত ধৰাৰ লগতে শলাগ জ্ঞাপন কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, প্ৰাক্তন অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকা, নৰেন চন্দ্ৰ ঠাকুৰীয়া, শিক্ষাবিদ হিতেশ্বৰ বৰা, কমল চন্দ্ৰ শইকীয়া, লক্ষ্মীনাৰায়ণ ব্যাস, লোহিত বৰা, ডিম্বেশ্বৰ শইকীয়া, সত্ৰীয়া শিল্পী প্ৰভাত বৰা বুঢ়াভকত, কৃষ্ণ ভূএগ গায়ন, প্ৰভাত গোস্বামী, খগেন গোস্বামী, অনাতাঁৰ শিল্পী অনিমা শইকীয়া, দীপক বৰুৱা, নৃপেন কলিতা, মুহিকান্ত বৰবায়ন, জিলা সাংবাদিক সন্থাৰ সম্পাদক ডিম্বেশ্বৰ দত্ত, ৰূবী সভাপণ্ডিত, মাজুলী মহাবিদ্যালয়ৰ অধ্যাপিকা ড° ৰূপজ্যতি বৰা, ড° জয়া কলিতা গগৈ, ড° পল্লৱী দুৱৰা, ৰুবী বৰা, সুদৰ্শনা ফুকন, বিদিশা ভট্টাচাৰ্য, ড° শ্বাহনাজ আহমেদ, সংগীত নাটক অকাদেমী, নতুন দিল্লী বিষয়া দীপক যোশী, সত্ৰীয়া কেন্দ্ৰৰ দিগন্ত বৰা উপৰি মাজুলীৰ বিভিন্ন সত্ৰানুষ্ঠানৰ বৈষ্ণৱ শিল্পীসকল, শিক্ষা-সংস্কৃতি তথা সামাজিক ক্ষেত্ৰৰে জড়িত বিশিষ্ট ব্যক্তিসকল, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল, প্ৰমুখ্য দ্বি-শতাধিক লোক উপস্থিত থাকে।

# দাৰুল উলুম নগাঁও মাদ্ৰাছাৰ সৌজন্যত হজ্ব প্ৰশিক্ষণ শিৱিৰ আৰু সম্বৰ্দ্ধনা অনুষ্ঠান

**অসম বাৰ্তা, নগাঁও, ১৬ ফেব্ৰুৱাৰী** ঃ নগাঁও জিলাৰ পানীগাওঁ কছলুখোৱা দাৰুল উলুম মাদ্ৰাছা প্ৰংগনত আজি হজ্ব প্ৰশিক্ষণ আৰু সম্বৰ্দ্ধনা অনুষ্ঠানটি অনুষ্ঠিত হয়। অনুষ্ঠানটিত সভাপতিত্ব কৰে আলহাজ ছহিদ উল্লাহে। আগন্তুক ১৯ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হব লগীয়া হজ্ব যাত্ৰাৰ বাবে আজি দাৰুল উলুম মাদ্ৰাছাত আয়োজিত প্ৰশিক্ষণ কাৰ্যসূচীত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে হাজি আমিনুল ইছলামৰ লগতে অন্যান্য সকলে। অনুষ্ঠানত বিশিষ্ট অতিথি হিছাপে উপস্থিত থাকি নগাঁও জিলা হজ্ব কমিটিৰ এগৰাকী সক্ৰিয় সদস্য হিছাপে অংশগ্ৰহণ কৰে ৰূপহীহাট সমষ্টিৰ বিধায়ক নুৰুল হুদাই। আগন্তুক ২০২৬ বৰ্ষৰ মক্কা-মদীনাত হব লগীয়া হজ্বত নগাঁৱৰ পৰা যাবলগীয়া হজ্বযাত্ৰী সকলক একোখনকৈ ফুলাম গামোচা আৰু সম্বৰ্দ্ধনা পত্ৰৰে শুভ কামনা জনায় আৰু হজ্বৰ সময়ত লৱলগীয়া বিভিন্ন নীতি-নিৰ্দেশনা-নিয়ম, লবলগীয়া সাৱধানতা আদিৰ সন্দৰ্ভত অৱগত কৰে। নগাঁও জিলাৰ পৰা যাত্ৰা কৰিব লগীয়া হজ্ব যাত্ৰী সকলৰ ১৬১ গৰাকীৰ মাজৰে মহিলাৰ সংখ্যা প্ৰায় ৪০গৰাকী। আজিৰ এই প্ৰশিক্ষণ কাৰ্যসূচীত অনুষ্ঠানত মাদ্ৰাছা কমিটিৰ আলহাজ ছহিদ উল্লা, সম্পাদক আলহাজ নুৰুল আমিন, মাদ্ৰাছাৰ প্ৰধান শিক্ষক গিয়াছউদ্দিন উৱাহিদ মাজাহিৰীকে প্ৰমুখ্যে কৰি মাদ্ৰাছা কমিটিৰ অন্যান্য বিষয়ববীয়া সকল উপস্থিত থাকে।

## সম্পাদকীয়

# এপিএছচিৰ ফলাফল বাতিল; উত্তৰবিহীন প্ৰশ্ন

ৰাজ্যৰ কেইবাহাজাৰৰো অধিক পৰীক্ষাৰ্থী আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে সোমবাৰৰ দিনটো আছিল অতি সংবেদনশীল এক পৰীক্ষাৰ ক্ষণ। অসম লোকসেৱা আয়োগে (এপিএছচি) দীৰ্ঘদিনীয়া প্ৰতীক্ষাৰ অন্তত সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফল ঘোষণা কৰিলে। গুৱাহাটীৰ নিহাৰ ৰঞ্জন ডেকাৰ দৰে মেধাৱী ছাত্ৰই শীৰ্ষ স্থান দখল কৰা বুলি প্ৰকাশ পোৱাত ৰাজ্যজুৰি আনন্দৰ বতৰা বলিছিল। কিন্তু সেই আনন্দ স্থায়ী নহ'ল। মাত্ৰ কেইঘণ্টামানৰ ভিতৰতে আয়োগে এক কাৰিকৰী ত্ৰুটিৰ কথা উল্লেখ কৰি গোটেই ফলাফল বাতিল কৰাৰ সিদ্ধান্ত ঘোষণা কৰে। এনে অভূতপূৰ্ব সিদ্ধান্তই এতিয়া পৰীক্ষাৰ্থীৰ মনত উদ্বেগৰ লগতে সাধাৰণ ৰাইজৰ মনতো বহু প্ৰশ্নৰ সৃষ্টি কৰিছে। প্ৰথমতে, এটা প্ৰশ্নই অহৰহ আমনি কৰি আছে যে, ইমান গুৰুত্বপূৰ্ণ ফলাফল প্ৰকাশ কৰাৰ আগতে আয়োগৰ কাৰিকৰী দলে সেই তালিকা ভালদৰে পৰীক্ষা-নিৰীক্ষা কৰা উচিত নাছিল নেকি? য'ত ২৮৮টা গুৰুত্বপূৰ্ণ চৰকাৰী পদৰ ভৱিষ্যত জড়িত, তেনে ক্ষেত্ৰত এটা অনিচ্ছাকৃত ত্ৰুটিৰ দোহাই দিয়া মানি লোৱা টান। যদি প্ৰকৃততে কাৰিকৰী সমস্যা আছিল, তেন্তে ফলাফল প্ৰকাশৰ পূৰ্বেই সেইটো ধৰা পৰা উচিত আছিল। এনে ঘটনাই আয়োগৰ কাম-কাজৰ ওপৰত ৰাইজৰ আস্থা কিমানদূৰ অটুট থাকিব পাৰে, সেই সন্দেহৰো সৃষ্টি কৰিছে। দ্বিতীয়তে, ফলাফল বাতিলৰ পিছত পৰীক্ষাৰ্থীসকলৰ মাজত সৃষ্টি হোৱা অনিশ্চয়তা অকল্পনীয়। বহু ছাত্ৰ-ছাত্ৰীয়ে বছৰৰ পিছত বছৰ ধৰি এই পৰীক্ষাৰ বাবে কঠোৰ পৰিশ্ৰম কৰে। ফলাফল প্ৰকাশৰ পিছত কোনো পৰীক্ষাৰ্থীয়ে নিজকে প্ৰথম, দ্বিতীয় বা তৃত্বীয় স্থানত থকা বুলি জানিব পাৰি আনন্দত আত্মহাৰা হৈছিল, কিন্তু ফলাফল বাতিল হোৱাৰ খবৰে তেওঁলোকৰ সুখৰ সপোন ভাঙি চুৰমাৰ কৰিছে। এনে পৰিস্থিতিত তেওঁলোকৰ মানসিক অৱস্থা কি হ'ব, সেয়া অনুমান কৰাটোও কঠিন। ইয়াৰোপৰি, ৰাজ্য চৰকাৰে যেতিয়া এপিএছচিৰ দৰে সংবিধানিক সংস্থাৰ ওপৰত ভৰসা কৰি যোগ্য প্ৰাৰ্থী নিৰ্বাচন কৰে, তেতিয়া এই ধৰণৰ ঘটনাই চৰকাৰী সেৱাৰ প্ৰতি ৰাইজৰ আকৰ্ষণ কমাব পাৰে। ইয়াৰ লগতে, যিসকলে প্ৰথম ফলাফলত উত্তীৰ্ণ হোৱা বুলি ভাবিছিল, তেওঁলোকৰ ভৱিষ্যত সম্প্ৰতি ডাৱৰীয়া হৈ পৰিছে। সংশোধিত তালিকা পুনৰ প্ৰকাশ নোহোৱালৈকে তেওঁলোকে আত্মবিশ্বাস হেৰুৱাই পেলোৱাৰো সম্ভাৱনা থাকে। আন এক প্ৰশ্ন হৈছে, এই কাৰিকৰী ত্ৰুটিয়ে পৰীক্ষাৰ্থীসকলৰ নম্বৰ বা স্থানত কিমান পৰিমাণে প্ৰভাৱ পেলাইছিল? যিসকল পৰীক্ষাৰ্থীয়ে প্ৰথম ফলাফলত সফলতা লাভ কৰিছিল বুলি ধৰা হৈছিল, তেওঁলোকৰ ভিতৰত কোনোবাই নতুন তালিকাত স্থান পোৱা নাই নেকি? যদি নাপায়, তেন্তে সেয়া আয়োগৰ ভুলৰ ফলত হেৰুওৱা এক অমূল্য সুযোগ হ'ব। এই দিশবোৰ আয়োগে কেনেকৈ সমাধান কৰে, সেয়া সময়েহে ক'ব। শেহতীয়াকৈ, এপিএছচিৰ ফলাফল বাতিলৰ ঘটনাই আয়োগৰ স্বচ্ছতা আৰু দক্ষতাৰ ওপৰত প্ৰশ্ন তোলে। ৰাজ্যৰ উন্নয়ন আৰু সু-শাসনৰ বাবে যদি যোগ্য প্ৰাৰ্থী নিৰ্বাচন প্ৰক্ৰিয়াটোৱেই বিশ্বাসযোগ্য নহয়, তেন্তে ৰাজ্যৰ ভৱিষ্যত কোনে গঢ় দিব? পৰীক্ষাৰ্থীসকলে বহু কষ্টেৰে পঢ়ি অহা পাঠ, তেওঁলোকৰ স্বপ্ন সকলো যেন এই কাৰিকৰী ত্ৰুটিৰ বলি হৈ পৰিছে। আয়োগৰ তৰফৰ পৰা সোনকালে এটা স্বচ্ছ আৰু বিশ্বাসযোগ্য নতুন ফলাফল প্ৰকাশ কৰা অতি জৰুৰী। ফলাফলত কোনো অনিয়ম হোৱাৰ আশংকা থাকিলে তাক জনসাধাৰণৰ মাজত মুকলিকৈ দাঙি ধৰি পৰীক্ষাৰ্থীসকলৰ মনৰ পৰা সন্দেহ দূৰ কৰাটোও আয়োগৰ কৰ্তব্য। এনে সংকটময় মুহূৰ্তত, আয়োগে যাতে পৰীক্ষাৰ্থীৰ স্বাৰ্থক প্ৰাথমিকতা দি দ্ৰুত আৰু সঠিক সমাধান দিব পাৰে, সেয়াই ৰাজ্যবাসীৰ প্ৰত্যাশা। ফলাফল বাতিলৰ ঘটনাৰ পৰা শিক্ষা লৈ ভৱিষ্যতে যাতে এনে ভুলৰ পুনৰাবৃত্তি নঘটে, তাৰ বাবেও আয়োগে কাৰিকৰী ব্যৱস্থা সবল কৰা উচিত। তেতিয়াহে ৰাইজৰ আস্থা ঘূৰি আহিব আৰু পৰীক্ষাৰ্থীসকলৰ মনৰ পৰা হতাশা আঁতৰিব।

অসমীয়া মাধ্যমৰ শিক্ষাৰ ভৱিষ্যৎ বহু পৰিমাণে নিৰ্ভৰ কৰিছে আমি কেনেকৈ আধুনিক প্ৰযুক্তি আৰু ডিজিটেল মাধ্যমক নিজৰ ভাষাৰ সৈতে সংপৃক্ত কৰিব পাৰো তাৰ ওপৰত একবিংশ শতিকাৰ এই যুগটো হৈছে ইন্টাৰনেট আৰু ডিজিটেল বিপ্লৱৰ যুগ। আজিৰ দিনত যিকোনো তথ্য, জ্ঞান বা মনোৰঞ্জনৰ সমল আঙুলিৰ মূৰত উপলব্ধ। কিন্তু পৰিতাপৰ বিষয় যে, ইন্টাৰনেটত উপলব্ধ বিশ্বজনীন জ্ঞান ভাণ্ডাৰৰ সৰহ ভাগেই ইংৰাজী ভাষাত। অসমীয়া ভাষাত ডিজিটেল সমলৰ বা 'ডিজিটেল কনটেণ্ট'ৰ অভাৱ এটা ডাঙৰ অন্তৰায়। আমি যদি ভৱিষ্যত প্ৰজন্মক অসমীয়া ভাষাৰ প্ৰতি আকৰ্ষিত কৰিব বিচাৰো আৰু ভাষাটোক জীয়াই ৰাখিব বিচাৰো, তেন্তে আমি অসমীয়া ভাষাক ইন্টাৰনেটৰ ভাষা হিচাপে সবলভাৱে প্ৰতিষ্ঠা কৰিব লাগিব।

# শিক্ষাৰ মাধ্যম হিচাপে অসমীয়া

## বৰ্তমান আৰু ভৱিষ্যৎ

**নলিনী ৰঞ্জন ভূঞা**

যিকোনো জাতিৰ অস্তিত্ব, দৰ্শন আৰু ইতিহাস তেওঁলোকৰ ভাষাৰ ওপৰত নিৰ্ভৰশীল। সমাজতাত্ত্বিক দৃষ্টিকোণৰ পৰা অসমীয়া ভাষাৰ গুৰুত্ব অপৰিসীম কাৰণ ই অসমীয়া জাতিৰ প্ৰাণস্পন্দন। যদি শিক্ষাৰ মাধ্যম হিচাপে অসমীয়া ভাষাৰ ব্যৱহাৰ ক্ৰমান্বয়ে কমি আহে আৰু ই কেৱল ঘৰুৱা কথা-বতৰাত আৱদ্ধ হৈ পৰে, তেন্তে ভৱিষ্যতৰ প্ৰজন্মই নিজৰ শিপাৰ পৰা ক্ৰমে বিচ্ছিন্ন হৈ পৰিব। নিজৰ চহকী সাহিত্য, নিজৰ লোক-সংস্কৃতি, গীত-মাত আৰু নিজৰ জাতীয় চেতনাৰ সৈতে ভৱিষ্যত প্ৰজন্মৰ সংযোগ নোহোৱা হ'লে, কালক্ৰমত অসমীয়া জাতিৰ স্বকীয়তাও বিপন্ন হ'ব পাৰে। এটা জাতি জীয়াই থাকে তেওঁলোকৰ চিন্তা আৰু সৃষ্টিশীলতাৰ মাজেৰে, আৰু এই চিন্তাৰ স্বাভাৱিক প্ৰকাশ ঘটে মাতৃভাষাৰ জৰিয়তে। কিন্তু কেৱল এই আৱেগিক যুক্তিয়েই বৰ্তমানৰ তীব্ৰ প্ৰতিযোগিতামূলক আৰু বস্তুবাদী পৃথিৱীত অভিভাৱকসকলক আশ্বস্ত কৰিবলৈ যথেষ্ট নহয়। আমি নিৰপেক্ষভাৱে স্বীকাৰ কৰিব লাগিব যে বৰ্তমান সময়ত জ্ঞান-বিজ্ঞানৰ চৰ্চা, তথ্য-প্ৰযুক্তিৰ ব্যৱহাৰ আৰু উচ্চ শিক্ষাৰ গৱেষণা পত্ৰসমূহৰ সৰহভাগেই ইংৰাজী ভাষাত উপলব্ধ। এই কঠোৰ বাস্তৱতাক আমি নেওচা দিব নোৱাৰো। সেয়েহে, অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম হিচাপে সন্মানজনকভাৱে টিকি থাকিবলৈ হ'লে ইয়াক আধুনিক জ্ঞান-বিজ্ঞান চৰ্চাৰ সম্পূৰ্ণ উপযোগী কৰি গঢ়ি তুলিব লাগিব। কেৱল কবিতা, গল্প বা উপন্যাস চৰ্চাৰ মাজতে সীমাবদ্ধ নাথাকি অসমীয়া ভাষাত আধুনিক বিজ্ঞান, মহাকাশ বিদ্যা, কৃত্ৰিম বুদ্ধিমত্তা, চিকিৎসা বিজ্ঞান, অভিযান্ত্ৰিক বিদ্যা আৰু অৰ্থনীতিৰ দৰে জটিল বিষয়বোৰৰ উচ্চমানৰ গ্ৰন্থ আৰু সমল প্ৰস্তুত কৰা অত্যন্ত জৰুৰী। যদি আমি ছাত্ৰ-ছাত্ৰীক অসমীয়া ভাষাত বিশ্বমানৰ জ্ঞান আহৰণৰ সুযোগ দিব নোৱাৰো, তেন্তে তেওঁলোক বাৰে বাৰে জ্ঞান আহৰণৰ বাবে ইংৰাজীৰ ওচৰত শৰণাপন্ন হ'বলৈ বাধ্য হ'ব। ভাষা এটা জীয়াই থাকে ইয়াৰ ব্যৱহাৰযোগ্যতা আৰু উপযোগিতাৰ ওপৰত ভিত্তি কৰি, কেৱল অতীতৰ গৌৰৱৰ ওপৰত ভিত্তি কৰি নহয়।



বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰৰ নতুন শিক্ষা নীতি ২০২০-এ মাতৃভাষাৰ মাধ্যমত শিক্ষা দানৰ ওপৰত যি বিশেষ গুৰুত্ব আৰোপ কৰিছে, সেয়া অসমীয়া ভাষাৰ বাবে এক আশাৰ বতৰা হ'ব পাৰে যদিহে ইয়াক আন্তৰিকতা আৰু সঠিক পৰিকল্পনাৰে কাৰ্যকৰী কৰা হয়। এই নীতি অনুসৰি কমেও পঞ্চম শ্ৰেণীলৈকে আৰু সম্ভৱ হ'লে অষ্টম শ্ৰেণীলৈকে শিক্ষাৰ মাধ্যম মাতৃভাষা বা স্থানীয় ভাষা হোৱা উচিত বুলি পৰামৰ্শ দিয়া হৈছে। এই পদক্ষেপে শিশুৰ মানসিক চাপ হ্ৰাস কৰাৰ লগতে ধাৰণাসমূহ স্পষ্ট হোৱাত সহায় কৰিব। কিন্তু ইয়াৰ সফল ৰূপায়ণৰ বাবে প্ৰয়োজন হ'ব প্ৰচুৰ পৰিমাণৰ মানদণ্ডসম্পন্ন শৈক্ষিক সমল আৰু প্ৰশিক্ষিত শিক্ষক। উচ্চ শিক্ষাৰ ক্ষেত্ৰতো আঞ্চলিক ভাষাসমূহৰ ব্যৱহাৰ বঢ়াবলৈ চৰকাৰে যি পদক্ষেপ লৈছে, তাক বাস্তৱায়িত কৰিবলৈ হ'লে আমাৰ হাতত পৰ্যাপ্ত পৰিমাণৰ অসমীয়া কাৰিকৰী শব্দকোষ আৰু প্ৰামাণ্য পাঠ্যপুথি থাকিব লাগিব। দুৰ্ভাগ্যবশতঃ, অসমীয়া ভাষাত এতিয়াও বিজ্ঞান আৰু প্ৰযুক্তিৰ পৰিভাষা যথেষ্ট সীমিত আৰু বহুক্ষেত্ৰত ই ইমান কঠিন যে ছাত্ৰ-ছাত্ৰীয়ে মূল ইংৰাজী শব্দটো ব্যৱহাৰ কৰাই বেছি সহজ বুলি ভাবে। এই অভাৱ পূৰণ কৰিবলৈ ভাষাবিদ, বিজ্ঞান লেখক আৰু বিষয় বিশেষজ্ঞসকলৰ একত্ৰিত আৰু নিৰৱচ্ছিন্ন প্ৰচেষ্টাৰ প্ৰয়োজন। কেৱল ইংৰাজী পাঠ্যপুথি আক্ষৰিক অনুবাদ কৰিলেই নহ'ব, সেইবোৰ যাতে ছাত্ৰ-ছাত্ৰীৰ বাবে সহজবোধ্য, প্ৰাঞ্জল আৰু আকৰ্ষণীয় হয়, তাৰ প্ৰতিও বিশেষ লক্ষ্য ৰাখিব লাগিব। শিক্ষা নীতিৰ মূল উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীক জ্ঞান আহৰণৰ ক্ষেত্ৰত ভাষাৰ বাধাৰ পৰা মুক্ত কৰা। যদি আমি অসমীয়া ভাষাত চিকিৎসা বা আভিযান্ত্ৰিক পাঠ্যক্ৰমৰ গুণগত মান নিশ্চিত কৰিব পাৰো, তেন্তে নিশ্চিতভাৱে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ভাষাত শিক্ষা গ্ৰহণ কৰিবলৈ আগ্ৰহী হ'ব। ইয়াৰ লগতে, ৰাজ্য চৰকাৰে চৰকাৰী চাকৰি আৰু অন্যান্য নিয়োগৰ ক্ষেত্ৰত অসমীয়া মাধ্যমৰ পৰা উত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ বাবে বিশেষ সুবিধা বা অগ্ৰাধিকাৰৰ ব্যৱস্থা কৰিলেই এক ইতিবাচক বাতাবৰণ সৃষ্টি কৰিব পাৰে আৰু অভিভাৱকসকলৰ মনত বিশ্বাস ঘূৰাই আনিব পাৰে।

অসমীয়া মাধ্যমৰ শিক্ষাৰ ভৱিষ্যৎ বহু পৰিমাণে নিৰ্ভৰ কৰিছে আমি কেনেকৈ আধুনিক প্ৰযুক্তি আৰু ডিজিটেল মাধ্যমক নিজৰ ভাষাৰ সৈতে সংপৃক্ত কৰিব পাৰো তাৰ ওপৰত। একবিংশ শতিকাৰ এই যুগটো হৈছে ইন্টাৰনেট আৰু ডিজিটেল বিপ্লৱৰ যুগ। আজিৰ দিনত যিকোনো তথ্য, জ্ঞান বা মনোৰঞ্জনৰ সমল আঙুলিৰ মূৰত উপলব্ধ। কিন্তু পৰিতাপৰ বিষয় যে, ইন্টাৰনেটত উপলব্ধ বিশ্বজনীন জ্ঞান ভাণ্ডাৰৰ সৰহভাগেই ইংৰাজী ভাষাত। অসমীয়া ভাষাত ডিজিটেল সমলৰ বা 'ডিজিটেল কনটেণ্ট'-ৰ অভাৱ এটা ডাঙৰ অন্তৰায়। আমি যদি ভৱিষ্যত প্ৰজন্মক অসমীয়া ভাষাৰ প্ৰতি আকৰ্ষিত কৰিব বিচাৰো আৰু ভাষাটোক জীয়াই ৰাখিব বিচাৰো, তেন্তে আমি অসমীয়া ভাষাক ইন্টাৰনেটৰ ভাষা হিচাপে সবলভাৱে প্ৰতিষ্ঠা কৰিব লাগিব। ই-বুক, অডিঅ' বুক, শিক্ষামূলক ম'বাইল এপ্লিকেশ্যন, ৱিকিপিডিয়াৰ মানদণ্ড উন্নীতকৰণ আৰু ইউটিউব বা অন্যান্য মঞ্চত উচ্চমানৰ অসমীয়া শিক্ষামূলক পাঠদানৰ ব্যৱস্থা সুলভ হ'ব লাগিব। কৃত্ৰিম বুদ্ধিমত্তা বা আৰ্টিফিচিয়েল ইনটেলিজেন্সৰ দৰে প্ৰযুক্তি ব্যৱহাৰ কৰি আমি অনুবাদৰ কামবোৰ সহজ আৰু দ্ৰুত কৰিব পাৰো, যাৰ দ্বাৰা বিশ্বৰ যিকোনো শ্ৰেষ্ঠ গ্ৰন্থ বা গৱেষণা পত্ৰ নিমিষতে অসমীয়ালৈ ৰূপান্তৰিত কৰা সম্ভৱ হ'ব। যেতিয়া এজন নতুন প্ৰজন্মৰ ছাত্ৰই দেখিব যে তেওঁ নিজৰ ভাষাতেই গুগলত চাৰ্চ কৰি বিশ্বৰ যিকোনো জটিল বিষয়ৰ জ্ঞান আহৰণ কৰিব পাৰিছে, তেতিয়া তেওঁৰ মনত ভাষাৰ প্ৰতি শ্ৰদ্ধা আৰু আত্মবিশ্বাস বৃদ্ধি পাব। নতুন প্ৰজন্মক কেৱল পুৰণি সাহিত্যৰ গৰিমা আৰু শংকৰ-মাধৱৰ কথা কৈ আৱেগিক কৰিলেই নহ'ব, তেওঁলোকক হাতে-কামে দেখুৱাব লাগিব যে অসমীয়া ভাষা হৈছে এক শক্তিশালী আৰু আধুনিক ভাষা যি বৰ্তমানৰ ৰবটি', কোডিং বা মহাকাশ বিজ্ঞানৰ ধাৰণাবোৰো সুন্দৰভাৱে প্ৰকাশ কৰিবলৈ সক্ষম। এই মানসিক আৰু প্ৰযুক্তিগত পৰিৱৰ্তন অনাটো সময়ৰ দাবী আৰু ইয়াৰ বাবে চৰকাৰৰ লগতে বেচৰকাৰী সংস্থা, বিশ্ববিদ্যালয়সমূহ আৰু প্ৰযুক্তিবিদসকলৰ সহযোগিতা অপৰিহাৰ্য।

অসমৰ সমাজ ব্যৱস্থাত বৰ্তমান এটা মাৰাত্মক ভুল ধাৰণা শিপাই গৈছে যে ইংৰাজী মাধ্যমত পঢ়িলেহে শিশু স্মাৰ্ট হয়, সামাজিক প্ৰতিষ্ঠা লাভ কৰে আৰু তেওঁলোকৰ ভৱিষ্যত উজ্জ্বল হয়। এই ধাৰণাই আমাৰ সমাজক মানসিকভাৱে দুটা শ্ৰেণীত বিভক্ত কৰি পেলাইছে — এটা ইংৰাজী জনা তথাকথিত অভিজাত শ্ৰেণী আৰু আনটো দেশীয় ভাষাত কথা কোৱা বা পঢ়া সাধাৰণ শ্ৰেণী। এই শ্ৰেণী বিভাজনে সমাজত এক অস্বাস্থ্যকৰ পৰিৱেশ আৰু হীনমান্যতাৰ সৃষ্টি কৰিছে। প্ৰকৃততে শিক্ষাৰ উদ্দেশ্য হৈছে জ্ঞানৰ দিগন্ত প্ৰসাৰিত কৰা, নীতিনিষ্ঠ চৰিত্ৰ গঠন কৰা, মানৱীয় মূল্যবোধ জগাই তোলা আৰু এজন দায়িত্বশীল সুনাগৰিক হিচাপে গঢ়ি তোলা। ভাষা হৈছে কেৱল সেই জ্ঞান আহৰণৰ এটা বাহন বা মাধ্যম, ই নিজেই জ্ঞান নহয়। পৃথিৱীৰ বহুতো উন্নত দেশ যেনে জাপান, চীন, জাৰ্মানী, ফ্ৰান্স বা কোৰিয়াৰ উদাহৰণ চালে দেখা যায় যে তেওঁলোকে নিজৰ মাতৃভাষাতেই সৰ্বোচ্চ শিক্ষা গ্ৰহণ কৰে, বিজ্ঞান চৰ্চা কৰে আৰু বিশ্বৰ দৰবাৰত নিজকে শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰে। তেওঁলোকৰ বাবে ইংৰাজী কেৱল এটা যোগাযোগৰ ব্যৱহাৰিক ভাষা, জ্ঞান বা বুদ্ধিমত্তাৰ মাপকাঠি নহয়। আমাৰ অসমীয়া সমাজতো এই আত্মবিশ্বাস আৰু মানসিকতা গঢ়ি তোলাৰ সময় আহি পৰিছে। অভিভাৱকসকলে বুজি পোৱা উচিত যে নিজৰ সন্তানক বিশ্ব নাগৰিক হিচাপে গঢ়ি তুলিবলৈ হ'লে তেওঁলোকৰ সাংস্কৃতিক আৰু ভাষিক শিপাডাল প্ৰথমে মজবুত হ'ব লাগিব। আৰু সেই শিপা হৈছে মাতৃভাষা। মাতৃভাষাৰ ভেটি মজবুত হ'লেহে তাৰ ওপৰত অন্য ভাষা বা জ্ঞানৰ সুউচ্চ সৌধ নিৰ্মাণ কৰা সম্ভৱ হয়। যি শিশুৱে নিজৰ ভাষাত স্পষ্টকৈ চিন্তা কৰিব নাজানে, তেওঁৰ মৌলিক চিন্তাৰ বিকাশ কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। সেয়েহে, সমাজৰ বৌদ্ধিক মহল, সাহিত্যিক, সাংবাদিক আৰু সচেতন নাগৰিকসকলে এই বিষয়ত সবল জনমত গঠন কৰা আৰু অভিভাৱকসকলক সঠিক দিশ নিৰ্দেশনা দিয়াটো একান্তই প্ৰয়োজনীয়।

পৰিশেষত সামৰণি মাৰি ক'ব পাৰি যে শিক্ষাৰ মাধ্যম হিচাপে অসমীয়া ভাষাৰ ভৱিষ্যৎ একেবাৰে অন্ধকাৰাচ্ছন্ন নহয়, কিন্তু ই নিশ্চিতভাৱে কণ্টকময় আৰু প্ৰত্যাহ্বানপূৰ্ণ। এই প্ৰত্যাহ্বানবোৰক সুযোগলৈ ৰূপান্তৰ কৰাৰ গুৰু দায়িত্ব আমাৰ বৰ্তমান প্ৰজন্মৰ ওপৰত ন্যস্ত হৈছে। ই কেৱল চৰকাৰৰ দায়িত্ব নহয়, ই প্ৰতিজন অসমীয়াৰ দায়িত্ব। চৰকাৰৰ সদিচ্ছা, শিক্ষা বিভাগৰ সঠিক আৰু দূৰদৰ্শী পৰিকল্পনা, শিক্ষকসকলৰ নিষ্ঠা আৰু সমাজৰ সজাগতা — এই সকলোবোৰ শক্তি একত্ৰিত হ'লেহে আমি অসমীয়া মাধ্যমক পুনৰ গৌৰৱৰ আসনত প্ৰতিষ্ঠা কৰিব পাৰিম। আমি এনে এক শিক্ষা ব্যৱস্থাৰ সপোন দেখিব লাগিব য'ত অসমীয়া ভাষাৰ মাধ্যমত শিক্ষা গ্ৰহণ কৰি এজন ছাত্ৰই কেৱল অসমতে নহয়, বৰঞ্চ বিশ্বৰ যিকোনো প্ৰান্তত নিজৰ যোগ্যতা আৰু দক্ষতা প্ৰতিপন্ন কৰিব পাৰিব। ইয়াৰ বাবে আমাক লাগিব শিক্ষানুষ্ঠানৰ আধুনিকীকৰণ, পাঠ্যক্ৰমৰ মানদণ্ডৰ আমূল পৰিৱৰ্তন আৰু আমাৰ মানসিকতাৰ ইতিবাচক সংস্কাৰ। আমি মনত ৰখা উচিত যে ভাষা কেৱল সংৰক্ষণ কৰি যাদুঘৰত সজাই থোৱা বস্তু নহয়, ই এখন প্ৰৱহমান নদীৰ দৰে। সময়ৰ লগত খোজ মিলাই, আধুনিক প্ৰযুক্তি আৰু বিশ্বায়নৰ সোঁতক আকোৱালি লৈ যদি আমি আমাৰ ভাষাটোক নতুন জ্ঞান, বিজ্ঞান আৰু দৰ্শনেৰে সমৃদ্ধ কৰিব পাৰো, তেন্তে শিক্ষাৰ মাধ্যম হিচাপে অসমীয়া ভাষা চিৰকাললৈ জীয়াই থাকিব। আমাৰ লক্ষ্য হ'ব লাগে এনে এক প্ৰজন্ম গঢ়ি তোলা যি নিজৰ ভাষাক লৈ হীনমান্যতাত ভোগাৰ পৰিৱৰ্তে গৌৰৱ কৰে আৰু একে সময়তে বিশ্বৰ সৈতে সমানে খোজ মিলাই প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলৈও সক্ষম হয়। পৰম্পৰা আৰু আধুনিকতাৰ এই সুন্দৰ ভাৰসাম্য ৰক্ষা কৰাই হ'ব আমাৰ ভৱিষ্যতৰ শিক্ষা ব্যৱস্থাৰ মূল মন্ত্ৰ আৰু অসমীয়া ভাষাৰ উত্তৰণৰ একমাত্ৰ পথ।

*(তথ্যসূত্ৰ - কেবাখনো গ্ৰন্থ, একাধিক প্ৰবন্ধ আৰু ইন্টাৰনেটত উপলব্ধ বিভিন্ন লেখাৰ সহায় লোৱা হৈছে।)*

# মোবাইল ফোনৰ প্ৰতি আসক্তি

**পদ্ম মৰাণ**

বৰ্তমান আমাৰ দৈনন্দিন জীৱনৰ এটা গুৰুত্বপূৰ্ণ আহিলা হৈছে মোবাইল ফোন। মোবাইলে জনবিনোদনৰ লগতে জনশিক্ষা প্ৰদানৰ যোগেদি বৰ্তমান সমাজৰ প্ৰয়োজনীয় চাহিদা পূৰণ কৰিছে। মোবাইল ফোন অবিহনে বৰ্তমান বিশ্বব্ৰহ্মাণ্ডখন মূহৰ্তৰ ভিতৰতে স্থবিৰ হৈ পৰিব। বৰ্তমান আমি মোবাইলফোন অবিহনে এখোজো আগবাঢ়িব নোৱাৰোঁ। মোবাইল ফোনে সমাজৰ ধনী, মধ্যবিত্ত বা দুখীয়া সকলো শ্ৰেণীকে সামৰি লৈছে। অৰ্থাৎ ঘৰত খাবলৈ এমুঠি অন্ন নাথাকিলেও সেইখন ঘৰত মোবাইল ফোন দেখা যায়। ইয়াৰ পৰাই বুজিব পাৰি যে মোবাইল ফোনে আমাৰ দৈনন্দিন জীৱনত কেনেধৰণৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ইণ্টাৰনেটে আনি দিয়া ফে'চবুক, হোৱাটচেপ আদি আন আন আসক্তিবোৰেও মানুহক নিমজ্জিত কৰিছে এখন ৰূপকল্পৰ জগতত, যিখন জগতত মনোৰঞ্জনৰ প্ৰতি থকা মানুহৰ স্বাভাৱিক আসক্তি আৰু মানুহৰ হাতত থকা আজৰি সময় ব্যৱহৃত হৈছে ব্যৱসায়িক কাৰণত। ম'বাইলৰ প্ৰতি বৰ্দ্ধিত আসক্তিয়ে এতিয়া এনে ৰূপ লৈছেযে ম'বাইলৰ কাৰণেই সংঘটিত হৈছে চুৰি, ডকাইতি আনকি হত্যাৰ দৰে জঘন্য অপৰাধ। ম'বাইল আৰু ভিডিঅ' গেম এতিয়া বিশ্বত কেইবা লাখ কোটি টকীয়া ব্যৱসায় হৈ পৰিছে। মানুহক সাময়িক আনন্দ আৰু মনোৰঞ্জন দিবলৈ সৃষ্টি কৰা হৈছে নতুন নতুন গেমৰ। বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশৰ লগে লগে ম'বাইল গেমতো নতুন নতুন কাৰিকৰী সংযোজন ঘটিছে। ইণ্টাৰনেটৰ যোগেদি খেলুৱৈ সকলক সংযোজিত কৰি প্ৰতিযোগিতামূলক আৰু মাদকতাভৰা খেল তৈয়াৰ কৰা হৈছে। খেলুৱৈৰ বয়স, অভিজ্ঞতা আৰু অৱস্থান অনুসৰি খেলৰ প্ৰকৃতিও সলনি কৰা হয়। এনে খেলবোৰে কেৱল কিশোৰ কিশোৰীকে আকৃষ্ট কৰা নাই, সকলো বয়সৰ মানুহৰে ম'বাইল গেম খেলাটো আজৰি পৰৰ চখ হৈ পৰিছে। এতিয়া বিয়াই সবাহে প্ৰায় মানুহে আনৰ লগত কথা বতৰা পতাৰ সলনি নিজৰ নিজৰ ম'বাইল ফোনত ব্যস্ত হৈ থকাহে দেখা যায়। মহাভাৰতত আছেযে, পাশাখেলৰ নিচাত পৰি যুধিষ্ঠিৰে নিজৰ ৰাজ্য, সম্পত্তি, ভায়েক কেইজন আনকি পত্নী দ্ৰৌপদীকো হেৰুৱাবলগীয়া হৈছিল। সেইদৰেই আজিৰ সময়ত ম'বাইল আৰু ভিডিঅ' গেমৰ কবলত পৰি নৱ প্ৰজন্মই হেৰুৱাইছে তেওঁলোকৰ প্ৰতিভা, জ্ঞানস্পৃহা আৰু পৰিশ্ৰম কৰাৰ মানসিকতা। ইণ্টাৰনেটে আনি দিয়া ফে'চবুক, হোৱাটচেপ আদি আন আন আসক্তিবোৰেও মানুহক নিমজ্জিত কৰিছে এখন ৰূপকল্পৰ জগতত, যিখন জগতত মনোৰঞ্জনৰ প্ৰতি থকা মানুহৰ স্বাভাৱিক আসক্তি আৰু মানুহৰ হাতত থকা আজৰি সময় ব্যৱহৃত হৈছে ব্যৱসায়িক কাৰণত। ম'বাইলৰ প্ৰতি বৰ্দ্ধিত আসক্তিয়ে এতিয়া এনে ৰূপ লৈছেযে ম'বাইলৰ কাৰণেই সংঘটিত হৈছে চুৰি, ডকাইতি আনকি হত্যাৰ দৰে জঘন্য অপৰাধ।



অতিমাত্ৰা ভিডিঅ' গেম খেলাৰ ফলত মানসিক হেঁচা আৰু হতাশগ্ৰস্থতাৰ দৰে সমস্যাৰ সৃষ্টি হয়। মানসিক ৰোগৰ কাৰণো অত্যধিক ভিডিঅ' গেমৰ প্ৰতি আসক্তিও হ'ব পাৰে। যিকোনো নিচাসক্ত মানুহৰ দৰে গেমত আসক্ত সকলৰ আন সকলো বিষয়তে মনোযোগিতাৰ অভাৱ হয়। তেওঁলোকে নতুন কাম নিশিকি একেবোৰ কাম কৰি ভাল পায়। ভিডিঅ' গেমৰ কাল্পনিক জগতত প্ৰত্যাহ্বানবোৰ নেওচি লাভ কৰা বিজয়ী বা হিৰো হোৱাৰ মাদকতা বাস্তৱ জীৱনত বিচাৰি নোপোৱা বাবে ভিডিঅ' গেম খেলা বহুতো ল'ৰা-ছোৱালী মানসিকভাৱে অস্থিৰ হৈ পৰে। আজিৰ সময়ত ভিডিঅ' গেমত প্ৰৱেশ ঘটিছে ছিগাৰেট সেৱন, সুৰাপান, যৌনাচাৰ আদিৰ দৰে প্ৰাপ্তবয়স্ক লোকৰ উপাদানসমূহৰ, যিবোৰে কোমল বয়সতে ল'ৰা ছোৱালীক নিজে গম নোপোৱাকৈয়ে প্ৰাপ্ত বয়স্কৰ জগতখনৰ লগত চিনাকি কৰি দিয়ে।

সকলো বস্তুৰে ভাল আৰু বেয়া দুয়োটা দিশ থাকে। ম'বাইল বা ভিডিঅ' গেমৰো নিশ্চয় কিছুমান ইতিবাচক প্ৰভাৱ আছে। এই গেমসমূহে ল'ৰা ছোৱালীক প্ৰত্যাহ্বান গ্ৰহণ কৰি যুঁজাৰু মানসিকতাৰে বিজয়ী হোৱাৰ লক্ষ্যৰে আগবাঢ়িবলৈ শিকনি দিয়ে। কিছুমান মনোবৈজ্ঞানিকে এইবুলিও মতপোষণ কৰেযে ভিডিঅ' গেম খেলা ল'ৰা ছোৱালীৰ বাস্তৱ জীৱনত ক্ষিপ্ৰ সিদ্ধান্ত লোৱাৰ ক্ষমতা বিকশিত হয় আৰু তেওঁলোকৰ প্ৰতিক্ৰিয়া সমূহ খৰতকীয়া হয়। কিন্তু এই সুফলসমূহ লাভ কৰা তেতিয়াহে সম্ভৱ হয়, যেতিয়া ভিডিঅ' গেম নিচালৈ পৰিৱৰ্তিত নহয় আৰু নিৰ্দিষ্ট সময়সীমাৰ ভিতৰতে ভিডিঅ' গেম সীমিত ৰখা হয়। আনহাতে বিভিন্ন অধ্যয়নৰ যোগেদি জানিব পৰা গৈছেযে অধিক সময় ভিডিঅ' গেম খেলা ল'ৰা-ছোৱালীৰ টোপনি কম হয়, খোৱা-বোৱা কমি যায়, মানুহৰ লগত মিলা মিচা কৰিবলৈ মন নোযোৱা হয়। ভিডিঅ' গেমৰ নিচাত বুৰ যোৱা ল'ৰা-ছোৱালীয়ে ফুৰা চকাতো কোনো আনন্দ নাপায়। অৱসৰ বিনোদনৰ কাৰণে কোনো পৰ্যটন স্থানলৈ গ'লেও তাত তেওঁলোকে কোনো আগ্ৰহ নাপায়। ভিডিঅ' গেমৰ নিচাত ডুব গৈ থকাটোৱেই তেওঁলোকৰ একমাত্ৰ আনন্দৰ কাৰণ হৈ পৰে।

মোবাইল ফোনৰ অত্যধিক ব্যৱহাৰে মনোযোগৰ ক্ষমতা, টোপনিৰ অভ্যাস, মানসিক সুস্থতা, আৰু সামাজিক দক্ষতাৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাব পাৰে যদিও মোবাইল ফোন ব্যৱহাৰে যুৱক-যুৱতীসকলক শিক্ষণ আৰু সংযোগৰ বাবে মূল্যৱান সম্পদ আৰু সুযোগো লাভ কৰিব পাৰে। যুৱক-যুৱতীসকলে যাতে মোবাইল ফোনক এনেদৰে ব্যৱহাৰ কৰে যাতে তেওঁলোকৰ মংগলৰ প্ৰসাৰ ঘটে আৰু ভৱিষ্যতে তেওঁলোকক সফলতাৰ বাবে স্থাপন কৰে সেয়া আমাৰ সকলোৰে ওপৰত নিৰ্ভৰশীল।

# বিশ্বকাপ ক্ৰিকেট আৰু অসমৰ খেলুৱৈৰ ভৱিষ্যৎ

**কমলেশ কাঞ্চন**

বিশ্বৰ সকলো ক্ৰিকেট অনুৰাগী লোক সম্প্ৰতি ক্ৰিকেট জ্বৰত আক্ৰান্ত। ক্ৰিকেটৰ চমু সংস্কৰণ টি-২০ বিশ্বকাপ ভাৰত উপ মহাদেশ আৰু দ্বীপ ৰাষ্ট্ৰ শ্ৰীলংকাত চলিত মাহৰ ৭ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হৈছে। এইবাৰৰ বিশ্বকাপত মুঠ ২০খন দেশে অংশগ্ৰহণ কৰিছে। বাংলাদেশৰ দলটোৱে এইবাৰৰ প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ কৰিছে। বাংলাদেশৰ সমৰ্থনত প্ৰথমতে পাকিস্তান দলটোৱে বিশ্বকাপৰ মেচত ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ নোহোৱাৰ কথা কৈছিল যদিও শেষত আইচিচিৰ কঠোৰ সিদ্ধান্তৰ সন্মুখীন হোৱাৰ ভয়ত অৱতীৰ্ণ হোৱাৰ বাবে সন্মতি প্ৰদান কৰে। এইবাৰৰ টি-২০ বিশ্বকাপত ভাৰত, অষ্ট্ৰেলিয়া, দক্ষিণ আফ্ৰিকা, ইংলেণ্ড, নিউজিলেণ্ড আদি দল সমূহ তুলনামূলকভাৱে শক্তিশালী যদিও ভাৰতকে খিতাপৰ প্ৰবল দাবীদাৰ বুলি ইতিমধ্যে ক্ৰিকেট বিশেষজ্ঞ সকলে মন্তব্য আগবঢ়াইছে। ২০২৪ চনৰ টি-২০ বিশ্বকাপ বিজয়ী দলটোৱে এইবাৰ তাৰকা খেলুৱৈ বিৰাট কোহলি, ৰোহিত শৰ্মা আৰু ৰবীন্দ্ৰ জাডেজা অবিহনে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। ২০২৪ চনৰ টি- ২০ বিশ্বকাপৰ পিছতে এই খেলুৱৈ কেইজনে আন্তঃৰাষ্ট্ৰীয় টি-২০ সংস্কৰণৰ পৰা অৱসৰ গ্ৰহণ কৰে। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় ক্ৰিকেট দলটোত এতিয়াও তাৰকা খেলুৱৈৰ অভাৱ নাই। বহু ক্ৰিকেটাৰে এতিয়াও সুযোগৰ অপেক্ষাত ৰৈ আছে। আমাৰ অসমৰ ৰিয়ান পৰাগৰ কথা বহুবাৰ আলোচনা হৈছিল যদিও শেষ মুহূৰ্ত্তত ভাগ্য উদয় নহ'ল। অসমবাসীয়ে বহু আশাৰে ৰৈ আছিল যদিও আশা পূৰ্ণ নহ'ল! এতিয়া অসমৰ ক্ৰীড়া অনুৰাগীৰ এটাই প্ৰশ্ন ৰিয়ান পৰাগৰ দৰে আৰু আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ পাবলৈ চৰকাৰে কেতিয়া ব্যৱস্থা কৰিব? গাঁৱে-ভূঞে লুকাই থকা প্ৰতিভা সমূহক উলিয়াই অনাৰ দায়িত্ব চৰকাৰৰ নাইনে?

সাম্প্ৰতিক সময়ত বিশ্বৰ ক্ৰীড়া জগতত জনপ্ৰিয়তাৰ দিশৰে চাবলৈ গ'লে ফুটবলৰ পিছতে ক্ৰিকেটৰ নাম নিশ্চিতভাৱে ল'ব লাগিব। ভাৰতত ক্ৰিকেট খেলৰ জনপ্ৰিয়তাই অন্য খেলৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। অসমো ইয়াৰ ব্যতিক্ৰম নহয়। কিন্তু দুখৰ বিষয় অসমত ক্ৰিকেট যথেষ্ট জনপ্ৰিয় হোৱাৰ পিছতো অসমৰ ৰিয়ান পৰাগৰ বাহিৰে ভাৰতৰ পুৰুষ ক্ৰিকেট দলটোত এতিয়ালৈকে দ্বিতীয়জন খেলুৱৈয়ে খেলাৰ সুবিধা পোৱা নাই। ৰিয়ান পৰাগো এতিয়ালৈকে মাথোঁ ১০খন আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট মেচ খেলাৰ সুবিধা পাইছে। ৰিয়ান পৰাগৰ দৰে অসমে কিয় দ্বিতীয় এজন ক্ৰিকেট খেলুৱৈ সৃষ্টি কৰিব পৰা নাই? এই বিষয়ে নিশ্চয় চিন্তা কৰাৰ সময় উপস্থিত হৈছে। যিটো সময়ত মহাৰাষ্ট্ৰ আৰু পঞ্জাবৰ খেলুৱৈয়ে ভাৰতৰ ক্ৰিকেটত অংশ লোৱাৰ অধিক সুবিধা পাই আছে অসমৰ ক্ৰিকেটাৰে নাপাই কিয়? চৰকাৰৰ ক্ৰীড়া বিভাগত একো কৰিবলগীয়া নাই নেকি? এতিয়া অসমৰ জনগণে চৰকাৰৰ উত্তৰলৈ চাই আছে। অসমৰ মুখ্যমন্ত্ৰীয়ে ভাৰতৰ উন্নয়নৰ প্ৰথম ৫খন ৰাজ্যৰ ভিতৰত অসমো এখন হ'ব বুলি ক'লেই নহ'ব; ইয়াৰ শিক্ষা, স্বাস্থ্য, ক্ৰীড়া, সংস্কৃতি, আন্তঃ গাঁথনি আদি সকলো দিশ উন্নত হ'ব লাগিব। আমি সকলোৱে জানো যে অসম এখন বানপানী প্ৰৱণ ৰাজ্য। সেয়েহে ইয়াৰ বাতাবৰণ ১২ মাহে ক্ৰিকেট খেলৰ অনুশীলন কৰাৰ বাবে উপযোগী নহয়; সেইবুলি চৰকাৰে হাত সাবতি বহি থাকিলে হ'ব জানো? অনুশীলন কৰিবৰ বাবে উন্নত মানৰ ষ্টেডিয়াম তথা খেল পথাৰৰ ব্যৱস্থা কৰিবই লাগিব। তদুপৰি সঠিক পৰিকল্পনাৰে প্ৰতিভা সমূহক চিনাক্ত কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত বাছনি হোৱাৰ সুবিধা দিব লাগিব চৰকাৰে। অসমৰ যুৱ প্ৰজন্মই ৰাজ্যৰ এইফালে - সেইফালে ক্ৰিকেট খেলি ফুৰিছে যদিও উপযুক্ত সুবিধাৰ অভাৱত নিজ প্ৰতিভা ধ্বংস কৰিছে। "খেল মহাৰণ"ৰ দৰে ব্যৱস্থাই অসমৰ ক্ৰীড়া জগতত বিশেষ সফলতা লাভ কৰা নাই। তদুপৰি ক্ৰিকেটৰ দৰে জনপ্ৰিয় এবিধ খেল "খেল মহাৰণ"ত অন্তৰ্ভুক্ত নকৰাটো চৰকাৰৰ ভুল সিদ্ধান্ত। সময় থাকোঁতে চৰকাৰে অসমৰ ক্ৰীড়াৰ ক্ষেত্ৰত বিশেষ কৈ ক্ৰিকেট খেলৰ ক্ষেত্ৰত উদ্যোগ লোৱাৰ প্ৰয়োজন; অন্যথা বিশ্বত ডাঙৰ ডাঙৰ ক্ৰিকেট প্ৰতিযোগিতা হৈ থাকিব আৰু অসমীয়াই অন্য ৰাজ্যৰ খেলুৱৈক চায়ে সময় পাৰ কৰিব লাগিব।

ফোন ঃ ৭০০২৪২৩৭৯৯

আৰ টি আইৰ তথ্যত উন্মোচিত চৰকাৰী শিক্ষাখণ্ডৰ ফোঁপোলা ছবি

# তিনিচুকীয়াৰ ১৯২ গৰাকী আদিবাসী-চাহ জনগোষ্ঠীয় পৰীক্ষাৰ্থী অৱতীৰ্ণ নহ'ল ২০২৫ৰ মেট্ৰিক পৰীক্ষাত

## ২০২০-২১ৰ পৰা ২০২৪-২৫লৈ প্ৰথম-দ্বাদশ শ্ৰেণীৰ 'ড্ৰপ-আউট' ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১৪,৫২৩

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১৬ ফেব্ৰুৱাৰী ঃ** শেহতীয়াকৈ অসম চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ বাবে কেইবাখনো অভিলাষী আঁচনি প্ৰৱৰ্তন কৰিছে। ইয়াৰ ভিতৰত উচ্চশিক্ষাৰ বাবে ছাত্ৰক মাহে ১, ০০০-২, ০০০ টকাৰ 'মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনি', ছাত্ৰীৰ উচ্চ শিক্ষা আৰু বাল্য বিবাহ ৰোধৰ চৰকাৰী বিত্তীয় সহায়তাৰ 'নিযুত মইনা আঁচনি', নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক যাতায়তৰ সুবিধাৰ বাবে চাইকেল প্ৰদান/বিতৰণ, দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক ১, ৮০০ টকাৰ আৰ্থিক অনুদানেৰে প্ৰেৰণা আঁচনি আৰু দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ মাচুল ৰেহাই আঁচনি উল্লেখযোগ্য। পৰিতাপৰ কথা এয়ে যে ৰাজ্য চৰকাৰে বিভিন্ন অভিলাষী আঁচনি ৰূপায়ণ কৰাৰ পাছতো ৰাজ্যত আধাতে বিদ্যালয় ত্যাগ কৰা তথা 'ৰ সংখ্যা হ্ৰাস পোৱা নাই। চৰকাৰে বহুকেইখন গুৰুত্বপূৰ্ণ আঁচনি ৰূপায়ণ কৰাৰ পাছতো এই 'ড্ৰপ-আউট'ৰ হাৰ হ্ৰাস কৰিবলৈ সক্ষম হোৱা নাই, যি এক উদ্বেগৰ বিষয়। এই 'ড্ৰপ-আউট'-এ একপ্ৰকাৰ চিন্তাত পেলাইছে চৰকাৰকো। বহুমুখী তথা অভিলাষী আঁচনিয়েও এই 'ড্ৰপ-আউট' ৰোধ কৰিবলৈ সক্ষম নোহোৱাত অসম চৰকাৰে এই বিষয়ে অধ্যয়নৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশনাত বিগত বৰ্ষৰ ২৬ জুনত বিদ্যালয় শিক্ষা বিভাগৰ অতিৰিক্ত সচিব এ চি এছ কৃষ্ণ বৰুৱাক অধ্যক্ষ, এ চি এছ খনিন্দ্ৰ দাসক আহ্বায়ক, এ ই এছ টিটু গগৈ, এ ই এছ দীপিকা চৌধুৰী, পিয়ানু বৰুৱা, অপৰাজিতা চৌধুৰী, আৰু ইন্দ্ৰনাথ চেটাৰ্জীক সদস্য হিচাপে লৈ এক টীম গঠন কৰি দিয়ে। এইখিনিলৈকে সকলো ঠিকেই আছে। এইখিনিতে এগৰাকী আৰ টি কৰ্মীয়ে আৰ টি আইৰ যোগে লাভ কৰা এক উদ্বেগজনক তথ্য অৱতাৰণা কৰিব খুজিছোঁ। লখিমপুৰ নিৱাসী জনৈক আৰ টি আই কৰ্মীগৰাকীয়ে এক আৰ টি আই যোগে তিনিচুকীয়া জিলাত ২০২০-২১ শিক্ষাবৰ্ষৰ পৰা ২০২৪-২৫ শিক্ষাবৰ্ষলৈ প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে আদিবাসী আৰু চাহ জনগোষ্ঠীৰ 'ড্ৰপ-আউট' ছাত্ৰ-ছাত্ৰী আৰু ২০২৪-২৫ শিক্ষাবৰ্ষত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আদিবাসী আৰু চাহ জনগোষ্ঠীৰ 'ড্ৰপ-আউট' পৰীক্ষাৰ্থীৰ তথ্য বিচৰাত তিনিচুকীয়া জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকে উচ্চ শিক্ষা সঞ্চালক, অসমৰ ই.৬৫৬৩২২/৩ পত্ৰৰ আঁত ধৰি আই এছ/ টি ডি চি/ আৰ টি আই/ ২০২৩/৬৭৪/৬২০ নং পত্ৰযোগে আৰ টি আই এক্ট, ২০০৫ৰ অধীনত আৰ টি আই কৰ্মীগৰাকীক প্ৰদান কৰা তথ্য অনুসৰি, ২০২৪-২৫ শিক্ষাবৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত তিনিচুকীয়া জিলাৰ ১৯২ গৰাকী আদিবাসী আৰু চাহ জনগোষ্ঠীয় পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ নহল। আনহাতে, ২০২০-২১ শিক্ষাবৰ্ষৰ পৰা ২০২৪-২৫ শিক্ষাবৰ্ষলৈ পাঁচটা বছৰত প্ৰথম-দ্বাদশ শ্ৰেণীলৈকে জিলাখনৰ 'ড্ৰপ-আউট' ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১৪,৫২৩ গৰাকী। এই তালিকাত পঞ্চম শ্ৰেণীৰ ২, ৯০৫ গৰাকী ছাত্ৰ-ছাত্ৰীসহ 'ড্ৰপ-আউট'ৰ সংখ্যা সৰ্বাধিক। সৰ্বাধিক ৪, ৩৭৪ গৰাকী 'ড্ৰপ-আউট' ছাত্ৰ-ছাত্ৰীয়ে একপ্ৰকাৰ সৃষ্টি কৰিলে ২০২১-২২ শিক্ষাবৰ্ষত। সেইদৰে ২০২৩-২৪ শিক্ষাবৰ্ষত ৩, ৪৬১ গৰাকী, ২০২২-২৩ শিক্ষাবৰ্ষত ৩, ৪০৫ গৰাকী, ২০২০-২১ শিক্ষাবৰ্ষত ১, ৯৫২ গৰাকী আৰু ২০২৪-২৫ শিক্ষাবৰ্ষত ১, ৩৩১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে আধাতে বিদ্যালয় ত্যাগ কৰে। তালিকাত সদৰী কৰা তথ্য মতে, ২০২০-২১ শিক্ষাবৰ্ষৰ পৰা ২০২৪-২৫ শিক্ষাবৰ্ষলৈ প্ৰথম শ্ৰেণীত ৬১৪ গৰাকী, দ্বিতীয় শ্ৰেণীত ১, ৪৯৪ গৰাকী, তৃতীয় শ্ৰেণীত ১, ৬২৯ গৰাকী, চতুৰ্থ শ্ৰেণীত ১, ৬০৩ গৰাকী, ষষ্ঠ শ্ৰেণীত ২, ৩১৭ গৰাকী, সপ্তম শ্ৰেণীত ১, ৪২৭ গৰাকী, অষ্টম শ্ৰেণীত ১, ৩১০ গৰাকী, নৱম শ্ৰেণীত ৯৪১ গৰাকী আৰু দশম শ্ৰেণীত ২৫৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে 'ড্ৰপ-আউট'ৰ তালিকাত স্থান পাইছে। দেশৰ ৫খন শ্ৰেষ্ঠ ৰাজ্যৰ তালিকাত অসমক অন্তৰ্ভুক্ত কৰাৰ শ্লোগান দিয়া চৰকাৰে কিদৰে 'ড্ৰপ-আউট' ৰোধ কৰিবলৈ সক্ষম হয়, সেয়া লক্ষণীয় হব। মধ্যাহ্ন ভোজন, বিনামূলীয়া পাঠ্যপুথি আৰু ইউনিফৰ্ম যোগান ধৰা, আনন্দৰাম বৰুৱা বঁটা, বাণীকান্ত কাকতি মেধা বঁটা প্ৰদান, বিনামূলীয়াকৈ চাইকেল বিতৰণ কৰাৰ পাছতো ৰাজ্যৰ চৰকাৰী শিক্ষানুষ্ঠানত 'ড্ৰপ-আউট' ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পোৱাটো চৰকাৰৰ বাবে এক প্ৰত্যাহ্বান হৈ পৰিছে। যি সময়ত ৰাজ্যৰ চৰকাৰী খণ্ডৰ বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পোৱাৰ ফলত ৭ হাজাৰৰো অধিক শিক্ষানুষ্ঠান বন্ধ কৰি আন চৰকাৰী বিদ্যালয়ৰ লগত চামিল কৰিবলগীয়া হৈছে, তেনে সময়তে এগৰাকী আৰ টি আই কৰ্মীৰ আবেদনত বিগত প্ৰায় ৫বছৰত এখন জিলাৰ প্ৰায় ১৫ হাজাৰ আদিবাসী আৰু চাহ জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীয়ে আধাতে বিদ্যালয় এৰা বিষয়টোৱে এক বিশেষ ইংগিত বহন কৰা বুলিব পাৰি। বিগত বৰ্ষৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে চৰকাৰীভাৱে গুৱাহাটীত 'ঝুমইৰ বিনন্দিনী' নামৰ সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰি বিতৰ্ক সূচনা কৰাৰ সমান্তৰালকৈ চলিত বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ মাজতে অতি শেহতীয়াকৈ যোৱা ১২ ফেব্ৰুৱাৰীত এগৰাকী কেবিনেট মন্ত্ৰীৰ জ্ঞাতসাৰে চাহ নগৰী ডুমডুমাত অনুষ্ঠিত হৈ যোৱা "ৰাধিকা সুন্দৰী -২০২৬"ৰ দৰে ব্যয় বহুল সৌন্দৰ্য প্ৰতিযোগিতাই কি প্ৰভাৱ পেলাব সেয়া সহজে অনুমেয়। উল্লেখ্য যে, ২৪ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে মাহযোৱা প্ৰস্তুতিৰে গুৱাহাটীত 'বিশ্ব ৰেকৰ্ড'ৰ নামত আয়োজন কৰা 'ঝুমইৰ বিনন্দিনী' নামৰ অনুষ্ঠানটোৰ বাবেই সহস্ৰাধিক চাহ জনগোষ্ঠীয় আৰু আদিবাসী পৰীক্ষাৰ্থীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিলে বুলি উঠা অভিযোগক একপ্ৰকাৰ সত্য প্ৰমাণিত কৰিলে উক্ত আৰ টি আই প্ৰতিবেদনে। এয়া কেৱল এখন জিলাৰ তথ্য। একেদৰে চাহ জনগোষ্ঠীয় আৰু আদিবাসী লোক থকা অন্যান্য জিলাসমূহতো যে অনুৰূপ তথ্য উন্মোচিত সেয়া উলাই কৰিব নোৱাৰি। ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনক লৈ হেতালি খেলা পক্ষসমূহ কোন কোন সেয়া নকলেও অনুমেয় যদিও এইক্ষেত্ৰত সময় থাকোঁতেই যদি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাযায়, তেন্তে সমস্যা অধিক গভীৰ পৰা গভীৰতলৈ যোৱাটোৱেই স্বাভাৱিক।

ধৰ্মীয় শোভাযাত্ৰা উদ্বোধন কৰে বিধায়ক হেমাংগ ঠাকুৰীয়াই

# সামৰণি পৰিল কুলডুং ৰাইজ গয়ৰহৰ শ্ৰী শ্ৰীবুঢ়া গোঁসাইৰ বাৰ্ষিক হোম উৎসৱৰ মহাৰজত জয়ন্তী

## সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে হিমাংশু শেখৰ বৈশ্যই




**অসম বাৰ্তা, ছয়গাঁও, ১৬ ফেব্ৰুৱাৰী ঃ** সামৰণি পৰিল দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অনুসূচিত জাতিৰ অন্যতম আগশাৰীৰ গাঁও কুলডুং ৰাইজ গয়ৰহে আয়োজন কৰা মহাৰজত জয়ন্তীৰ। বছৰ বছৰ ধৰি উদযাপন কৰি অহা শ্ৰী শ্ৰী বুঢ়া গোঁসাইৰ বাৰ্ষিক হোম উৎসৱটিয়ে ৭৫ বছৰত ভৰি দিয়া উপলক্ষে যোৱা ১২ ফেব্ৰুৱাৰীৰ পৰা ১৪ ফেব্ৰুৱাৰীলৈ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাৰজত জয়ন্তী উদযাপন কৰিছিল। কালি অন্তিম দিনা নতুন চুলিকাটা আৰু ঝাৰপাৰা চৌতালী নামৰ দলৰ চৌতালী নাম পৰিবেশন কৰাৰ পিছতে সন্ধিয়া অসমীয়া গীতৰ আধাৰত একক আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। নিশা ৮ বজাত সাংস্কৃতিক মঞ্চ মুকলি কৰে অসম ফুটবল সন্থাৰ যুটীয়া সম্পাদক তথা বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য হিমাংশু শেখৰ বৈশ্যই। তেওঁ অনুসূচিত জাতিৰ অন্যতম গাঁও কুলডুঙৰ সুন্দৰ পৰিৱেশক প্ৰশংসা কৰাৰ লগতে গাঁওখনক ভৱিষ্যতে ঈশ্বৰে শক্তি দিলে পাৰ্য্যমানে সহায় কৰি যাব বুলি কয়। নিশা ৯ বজাৰ পৰা আমন্ত্ৰিত শিল্পী ক্ৰমে দেৱাগীৎজ, ভূমি কৌশিক, মিছ প্ৰিয়ংকা কলিতা, প্ৰতাপ হাজৰিকাৰ লগতে বহু কণ্ঠশিল্পীয়ে গীত পৰিৱেশন কৰি ৰাইজক মুগ্ধ কৰে। ঠিক সেইদৰে যোৱা ১২ ফেব্ৰুৱাৰীৰ পুৱা ৯ বজাত ধৰ্মধবজা উত্তোলন কৰে কুলডুং ৰাইজ গয়ৰহৰ সভাপতি ফুলেন কৈৱৰ্ত্তই। পুৱা ১০ বজাত ধৰ্মীয় শোভাযাত্ৰাৰ শুভ উদ্বোধন কৰে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই। দিনৰ ২-৩০ বজাত স্মৃতিগ্ৰন্থ উন্মোচন কৰে অসম সচিবালয়ৰ অৱসৰপ্ৰাপ্ত যুটীয়া সচিব শৰৎ হাজৰিকাই। আৱেলি ৩-৩০ বজাত অনুষ্ঠিত হোৱা ধৰ্মালোচনী সভাত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি দাস আৰু প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যাপক ড° জ্যোতি প্ৰসাদ দাসে আলোচক হিচাপে উপস্থিত থাকে। গধূলি ৫ বজাত নাগাৰা নাম পৰিবেশন কৰে নলবাৰীৰ পাৰ্থ প্ৰতীম দাসৰ লগতে নহিৰা গোপীনাথ নামৰীয়া দলে। ১৩ ফেব্ৰুৱাৰীৰ সন্ধিয়া দৰঙৰ মৰমী শইকীয়া আৰু কুকুৰমাৰাৰ সাগৰিকা দাসৰ নাম পৰিৱেশন হব। নিশা ১২ বজাত কুকুৰমাৰাৰ কল্পজ্যোতি নাট্য পৰিষদৰ যাত্ৰাভিনয় প্ৰদৰ্শন কৰা হ'ব।

জাতিটোক জীয়াই ৰাখিবলৈ হ'লে ভাষা, কবিতা, সাহিত্য আমি চৰ্চা কৰিবই লাগিব ঃ লীলাধৰ পাঠক

# বৰতলাৰ অচ্যুতানন্দ ডেকাৰ চাৰিখনকৈ গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, দৌলাশাল, ১৬ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বৰতলা গাঁৱৰ আদৰ্শবান শিক্ষক তথা হোমিঅ'পেথিক চিকিৎসক অচ্যুতানন্দ ডেকাৰ আজি চাৰিখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। ১৯৭৩ চনৰ ১০ অক্টোবৰত অসম চৰকাৰৰ পবিত্ৰ শিক্ষকতা বৃত্তিত যোগদান কৰা অচ্যুতানন্দ ডেকাই মানৱ সম্পদ সৃষ্টিত ব্ৰতী থাকিও সাহিত্য চৰ্চা কৰি আহিছিল। ২০১০ চনৰ ৩১ আগষ্টত বিদ্যায়তনিক ক্ষেত্ৰখনৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছতেই সাহিত্য সেৱাত অধিক মনোনিৱেশ কৰি আহিছিল ডেকাই। ৭৬ বছৰীয়া অচ্যুতানন্দ ডেকাই শেহতীয়াকৈ চাৰিখনকৈ ভিন্ন বিষয়ক গ্ৰন্থ লিখি আজি পঢুৱৈ সমাজৰ মাজত গ্ৰন্থ কেইখন মুকলি কৰি দিয়ে। অচ্যুতানন্দ ডেকাৰ বৰতলাস্থিত বাসগৃহত আজি বিয়লি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গ্ৰন্থকেইখন উন্মোচন কৰা হয়। কালদি গোপালথান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক তথা চিন্তাশীল লেখক নগেন দাসৰ সভাপতিত্বত অনুষ্ঠিতব্য গ্ৰন্থ উন্মোচনী সভাখনত অচ্যুতানন্দ ডেকাৰ আত্মজীৱনী "নিশকতীয়াৰ কাহিনী" উন্মোচন কৰে চেঙাস্থিত মধ্য কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° হৰেন্দ্ৰ নাথ তালুকদাৰে। ইয়াৰ উপৰি প্ৰবন্ধ সংকলন "বাখৰ" উন্মোচন কৰে অসম চৰকাৰৰ পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক বশিষ্ঠ দাসে। আনহাতে কবিতা পুথি "জীৱন তৃষ্ণা" উন্মোচন কৰে বিৰিণা গোষ্ঠী অসমৰ প্ৰতিষ্ঠাপক সভাপতি লীলাধৰ পাঠকে আৰু জানিবলগীয়া "সানমিহলি" উন্মোচন কৰে ঘৰুৱাবাহা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লক্ষেশ্বৰ বড়োই। সাংবাদিক জয়ন্ত ডেকাই আঁত ধৰা উন্মোচনী সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে গ্ৰন্থকাৰৰ সহধৰ্মিনী প্ৰতিভা ডেকাই। ইয়াৰ পাছতে আদৰণি ভাষণ আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাংবাদিক জয়ন্ত ডেকাই। ইয়াৰ ঘোষা পৰিৱেশন কৰে অচ্যুতানন্দ ডেকাই। আত্মজীৱনী "নিশকতীয়াৰ কাহিনী" উন্মোচন কৰি ড° হৰেন্দ্ৰ নাথ তালুকদাৰে ভাষণ প্ৰসংগত "চাৰিখনকৈ গ্ৰন্থ একেলগে পাঠক সমাজৰ মাজত মুকলি কৰি দিয়াটো মুঠেও সহজ নহয়" বুলি মন্তব্য কৰে। প্ৰবন্ধ সংকলন "বাখৰ" উন্মোচন কৰি বশিষ্ঠ দাসে ভাষণ প্ৰসংগত "গ্ৰন্থকাৰে জীৱনৰ বিয়লি বেলাৰ হাবিয়াসক প্ৰশংসা কৰি কয় যে- গ্ৰন্থ প্ৰকাশ কৰি উলিওৱা মানে সমাজক কিবা এটা দি থৈ যোৱা। ই এক মহৎ চিন্তা। কবিতা পুথি "জীৱন তৃষ্ণা" উন্মোচন কৰি লীলাধৰ পাঠকে কয় যে লেখক তথা কবি অচ্যুতানন্দ ডেকাই চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰি চাৰিখনকৈ গ্ৰন্থ একেলগে প্ৰকাশ কৰি উন্মোচন কৰা কাৰ্য মানুহে কৰিব পৰা কামবোৰৰ ভিতৰত এটা উৎকৃষ্ট কাম। যিটো তেওঁ কৰি দেখুৱালে। কবিসকল অতীত, ভৱিষ্যত আৰু বৰ্তমানৰ প্ৰতি সদা জাগ্ৰত বুলি ভাষণ প্ৰসংগত মন্তব্য কৰি কবিতা পুথিখনৰ জৰিয়তেই পঢুৱৈ সমাজে মাগদৰ্শন পাব বুলি তেওঁ মন্তব্য কৰে। কবিতা পুথিখন প্ৰকাশ কৰি কবিয়ে "প্ৰেম, প্ৰজ্ঞা আৰু প্ৰতিশ্ৰুতিক একত্ৰিত কৰিছে। চাৰিখনকৈ পুথি উন্মোচন কৰি বৰক্ষেত্ৰী অঞ্চলটোৰ সাহিত্য ক্ষেত্ৰখনত এক আয়তন দান কৰিছে বুলিও মন্তব্য কৰে লীলাধৰ পাঠকে। গ্ৰন্থ কেইখনত মানুহৰ অন্তৰ্জীৱনৰ যাত্ৰা প্ৰতিফলিত হৈছে বুলি কৈ লীলাধৰ পাঠকে পুনৰ কয় যে ভাষা অবিহনে গতি নাই। জাতিটোক জীয়াই ৰাখিবলৈ হ'লে ভাষা চৰ্চা কৰিব লাগিব, কবিতা, সাহিত্য আদি আমি চৰ্চা কৰিবই লাগিব বুলি মন্তব্য কৰে লীলাধৰ পাঠকে। জানিবলগীয়া "সানমিহলি" উন্মোচন কৰি লক্ষেশ্বৰ বড়োই ভাষণ প্ৰসংগত গ্ৰন্থকাৰৰ মনৰ শক্তি প্ৰকাশ কৰি উলিয়াইছে বুলি মন্তব্য কৰে। উন্মোচনী সভাত গ্ৰন্থকাৰ অচ্যুতানন্দ ডেকাই মনৰ অনুভৱ ব্যক্ত কৰে। উন্মোচনী সভাত সমজুৱাৰ হ'কে সাংবাদিক ৰাজেন ডেকাই বক্তব্য ৰাখে। জীৱনৰ বিয়লি বেলাতো অচ্যুতানন্দ ডেকাই ভাষা-সাহিত্যৰ অধিক চৰ্চা কৰি ভাষাটোৰ প্ৰতি থকা নিজৰ দায়বদ্ধতাৰ পৰিচয় দাঙি ধৰাত সভাত উপস্থিত থকা ব্যক্তিসকলে গ্ৰন্থকাৰক প্ৰশংসা কৰে। ভাষা-সাহিত্যৰ ভঁড়াললৈ অৱদান আগবঢ়োৱা অচ্যুতানন্দ ডেকাই ইয়াৰ পূৰ্বেও "ক্ষুদ্ৰ মেটেৰিয়া মেডিকা" শীৰ্ষক হোমিঅপেথিক চিকিৎসাৰ ওপৰত গ্ৰন্থ এখন প্ৰকাশ কৰি উলিয়ায়। সভাত গ্ৰন্থকাৰৰ নাতিনী অভিলোষা বৰুৱাই নৃত্য পৰিৱেশন কৰে অনুষ্ঠানটো জীপাল কৰি তোলে। সভা সঞ্চালক নগেন দাসে সভাপতিৰ ভাষণ প্ৰসংগত "প্ৰতিগৰাকী কবি একো একোগৰাকী দাৰ্শনিক আৰু চিন্তানায়ক" বুলি মন্তব্য কৰে। সভাত সুৰজিত পাঠকে কবিতা পাঠ কৰে। গ্ৰন্থ উন্মোচনী সভাখন সামগ্ৰিকভাৱে পৰিচালনা কৰে ৰমেন ডেকা, জয়শ্ৰী ডেকা, প্ৰিতী ডেকা, জয়শ্ৰী ডেকা বৰুৱা, অংশুমান ডেকা, তন্ময় ডেকা, হৃষিকা ডেকাই। সভাত শলাগৰ শৰাই আগবঢ়ায় গ্ৰন্থকাৰৰ বোৱাৰী জয়শ্ৰী ডেকাই। অসম সংগীত পৰিৱেশন কৰাৰ পাছতেই সভা সামৰণি পৰে।

# শিৱৰাত্ৰি উপলক্ষে সৰুপথাৰৰ চুকীয়াপথাৰ শিৱ মন্দিৰত লোকে-লোকাৰণ্য



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১৬ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে সৰুপথাৰ সমজিলাৰ গৌৰৱময় ঐতিহ্যবহুল চুকীয়াপথাৰ শিৱ মন্দিৰতো অতি উলহ-মালহেৰে দুদিনীয়াকৈ মহা শিৱৰাত্ৰিৰ আয়োজন কৰিছে। দেওবাৰে মন্দিৰৰ চৌহদত পুৱাৰ ভাগৰ পৰাই হাজাৰ হাজাৰ ভক্তই শিৱ পূজা কৰাৰ উপলক্ষে দীঘলীয়া শাৰী পাতে। ভক্ত সকলে নিজৰ নিজৰ মনোকামনা আগত ৰাখি শিৱ বাবাৰ চৰণত শৰাই সঁফুৰা আগবঢ়োৱাৰ লগতে ধুপ চাকি জ্বলাই পূজা অৰ্চনা কৰে। লোকবিশ্বাস মতে শতবৰ্ষ গৰকা তথা কছাৰী ৰজাৰ দিনতে প্ৰতিষ্ঠা হোৱা এই জাগ্ৰত শিৱ মন্দিৰভাগত ভক্ত সকলে শুদ্ধমনেৰে যি মনোকামনা কৰে তাকেই পুৰণ হয়। সেইবাবেই মন্দিৰ ভাগত শিৱৰাত্ৰীৰ দিনা হাজাৰ হাজাৰ ভক্তৰ সমাগম হয়। আনহাতে মন্দিৰটোৰ সন্মুখভাগত এক বৃহৎ বাণিজ্য মেলাও অনুষ্ঠিত হয়। এই বাণিজ্য মেলাৰ জৰিয়তে স্থানীয় লোকসকলেও বিভিন্ন বিপণী খুলি থলুৱা সামগ্ৰী, খাদ্য বস্তু, জনজাতীয় সাজপাৰকে ধৰি বিভিন্ন সামগ্ৰী বিক্ৰী কৰি এক মোটা অংকৰ ধন উপাৰ্জন কৰিবলৈ সক্ষম হয়। ইতিমধ্যে চুকীয়া পথাৰ শিৱ মন্দিৰ ভাগৰ নৱ গৃহটিৰ নিৰ্মাণ কাৰ্য প্ৰায় ৮০ শতাংশ সম্পন্ন হৈছে। মন্দিৰটোলৈ অহা ভক্ত সকলৰ মাজৰে বহু সংখ্যক ভক্তই মন্দিৰটোৰ নিৰ্মাণ কাৰ্য সম্পুৰ্ণ কৰিবলৈ মন্দিৰ পৰিচালনা সমিতিৰ হাতত আৰ্থিক সাহায্য আগবঢ়াইছে বুলি জানিব পৰা গৈছে। মন্দিৰ পৰিচালনা সমিতি আৰু শিৱৰাত্ৰী উদযাপন সমিতিৰ লোকসকলে সকলো ভক্তপ্ৰাণ ৰাইজৰ আশা আকাংক্ষা পুৰণ হবলৈ শিৱ বাবাৰ চৰণত প্ৰাৰ্থনা জনাইছে।


# আমগুৰিত ভূপেন হাজৰিকা জন্মজয়ন্তী উপলক্ষে গ্ৰন্থমেলা আয়োজন

**অসম বাৰ্তা, আমগুৰি, ১৬ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গনৰ অস্থায়ী চাল ঘৰত আজি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ উপলক্ষে আমগুৰিত গ্ৰন্থ মেলা আয়োজন কৰাৰ সন্দৰ্ভত এখনি সভা অনুষ্ঠিত হয়। সভাৰ সভাপতিত্ব কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি তথা চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নবনীতা গগৈয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক কৃপাল ভূঞাই। আজিৰ সভাই আমগুৰিত পোন প্ৰথমবাৰৰ বাবে গ্ৰন্থ মেলা আয়োজনৰ পোষকতা কৰে। চলিত বৰ্ষৰ ২ চেপ্তেম্বৰ তাৰিখৰ পৰা ৮ চেপ্তেম্বৰ তাৰিখলৈ এই গ্ৰন্থমেলা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত গ্ৰন্থ মেলাৰ দিনকেইটাতে ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা, তেখেতৰ গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা, কবিতা আবৃত্তি প্ৰতিযোগিতা, আলোচনা চক্ৰ, ৰচনা প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা আৰু নানা সাংস্কৃতিক কাৰ্যসূচী পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত অৱসৰপ্ৰাপ্ত বেংক বিষয়া মুকুট শইকীয়াক উপদেষ্টা আৰু আমগুৰি শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা ৰাজ্যিক সদস্য বাবুল কুমাৰ বৰুৱাক গ্ৰন্থ মেলা উপশমিতিৰ মুখ্য আহ্বায়ক, আহ্বায়ক অনিল হাজৰিকা, ডাক্তৰ ৰুবুল চন্দ্ৰ বৰুৱা, কিৰণ শৰ্মা, মিনু দত্ত বৰা, ৰাতুল মহন্ত আৰু সাংস্কৃতিক বিভাগৰ বাবে সাংস্কৃতিক কৰ্মী পঙ্কজ ভট্টাচাৰ্য্যক উপসমিতিৰ মুখ্য আহ্বায়ক আৰু আহ্বায়ক ৰিমি কলিতা, হিৰণ্য দুৱৰা, পৰিণিতা নেওগ আহ্বায়ক হিচাপে দুখন উপশমিতি গঠন কৰে। যিহেতু আমগুৰিত পোন প্ৰথমবাৰৰ বাবে গ্ৰন্থমেলা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে, সেয়ে উপসমিতি গঠন কৰা সন্দৰ্ভত পুনৰ এক বহল আলোচনা কৰাৰ আজিৰ সভাই পোষকতা কৰে।

### ভীমপৰা মহলৰ পৰাও চলিছে অবৈধ সৰবৰাহ

# অবৈধভাৱে শিল কঢ়িওৱা দুখন ডাম্পাৰ জব্দ বন বিভাগৰ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১৬ ফেব্ৰুৱাৰী ঃ** লখিমপুৰ জিলাৰ চাউলধোৱাৰ সোৱণশিৰি নদীৰ ভীমপৰা মহলৰ পৰা প্ৰতিদিনে চালানবিহীন ভাৱে সামগ্ৰী সৰবৰাহ হৈ আহিছে যদিও বন বিভাগে অভিযান চলাবলৈ সাহস কৰিব পৰা নাই। কিন্তু ভীমপৰা মহলত চলা অবৈধ কাৰ্যক নাকী লগোৱাৰ পৰিৱৰ্তে লখিমপুৰ জিলাৰ পথালিপাম বনখণ্ডৰ অন্তৰ্গত থেকেৰাগুৰিৰ সমীপত আজি দিনৰ ভাগত অবৈধ ভাৱে শিল কঢ়িয়াই অনা দুখন ডাম্পাৰ জব্দ কৰে বনকৰ্মীৰ দলে। গোগামুখৰ দিশৰ পৰা বগীনদী দিশে আহি আছিল চালানবিহীন ভাৱে শিল কঢ়িয়াই অনা ডাম্পাৰ দুখন। বন বিভাগে চলোৱা অভিযানত অবৈধভাৱে শিল কঢ়িয়াই অনা




এ এছ ০৭ চি ৯৩৫৫ নম্বৰৰ আৰু এ এছ ২২ চি ৬৫০৬ নম্বৰৰ দুখন ডাম্পাৰ জব্দ কৰি পথালিপাম বনখণ্ডৰ কাৰ্যালয়ত ৰাখি থোৱা থৈছে। উল্লেখযোগ্য যে লখিমপুৰৰ বৃহত্তৰ বগীনদীৰ বিভিন্ন প্ৰান্তত দীৰ্ঘ দিনৰ পৰা ডাম্পাৰ আৰু টে"ৰ সমূহত অবৈধভাৱে শিল বালি কঢ়িয়াই আহিছে। তাৰ উত্তম উদাহৰণ হৈছে ভীমপৰা মহল। ফলত বৃহৎ পৰিমাণৰ ৰাজহ হেৰুৱাইছে অসম চৰকাৰে। কিন্তু বন বিভাগে মাত্ৰ পাল মৰা অভিযানেৰে ৰহস্যজনকভাৱে দায়িত্ব সামৰিব বিচাৰিছে।

# সৰ্বভাৰতীয় প্ৰবীণ ক্ৰীড়া প্ৰতিযোগিতাত লখিমপুৰ দলৰ ১৪টা পদক

**অসম বাৰ্তা, লীলাবাৰী, ১৬ ফেব্ৰুৱাৰী ঃ** কেৰালাৰ তিৰুৱনন্তপুৰম ষ্টেডিয়ামত অনুষ্ঠিত ৪৬ সংখ্যক সৰ্বভাৰতীয় প্ৰবীণ ক্ৰীড়া প্ৰতিযোগিতাত মুঠ ১৪টা পদক লাভ কৰি লখিমপুৰ জিলা দলটোৱে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ২৮ জানুৱাৰীৰ পৰা ১ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত প্ৰতিযোগিতাখনত ৭ জনীয়া দলটোৱে অসম ৰাজ্যক প্ৰতিনিধিত্ব কৰি চাৰিটা স্বৰ্ণ, ছয়টা ৰূপ আৰু চাৰিটা ব্ৰঞ্জৰ পদক লাভ কৰে। ৬৫ বছৰ উৰ্দ্ধৰ পাঁচ কিলোমিটাৰ খোজকঢ়া প্ৰতিযোগিতাত ফণীধৰ শইকীয়াই প্ৰথম; ৮০ বছৰ উৰ্দ্ধত সুৰেশ কুমাৰ গগৈয়ে পাঁচ কিলোমিটাৰ খোজকঢ়াত দ্বিতীয়, আঠশ আৰু পোন্ধৰশ মিটাৰ দৌৰত তৃতীয় স্থান; চল্লিশ বছৰ উৰ্দ্ধৰ কুঞ্জ দত্তই পাঁচ কিলোমিটাৰ দৌৰত দ্বিতীয় আৰু ২০০০ মিটাৰ ষ্টিপ'ল ছিজত প্ৰথম; ৬০ বছৰ উৰ্দ্ধৰ ৰঞ্জনা বৰাই পাঁচ কিলোমিটাৰ দৌৰত প্ৰথম, পোন্ধৰশ মিটাৰ দৌৰত তৃতীয়, ২০০০ মিটাৰ ষ্টিপ'ল ছিজত দ্বিতীয় আৰু ৪৪০০ মিটাৰ ৰিলে ৰেচত তৃতীয়; ৬০ বছৰ উৰ্দ্ধৰ অৰুণা নাথে পোন্ধৰশ মিটাৰ দৌৰত দ্বিতীয়, ২০০০ মিটাৰ ষ্টিপ'ল ছিজত প্ৰথম আৰু ট্ৰিপ'ল জাম্পত প্ৰথম; ৩৫ বছৰ উৰ্দ্ধৰ ডলী গোস্বামীয়ে ৪৪০০ মিটাৰ ৰিলে ৰেচত দ্বিতীয় স্থান পাই পদক অৰ্জন কৰে। খেলুৱৈসকলক লখিমপুৰ জিলা প্ৰবীণ ক্ৰীড়া সন্থাই শুভেচ্ছা জনোৱাৰ লগতে লখিমপুৰবাসীয়ে অভিনন্দন জনাইছে।

# ডুমডুমাত প্ৰবীণ বিজ্ঞান কৰ্মীক সম্বৰ্ধনা জনালে অসম বিজ্ঞান সমিতিয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৬ ফেব্ৰুৱাৰী ঃ** যোৱা ১৩ ফেব্ৰুৱাৰীত অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে তথা কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে সমিতিৰ ডুমডুমা শাখাই শাখাৰ অন্তৰ্গত ৭৫ বছৰ বয়সৰ উৰ্দ্ধৰ তিনি গৰাকী সভ্য ক্ৰমে, সম্পাদক ধীৰেন্দ্ৰ নাথ ডেকা, কোষাধ্যক্ষ অৰ্জুন চন্দ্ৰ বৰুৱা আৰু প্ৰাক্তন সভাপতি মহিম চন্দ্ৰ ডেকাক তেওঁলোকৰ ঘৰে ঘৰে গৈ কেন্দ্ৰীয় সমিতিৰ তৰফৰপৰা সম্বৰ্ধনা জনায়। অৱশ্যে মহিম চন্দ্ৰ ডেকা বৰ্তমান



গুৱাহাটীত থকাৰ বাবে তেখেতৰ হৈ তেখেতৰ সম্পৰ্কীয় ব্যক্তি অৰ্জুন চন্দ্ৰ বৰুৱাই উক্ত সম্বৰ্ধনা গ্ৰহণ কৰে। অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখাৰ সভানেত্ৰী ড° মীনা দেৱী বৰুৱা, যুটীয়া সম্পাদক উৎপল পূজাৰী আৰু কাৰ্যনিৰ্বাহক সদস্যাদ্বয় দীপালী শইকীয়া আৰু আৰতি চৰকাৰ সোণোৱালৰ দ্বাৰা গঠিত শাখাৰ এটি প্ৰতিনিধি দলে উক্ত ব্যক্তিকেইগৰাকীৰ ঘৰে ঘৰে গৈ সম্বৰ্ধনা জনায়।

# গোসাঁইগাঁৱত আমছু'ৰ নৱ নিৰ্বাচিত সভাপতি ইমতিয়াজ হুছেইনক সম্বৰ্ধনা

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৬ ফেব্ৰুৱাৰী ঃ** গোসাঁইগাঁও প্ৰেছ ক্লাবত আজি আমছু'ৰ পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ উদ্যোগত সংগঠনটোৰ নৱ নিৰ্বাচিত কেন্দ্ৰীয় সভাপতি ইমতিয়াজ হুছেইনক এক গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত সভাপতি গৰাকীক অসমীয়া পৰম্পৰাগত ফুলৰ গামোচা আৰু জাপিৰে উষ্ম অভিনন্দন জনোৱা হয়। সভাত কেন্দ্ৰীয় সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক মাজাৰুল ইছলাম, সাংগঠনিক সম্পাদক জাকিৰ হুছেইন, পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ সভাপতি ৰেজোৱান আলী, সাধাৰণ সম্পাদক মুস্তাফিজুৰ ৰহমানৰ লগতে জিলা সমিতিৰ অন্তৰ্গত বিভিন্ন আঞ্চলিক সমিতিৰ সভাপতি-সম্পাদক আৰু বহুতো বিষয়ববীয়া উপস্থিত থাকে। সম্বৰ্ধনা গ্ৰহণ কৰি নিজৰ ভাষণত সভাপতি ইমতিয়াজ হুছেইনে কয় যে এছ আৰ (SR) প্ৰক্ৰিয়াৰ জৰিয়তে যদি কোনো চৰকাৰী বিষয়া বা ৰাজনৈতিক নেতা বৈধ নাগৰিকক কৰ্তন কৰি নিৰ্বাচনত জয়লাভ কৰি শাসনত অধিষ্ঠিত হ'ব বিচাৰে, তেন্তে তাৰ বিৰুদ্ধে আমছুৱে কঠোৰভাৱে প্ৰতিবাদ কৰিব। তেওঁ স্পষ্টভাৱে উল্লেখ কৰে যে সংবিধানসন্মত অধিকাৰ সুৰক্ষিত ৰখা আৰু সংখ্যালঘু জনগোষ্ঠীৰ ন্যায়সংগত দাবী-দাবাণীৰ ক্ষেত্ৰত সংগঠন সদায় সজাগ, সচেতন আৰু সক্ৰিয় হৈ থাকিব। অনুষ্ঠানত উপস্থিত আন বক্তাসকলেও নৱ নিৰ্বাচিত সভাপতিগৰাকীক অভিনন্দন জ্ঞাপন কৰি সংগঠনটোক অধিক সুসংগঠিত আৰু শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত ঐক্যবদ্ধভাৱে কাম কৰাৰ অঙ্গীকাৰ ব্যক্ত কৰে। সমগ্ৰ অনুষ্ঠানটো সৌহাৰ্দ্য আৰু উদ্দীপনামূলক পৰিৱেশত সমাপ্ত হয়।

## জুবিন গাৰ্গক অসমতে হত্যাৰ ষড়যন্ত্ৰ ৰচনাৰ

গোচৰত নতুন অধ্যায় যোগ হৈছে। কামৰূপ মহানগৰ জিলা আৰু সত্ৰ আদালতত সোমবাৰে অনুষ্ঠিত গুৰুত্বপূৰ্ণ শুনানিত অভিযুক্ত তিনিজনৰ পৃথক আবেদনৰ ওপৰত বিস্তৃত যুক্তি-বিতৰ্ক হৈছে। আদালতে এই আবেদনসমূহৰ ওপৰত ৰায় প্ৰদানৰ বাবে অহা ২ মাৰ্চৰ দিন ধাৰ্য কৰিছে। জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে শুনানিৰ পিছত মিডিয়াক জনোৱা মতে, পাঁচ মাহ পাৰ হৈ গ'ল যদিও ন্যায় প্ৰক্ৰিয়া অতি লেহেমীয়া গতিত চলি আছে। তেওঁ হতাশা প্ৰকাশ কৰি কয়, "অভিযুক্তসকলৰ অধিবক্তাসকলে কি মনোবৃত্তি লৈ কাম কৰি আছে নাজানো। তেওঁলোকৰ কু-অভিপ্ৰায় থকা যেন লাগে। অসমতে হত্যাৰ ষড়যন্ত্ৰ ৰচা হৈছিল। গতিকে বিচাৰ প্ৰক্ৰিয়াও সেই অনুসৰি দ্ৰুত হ'ব লাগে। পাঁচ মাহ হৈ গ'ল, এনেকৈ আৰু কিমান দিন? আমি বিচাৰোঁ যে ক্ষিপ্ৰতাৰে ন্যায় প্ৰদান হওক।" আদালতত অসম চৰকাৰৰ পক্ষত বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে অভিযুক্তসকলৰ আবেদনৰ বিপক্ষে শক্তিশালী যুক্তি দাঙি ধৰে। তেওঁ জোৰ দি কয় যে, জুবিন গাৰ্গৰ বিৰুদ্ধে হত্যাৰ পৰিকল্পনা অসমতে ৰচনা কৰা হৈছিল আৰু ছিংগাপুৰত সেই ষড়যন্ত্ৰ কাৰ্যকৰী কৰা হৈছে। মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ ফ্লেট সন্দৰ্ভত চৰকাৰী অধিবক্তাই গুৰুতৰ প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয় যে, সিদ্ধাৰ্থ শৰ্মাই ২০ বছৰৰ ঋণ লৈ ফ্লেট ক্ৰয় কৰিছিল যদিও মাত্ৰ ছয় বছৰৰ ভিতৰতে সম্পূৰ্ণ ঋণ পৰিশোধ কৰিছে। মাহিলি মাত্ৰ ৫০ হাজাৰ টকা দৰমহা পোৱা এজন ব্যক্তিয়ে এনে ডাঙৰ ঋণ কেনেকৈ সোনকালে শোধ কৰিলে, সেইটোৱে সন্দেহৰ সৃষ্টি কৰিছে। শুনানিৰ সময়ত অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰজ্যোতি গোস্বামীৰ পক্ষৰ পৰা দাখিল কৰা পৃথক আবেদনসমূহৰ ওপৰত যুক্তি-বিতৰ্ক হয়। সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তাৰ অসুবিধাৰ বাবে শুনানি পুৱা ১০: ৩০ বজাৰ পৰিবৰ্তে ১২: ৩০ বজাত আৰম্ভ হয়। আদালতে ছফট কপি প্ৰদানৰ নিৰ্দেশ দিয়ে আৰু ছিংগাপুৰৰ কৰ'নাৰ্ছ আদালতৰ প্ৰতিবেদন সন্দৰ্ভতো যুক্তি শুনা হয়। এই গোচৰত অভিযুক্তসকলৰ আবেদনসমূহে নিয়মীয়া বিচাৰ প্ৰক্ৰিয়াক বিলম্বিত কৰি ৰাখিছে বুলি লোক অধিবক্তাই অভিযোগ কৰে। পৰিয়াল আৰু সমৰ্থকসকলে বাৰে বাৰে ফাষ্টট্ৰেক আদালত গঠনৰ দাবী জনাই আহিছে যাতে ন্যায় দ্ৰুততাৰে প্ৰদান কৰিব পৰা যায়। জুবিন গাৰ্গৰ মৃত্যুৰ পিছত ৰাজ্য চৰকাৰে বিশেষ তদন্তকাৰী দল (SIT) গঠন কৰি তদন্ত আৰম্ভ কৰিছিল আৰু এইটোক হত্যাৰ গোচৰ বুলি ঘোষণা কৰিছে। অহা ২ মাৰ্চত আদালতে অভিযুক্তসকলৰ আবেদনসমূহৰ ওপৰত ৰায় দিব আৰু গোচৰৰ অগ্ৰগতিৰ ওপৰত নতুন দিশ প্ৰকাশ পাব বুলি আশা কৰা হৈছে। এই ঘটনাই অসমৰ সাংস্কৃতিক জগতত গভীৰ শোকৰ সৃষ্টি কৰিছে আৰু ৰাইজৰ মাজত ন্যায়ৰ দাবী জোৰদাৰ হৈ পৰিছে।

## আজি বাংলাদেশৰ নতুন

আজি, অৰ্থাৎ ১৭ ফেব্ৰুৱাৰীত শপত গ্ৰহণ কৰিব। ৰাষ্ট্ৰপতি মহম্মদ ছাহাবুদ্দিনে ৰাষ্ট্ৰীয় সংসদ কমপ্লেক্সৰ দক্ষিণ প্লাজাত এই শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন কৰিব বুলি সদৰি কৰা হৈছে। সাধাৰণতে এনে শপত গ্ৰহণ অনুষ্ঠান ৰাষ্ট্ৰপতি ভৱন (বঙাভৱন)ত অনুষ্ঠিত হোৱাৰ পৰম্পৰা থকাৰ বিপৰীতে এইবাৰ অনুষ্ঠানটো জাতীয় সংসদ কমপ্লেক্সত অনুষ্ঠিত হ'ব বুলি ৰাষ্ট্ৰপতি ভৱনৰ এগৰাকী বিষয়াই নাম প্ৰকাশ নকৰাকৈয়ে জনাইছে। বিষয়াজনে কয়, "আমাক জনোৱা হৈছে যে ৰাষ্ট্ৰপতিয়ে মঙলবাৰে জাতীয় সংসদ কমপ্লেক্সত নতুন মন্ত্ৰীসভাৰ শপত গ্ৰহণ কৰিব।" উল্লেখ্য যে, বৃহস্পতিবাৰে অনুষ্ঠিত ঐতিহাসিক সাধাৰণ নিৰ্বাচনত বিএনপিয়ে দুই-তৃতীয়াংশতকৈ অধিক আসন লাভ কৰি স্পষ্ট সংখ্যাগৰিষ্ঠতাৰে জয়লাভ কৰিছে। প্ৰথম আলো আৰু ইত্তেফাকৰ দৰে প্ৰধান সংবাদ মাধ্যমসমূহে এই ফলাফল প্ৰকাশ কৰিছে। সংবিধান অনুসৰি মন্ত্ৰীসভাৰ শপত গ্ৰহণৰ পিছতে নৱনিৰ্বাচিত সংসদ সদস্যসকলৰ শপত গ্ৰহণ অনুষ্ঠিত হ'ব। সাধাৰণতে বিদায়ী সংসদৰ অধ্যক্ষ শ্বিৰিন শৰ্মিন চৌধুৰীয়ে নতুন সাংসদসকলক শপত গ্ৰহণ কৰুৱাব লাগে। কিন্তু বৰ্তমান পৰিস্থিতি জটিল হৈ পৰিছে। অধ্যক্ষ শ্বিৰিন শৰ্মিন চৌধুৰীয়ে পদত্যাগ কৰি অজ্ঞাত স্থানত আত্মগোপন কৰি আছে, আনহাতে উপাধ্যক্ষ জেলত আছে। এনে পৰিস্থিতিত সংবিধানৰ তৃতীয় অনুসূচী অনুসৰি মুখ্য নিৰ্বাচন আয়ুক্ত এ এম এম নাছিৰ উদ্দিনে সাংসদসকলক শপত গ্ৰহণ কৰুৱাব। কেবিনেট সম্পাদক শ্বেখ আব্দুৰ ৰছিদে পূৰ্বতে জনাইছিল যে সংবিধান অনুসৰি ৰাষ্ট্ৰপতিয়ে বঙাভৱনত শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন কৰিব। কিন্তু তেওঁ অনুষ্ঠানৰ নিৰ্দিষ্ট তাৰিখ উল্লেখ নকৰিলে। শনিবাৰে ৰাষ্ট্ৰপতি ভৱনৰ বিষয়াসকলে নিশ্চিত কৰিছে যে ১৭ ফেব্ৰুৱাৰীত সংসদ কমপ্লেক্সতেই অনুষ্ঠান হ'ব। ইফালে, অন্তৰ্বৰ্তীকালীন চৰকাৰৰ সময়ত কেবিনেট সচিব হিচাপে নিযুক্ত শ্বেখ আব্দুৰ ৰছিদৰ চুক্তিবদ্ধ নিযুক্তি বাতিল কৰা হৈছে। তেওঁৰ ঠাইত চিৰাজ উদ্দিন মিয়াক নিযুক্তি দিয়া হৈছে, যি বৰ্তমান মুখ্য উপদেষ্টা মহম্মদ ইউনুছৰ প্ৰধান সচিব হিচাপে কাম কৰি আছে। ৰছিদে সাংবাদিকক জনোৱা মতে, তেওঁ কিছুদিন পূৰ্বে পদত্যাগ কৰিছিল আৰু শনিবাৰে তেওঁৰ পদত্যাগ গ্ৰহণ কৰা হৈছে। তাৰিক ৰহমানৰ এজন ঘনিষ্ঠ সহায়কে নাম প্ৰকাশ নকৰাকৈয়ে কয় যে বৰ্তমানৰ পৰিস্থিতিয়ে কথাবোৰ অলপ জটিল কৰি তুলিছে যদিও সংবিধানত থকা ব্যৱস্থা অনুসৰি ৰাষ্ট্ৰপতিয়ে শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন কৰিব। এই শপত গ্ৰহণ অনুষ্ঠানৰ পিছতে বাংলাদেশত নতুন চৰকাৰৰ কাম-কাজ আৰম্ভ হ'ব আৰু দেশৰ ৰাজনৈতিক দিশত নতুন মূৰ আহিব বুলি ধাৰণা কৰা হৈছে।

## কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে

গতিত আগুৱাই নিবলৈ সক্ৰিয় হৈ পৰিছে। এই পৰিপ্ৰেক্ষিতত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা সাংসদ প্ৰিয়ংকা গান্ধীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। অহা ১৮ ফেব্ৰুৱাৰীত গুৱাহাটীত উপস্থিত হোৱাৰ পিছত তেওঁ দলৰ বিভিন্ন স্তৰৰ নেতা-কৰ্মীৰ সৈতে একাধিক ৰুদ্ধদ্বাৰ বৈঠকত মিলিত হৈ দলীয় সংগঠনক শক্তিশালী কৰাৰ লগতে প্ৰাৰ্থী নিৰ্বাচনৰ প্ৰক্ৰিয়াক সু-সংগঠিত কৰিব। প্ৰদেশ কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক বিপুল গগৈয়ে জনোৱা মতে, সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছৰ প্ৰাৰ্থী বাছনি সমিতি তথা স্ক্ৰীণিং কমিটীৰ অধ্যক্ষ হিচাপে দায়িত্ব লাভ কৰাৰ পিছত এয়াই প্ৰিয়ংকা গান্ধীৰ প্ৰথম অসম ভ্ৰমণ। এই দায়িত্বৰ অংশ হিচাপে তেওঁ দলৰ অভ্যন্তৰীণ একতা আৰু সংগঠনৰ শক্তি বৃদ্ধিৰ লক্ষ্যৰে বিভিন্ন স্তৰৰ নেতাসকলৰ সৈতে বিস্তৃত আলোচনাত অংশ ল'ব। ১৮ ফেব্ৰুৱাৰীৰ দিনা সকাল ১১: ৩০ বজাত গুৱাহাটীৰ ৰাজীৱ ভৱনত উপস্থিত হোৱাৰ পিছত প্ৰিয়ংকা গান্ধীয়ে তাৎক্ষণিকভাৱে নিৰ্বাচনী সমিতিৰ বৈঠকত অংশ ল'ব। তাৰ পিছত প্ৰদেশ কংগ্ৰেছৰ ৰাজনৈতিক পৰিক্ৰমা কমিটিৰ বৈঠক, অসম নিৰ্বাচনী কমিটিৰ পাঁচগৰাকী অধ্যক্ষৰ সৈতে আলোচনা, সকলো বিধায়কৰ সৈতে পৃথক পৃথক বৈঠক, ত্ৰিশটাৰো অধিক জিলা কমিটিৰ সভাপতিৰ সৈতে একেলগে আলোচনা আৰু বিৰোধী দলপতিৰ সৈতে শেষ বৈঠকৰ জৰিয়তে দিনটো সমাপ্ত কৰিব। ১৯ ফেব্ৰুৱাৰীৰ পুৱাৰ পৰা আৰম্ভ হ'ব প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতিসকলৰ সৈতে বৈঠক। তাৰ পিছত সাংসদসকলৰ সৈতে আলোচনা, বিভিন্ন বিভাগ আৰু কোষৰ অধ্যক্ষসকলৰ সৈতে বৈঠকৰ পিছত দুপৰীয়া ৰাজীৱ ভৱনৰ পৰা দিছপুৰৰ মানৱেন্দ্ৰ শৰ্মা চৌহদলৈ যাত্ৰা কৰিব। তাত বিচিচিৰ সভাপতি আৰু এপিচিচিৰ বিষয়ববীয়াসকলৰ সৈতে শেষ বৈঠকৰ পিছত সন্ধিয়া ৫: ৩০ বজাত গুৱাহাটী বিমানবন্দৰৰ পৰা দিল্লীলৈ প্ৰত্যাৱৰ্তন কৰিব। এই ব্যাপক আৰু সুনিৰ্দিষ্ট সময়সূচীৰ জৰিয়তে প্ৰিয়ংকা গান্ধীয়ে দলৰ অভ্যন্তৰীণ পৰিস্থিতিৰ পৰ্যালোচনা কৰি প্ৰাৰ্থী নিৰ্বাচনৰ প্ৰক্ৰিয়াক দ্ৰুততাৰে আগুৱাই নিয়াৰ লগতে ২০২৬ৰ নিৰ্বাচনত কংগ্ৰেছৰ শক্তিশালী প্ৰত্যাৱৰ্তনৰ ভিত্তি মজবুত কৰিব বুলি দলীয় সূত্ৰসমূহে আশা প্ৰকাশ কৰিছে।

## ভূপেন বৰাক সৈমান কৰিবলৈ ভূপেনৰ

সিংৰ পৰা আৰম্ভ কৰি গৌৰৱ গগৈলৈকে উপস্থিত হয়, কিন্তু উল্লেখযোগ্যভাৱে অনুপস্থিত থাকে ৰকিবুল হুছেইন। প্ৰায় তিনি ঘণ্টা ধৰি চলা ৰুদ্ধদ্বাৰ বৈঠকত কংগ্ৰেছ নেতৃত্বই ভূপেন বৰাক দল এৰি নাযাবলৈ সৈমান কৰোৱাৰ চেষ্টা চলায়। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতিয়ে ভূপেন বৰাৰ পদত্যাগ-পত্ৰ গ্ৰহণ কৰা নাই। এ আই চি চিৰ সাধাৰণ সম্পাদক তথা অসম কংগ্ৰেছৰ তত্ত্বাৱধায়ক জীতেন্দ্ৰ সিঙে ভূপেন বৰাক কাষত বহুৱাই সংবাদ মাধ্যমক জনায় যে ভূপেন বৰাই কংগ্ৰেছ এৰি নাযায়। বৈঠকৰ সময়ত ৰাহুল গান্ধীয়ে নিজে ফোনযোগে প্ৰায় ১৫ মিনিট ধৰি ভূপেন বৰাৰ সৈতে কথা পাতে। জীতেন্দ্ৰ সিঙে কয় যে, "ভূপেন বৰা কংগ্ৰেছ পৰিয়ালৰ অতি গুৰুত্বপূৰ্ণ সদস্য। ৰাহুল গান্ধীৰ সৈতে দীঘলীয়া আলোচনা হৈছে। বিজেপি চৰকাৰৰ দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে যুঁজত ভূপেন বৰাৰ মুখ্য ভূমিকা থাকিব।" আনহাতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে নিজৰ ফালৰ পৰা হোৱা ভুল-ত্ৰুটিৰ বাবে ভূপেন বৰাৰ ওচৰত ৰাজহুৱাকৈ ক্ষমা বিচাৰে। বৈঠকৰ পিছত গৌৰৱ গগৈয়ে ভূপেন বৰাৰ বাসগৃহৰ চোতালত সংবাদ মাধ্যমৰ আগত এই কথা সদৰি কৰে। ভূপেন বৰাই সংবাদ মাধ্যমক জনায় যে, "১৯২৬ চনৰ পৰা মোৰ পৰিয়াল কংগ্ৰেছৰ সৈতে জড়িত। ১৯৯৪ চনত মই দলত যোগদান কৰোঁ। ৩২ বছৰ ধৰি দলৰ বাবে কাম কৰিছোঁ। কিন্তু মোৰ কথাবোৰ দলত গুৰুত্বহীন হৈ পৰিছে। সেয়েই পদত্যাগ কৰিছোঁ।" তেওঁ লগতে কয় যে, কেন্দ্ৰীয় আৰু ৰাজ্যিক নেতৃত্বই পদত্যাগ গ্ৰহণ কৰা নাই বুলি কৈছে। "মই কিছু সময় বিচাৰিছোঁ। পৰিয়ালৰ সৈতে আলোচনা কৰি মঙলবাৰে পুৱালৈকে সিদ্ধান্ত জনাম।" বৈঠকৰ সময়ত ভূপেন বৰাই ৰাজহুৱাকৈ এক গুৰুতৰ অভিযোগ উত্থাপন কৰে—কংগ্ৰেছৰ সভাপতি হোৱাৰ বাবে তেওঁৰ ভাতৃৰ ব্যৱসায় নষ্ট হৈছে, আনহাতে এ পি চি চিৰ সম্পাদকে ব্যৱসায় লাভ কৰিছে। এই বিষয় ৰাষ্ট্ৰীয় নেতৃত্বক জনোৱা হৈছে বুলি তেওঁ জনায়। এই ঘটনাৰ মাজতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মঙলবাৰে গধূলি ভূপেন বৰাৰ ঘৰলৈ যোৱাৰ ঘোষণা কৰিছে। একেদৰে ২ ফেব্ৰুৱাৰীত গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰাৰ পিছত ২১ ফেব্ৰুৱাৰীত ভূপেন বৰাই বিজেপিত যোগদান কৰিব পাৰে বুলি ৰাজ্যত ব্যাপক চৰ্চা চলি আছে। কংগ্ৰেছে ভূপেন বৰাক ধৰি ৰাখিবলৈ চেষ্টা অব্যাহত ৰাখিছে যদিও ভূপেন বৰাই মঙলবাৰে পুৱালৈকে সময় বিচাৰি লৈছে। এই পৰিস্থিতিয়ে অসম কংগ্ৰেছৰ ভৱিষ্যত আৰু ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিত গভীৰ প্ৰভাৱ পেলাব বুলি ৰাজনৈতিক মহলত চৰ্চা হৈছে।

## কংগ্ৰেছী বিধায়ক আব্দুৰ

ক্ষণত কংগ্ৰেছ দলত খহনীয়া অব্যাহত থকাৰ মাজতে এজন কংগ্ৰেছ বিধায়কে দল ত্যাগ কৰি ৰাইজৰ দলত যোগদান কৰিছে। লগতে আজি আন এজন কংগ্ৰেছ বিধায়কেও ৰাইজৰ দলত যোগদান কৰিব বুলি জানিব পৰা গৈছে। এই যোগদানে নামনি অসমৰ সংখ্যালঘু প্ৰধান দুটা বিধানসভা সমষ্টিত কংগ্ৰেছৰ সমীকৰণক জটিল কৰি তুলিছে। সোমবাৰে গুৱাহাটীৰ হোটেল লিলিত ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ উপস্থিতিত এক বিশেষ যোগদান অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানতে পশ্চিম গোৱালপাৰা (বৰ্তমান পূব গোৱালপাৰা) সমষ্টিৰ কংগ্ৰেছ বিধায়ক আব্দুৰ ৰছিদ মণ্ডলে ৰাইজৰ দলত যোগদান কৰে। তিনিবাৰৰ বিধায়ক আব্দুৰ ৰছিদ মণ্ডলৰ লগতে সদৌ টাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা দুলাল চন্দ্ৰ বৰুৱা আৰু শতাধিক লোকে একেলগে দলত যোগদান কৰে। অখিল গগৈয়ে যোগদান কৰা সকলোকে উষ্ম স্বাগতম জনাই কয়, "২০২৬ৰ নিৰ্বাচনলৈ ৰাইজৰ দলৰ শক্তি বৃদ্ধি পাইছে। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে বিজেপিক বিদায় দিবলৈ ৰাইজ সংকল্পবদ্ধ। সাম্প্ৰদায়িক বিজেপিক পৰাভূত কৰি অসমৰ ৰাইজক মুক্তি দিয়াটো সময়ৰ আহ্বান। আগন্তুক সময়ত বিজেপি, অগপকে ধৰি অন্যান্য দলৰ নেতাসকলো ৰাইজৰ দলত যোগদান কৰিব।" তেওঁ লগতে প্ৰকাশ কৰে যে উজনি অসমৰ দুজন বিজেপি বিধায়কে আৰু অচিৰেই দলত যোগদান কৰিব। মঙলবাৰে বাঘবৰ সমষ্টিৰ কংগ্ৰেছ বিধায়ক শ্বেৰমান আলী আহমেদে কলগাছিয়াত ৰাইজৰ দলত যোগদান কৰিব। শ্বেৰমান আলী আহমেদ কংগ্ৰেছৰ নিলম্বিত বিধায়ক হিচাপে পৰিচিত। এই দুয়োজন বিধায়কৰ যোগদানে নামনি অসমৰ দুটা সংখ্যালঘু প্ৰধান সমষ্টি—পূব গোৱালপাৰা আৰু মন্দিয়া (পুনৰ নিৰ্ধাৰিত সমষ্টি)—ত কংগ্ৰেছৰ বাবে শ'লঠেক সৃষ্টি কৰিব। পূব গোৱালপাৰাত কংগ্ৰেছৰ প্ৰাক্তন সাংসদ ৰকিবুল হুছেইনৰ বিশ্বস্ত বুলি পৰিচিত এ কে ৰছিদ আলমক দলটোৱে প্ৰাৰ্থী হিচাপে প্ৰস্তুত কৰি আছে। আনহাতে মন্দিয়া সমষ্টিত কংগ্ৰেছৰ প্ৰাক্তন সাংসদ আব্দুল খালেকক প্ৰাৰ্থী কৰাৰ প্ৰস্তুতি চলি আছে। কিন্তু শ্বেৰমান আলী আহমেদে মন্দিয়াত প্ৰতিদ্বন্দ্বিতা কৰাৰ প্ৰস্তুতি চলাইছে। ফলত দুয়োটা সমষ্টিতে কংগ্ৰেছ বনাম ৰাইজৰ দলৰ নিৰ্বাচনী যুঁজ তীব্ৰ হ'ব বুলি ধাৰণা কৰা হৈছে। এই ঘটনাবোৰে অসম কংগ্ৰেছৰ ভিতৰত অসন্তোষ আৰু বিভাজনক আৰু স্পষ্ট কৰি তুলিছে। একে সময়তে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে দলৰ শক্তি বৃদ্ধিৰ কথা ঘোষণা কৰি আগন্তুক নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে ঐক্যবদ্ধ প্ৰতিৰোধ গঢ়ি তোলাৰ আহ্বান জনাইছে।

## বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি

উপস্থিত হ'ব। ১৮ আৰু ১৯ ফেব্ৰুৱাৰীত উজনি অসমৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত বিভিন্ন দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰিব তেওঁ। এই ভ্ৰমণ অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ পূৰ্বে দলৰ সংগঠন শক্তিশালী কৰাৰ দিশত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ১৮ ফেব্ৰুৱাৰীত নীতিন নবীনে অসমত উপস্থিত হোৱাৰ পিছত ডিব্ৰুগড়ত বুথ সন্মিলন (প্ৰিষ্ঠা প্ৰমুখ সন্মিলন)ত অংশগ্ৰহণ কৰিব। খানিকৰ বা মানকটা চাহ বাগিচা পূজা প্ৰাংগণত অনুষ্ঠিত এই সন্মিলনত দলৰ বুথ পৰ্যায়ৰ নেতৃত্বই অংশ ল'ব। ইয়াৰ উপৰিও দলৰ বিভিন্ন সাংগঠনিক কাৰ্যসূচীত যোগদান কৰি মণ্ডল সভাপতি আৰু অন্যান্য কৰ্মকৰ্তাসকলৰ সৈতে বৈঠক অনুষ্ঠিত কৰিব। এই কাৰ্যসূচীসমূহৰ জৰিয়তে আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে বুথ স্তৰত প্ৰস্তুতিৰ ৰূপৰেখা নিৰ্ধাৰণ কৰা হ'ব। পিছদিনা ১৯ ফেব্ৰুৱাৰীৰ পুৱা ৯ বজাত নবীনে তিনিচুকীয়া জিলাৰ বাৰেকুৰিৰ বৰগাঁৱত অৱস্থিত বৰনামঘৰত উপস্থিত হৈ ভক্তবৃন্দৰ পৰা আশীৰ্বাদ গ্ৰহণ কৰিব আৰু তেওঁলোকৰ সৈতে আলোচনাত মিলিত হ'ব। তাৰ পিছতে গুইজানত মটক ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ মৈদামত গৈ আশীৰ্বাদ ল'ব। এই ধৰণৰ ধৰ্মীয় আৰু সাংস্কৃতিক স্থানসমূহত ভ্ৰমণে দলৰ স্থানীয় সমৰ্থন বৃদ্ধি কৰাত সহায় কৰিব বুলি দলীয় সূত্ৰে জানিবলৈ দিয়ে। ৰাষ্ট্ৰীয় সভাপতিৰ এই আগমনক লৈ ৰাজ্যিক বিজেপিৰ নেতৃত্ব তৎপৰ হৈ পৰিছে। ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই দেওবাৰে নিশা বাৰেকুৰিৰ বৰনামঘৰ আৰু গুইজানৰ মৈদাম প্ৰাংগণ পৰিদৰ্শন কৰি প্ৰস্তুতিৰ অৱস্থা পৰ্যালোচনা কৰে। অসমৰ প্ৰভাৰী হৰেশ দ্বিবেদীসহ দলৰ আন নেতৃত্বই এই পৰিদৰ্শনত অংশ লয়। স্থানীয় ৰাইজৰ সৈতে আলোচনা কৰি দিলীপ শইকীয়াই কয় যে, ৰাষ্ট্ৰীয় সভাপতিৰ এই দুদিনীয়া ভ্ৰমণে দলীয় কৰ্মকৰ্তা আৰু কৰ্মীসকলক যথেষ্ট উৎসাহিত কৰিব। দলক আদৰিবলৈ সম্পূৰ্ণৰূপে সাজু বুলি তেওঁ জানায়। এই কাৰ্যসূচীত ৰাজ্যিক সাধাৰণ সম্পাদক ঋতুপৰ্ণ বৰুৱা, লক্ষ্য কোঁৱৰ, মুখপাত্ৰ ত্ৰিদিব মৰাণ, তিনিচুকীয়া জিলা বিজেপিৰ সভাপতি কুশকান্ত বড়া, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ কাজল গোঁহাই, জিলা পৰিষদৰ অধ্যক্ষ ভাদেশ্বৰ মৰাণকে ধৰি বহু দলীয় নেতা-কৰ্মী সক্ৰিয়ভাৱে জড়িত হৈ আছে। উল্লেখ্য যে, অসমত ২০২৬ চনৰ মাৰ্চ-এপ্ৰিল মাহত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে। এই নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিৰ উজনি অসম ভ্ৰমণে দলৰ গ্ৰাছৰুট সংগঠনক শক্তিশালী কৰাৰ লগতে উজনি অসমত দলৰ প্ৰভাৱ অধিক বৃদ্ধি কৰাৰ লক্ষ্যৰে গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে দেখা গৈছে। দলীয় সূত্ৰ অনুসৰি, এই ভ্ৰমণৰ জৰিয়তে নিৰ্বাচনী প্ৰস্তুতিৰ ৰূপৰেখা অধিক সু-সংহত কৰা হ'ব।

## দল বাগৰাৰ ৰাজনীতিত

ৰক্ষাৰ বাবে এই সিদ্ধান্ত লৈছোঁ। দলৰ পৰিচালনা পদ্ধতিৰ বিষয়ে কেন্দ্ৰীয় নেতৃত্বক সকলো কথা জনাইছোঁ। পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছোঁ।" তেওঁ লগতে জনায় যে ৰাজনীতিৰ পৰা সন্ন্যাস লোৱাৰ প্ৰশ্নই নুঠে আৰু সক্ৰিয় ৰাজনীতিতে থাকিব। কোনো দলত যোগদান কৰিব নেকি সেই বিষয়ে স্পষ্ট উত্তৰ নিদিলেও ভৱিষ্যতৰ পৰিকল্পনা শীঘ্ৰেই প্ৰকাশ কৰিব বুলি ইংগিত দিয়ে। ভূপেন বৰাৰ ৰাজনৈতিক যাত্ৰা অতি সমৃদ্ধ। লখিমপুৰ জিলাৰ বিহপুৰীয়া বিধানসভা সমষ্টিৰ পৰা দুবাৰ বিধায়ক নিৰ্বাচিত হৈছিল তেওঁ। ২০২১ চনৰ ২৪ জুলাইত এপিচিচিৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰি ৰাজ্যত দলক শক্তিশালী কৰি তুলিছিল। স্বভাৱসিদ্ধ বাকপটুতাৰে বিৰোধীক সমালোচনা কৰি পৰিচিত আছিল। তেওঁৰ বিৰুদ্ধে বিশেষ কোনো কেলেংকাৰীৰ অভিযোগ নাছিল যদিও কেইদিনমান আগতে লখিমপুৰত দলৰ এটা কাৰ্যসূচীত এগৰাকী মহিলাৰ বিৰুদ্ধে অভিযোগ উত্থাপন হৈছিল, যাক বহুতে সন্দেহৰ চকুৰে চাইছিল। ভূপেন বৰাই দল ত্যাগৰ স্পষ্ট কাৰণ প্ৰকাশ নকৰিলেও দলীয় কৰ্মীসকলৰ মতে, বিৰোধী ঐক্য মঞ্চৰ আসন বুজাবুজিৰ দায়িত্ব তেওঁক দিয়া হৈছিল যদিও পিছত ৰকিবুল হুছেইনকো একে দায়িত্ব দিয়া হয়। এই সিদ্ধান্তই তেওঁৰ আত্মসন্মানত আঘাত কৰিছে। দলৰ এটা লবীৰ হেঁচাত এনে হোৱা বুলি কোৱা হৈছে। এই ঘটনাত বহু কংগ্ৰেছ কৰ্মী বিমৰ্ষ হৈ পৰিছে। কেইমাহমান আগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভৱিষ্যদ্বাণী কৰিছিল যে ভূপেন বৰাই কংগ্ৰেছ ত্যাগ কৰি ২০২৬ৰ নিৰ্বাচনত বিজেপিলৈ যোগদান কৰিব। প্ৰথম অংশ ফলিয়াইছে। দ্বিতীয় অংশৰ বিষয়ে চৰ্চা তীব্ৰ হৈছে। চৰ্চা অনুসৰি, ২০ ফেব্ৰুৱাৰীত গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰাৰ পিছত ২১ ফেব্ৰুৱাৰীত গেৰুৱা বসন পিন্ধিব পাৰে। যদি সেয়া হয়, তেন্তে ৰঙানদী বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হ'ব পাৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই ঘটনাক স্বাগত জনাই কয় যে বিজেপিৰ দুৱাৰ ভূপেন বৰাৰ বাবে মুকলি। তেওঁক নিৰাপদ আসনৰ পৰা বিধায়ক কৰাৰ চেষ্টা চলাব বুলি জানায়। তেওঁ লগতে কয় যে ভূপেন বৰা অসম কংগ্ৰেছৰ শেষ হিন্দু নেতা আছিল যিজন সাধাৰণ পৰিয়ালৰ পৰা উঠি আহিছিল। দলৰ ভৱিষ্যত "অন্ধকাৰ" বুলি বৰ্ণনা কৰে। এই ঘটনাই অসম কংগ্ৰেছত অধিক অস্থিৰতা সৃষ্টি কৰিছে। আন কেইজনমান বিধায়কৰ দল ত্যাগৰ সম্ভাৱনাও উত্থাপিত হৈছে। ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক সমীকৰণত বৃহৎ পৰিৱৰ্তনৰ ইংগিত পোৱা গৈছে।

## কংগ্ৰেছত নাথাকিলে ৰাইজৰ

থাকিবলৈ বুজনি দিয়াৰ চেষ্টা চলাই থকাৰ মাজতে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়েও তেওঁৰ বাসগৃহত উপস্থিত হৈ এক ডাঙৰ প্ৰস্তাৱ আগবঢ়াইছে। অখিল গগৈয়ে সাংবাদিকৰ সন্মুখত স্পষ্টভাৱে কয় যে, "ভূপেন দাই যদি যাব বিচাৰে তেন্তে আমি তেওঁক যাব নিদিওঁ। আমি তেওঁক কংগ্ৰেছ দলতে থাকিবলৈ অনুৰোধ জনাইছোঁ।" তেওঁ লগতে কয় যে, যদি ভূপেন বৰাই কংগ্ৰেছত নাথাকে তেন্তে তেওঁক ৰাইজৰ দলত যোগদান কৰি দলৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। অখিল গগৈৰ ভাষাত—"দৰকাৰ হ'লে তেওঁ ৰাইজৰ দলৰ সভাপতি হওক। আমি তেওঁক কান্ধত তুলি লৈ ঘূৰাই ফুৰিম।" এই ঘটনাৰ পিছত ৰাজ্যৰ ৰাজনৈতিক মহলত ব্যাপক চৰ্চাৰ সৃষ্টি হৈছে। ভূপেন বৰাৰ বাসগৃহত ইতিমধ্যে উপস্থিত হৈছে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতা জিতেন্দ্ৰ সিংৰ লগতে আন কেইবাগৰাকী গুৰুত্বপূৰ্ণ নেতা। সকলোৱে একেলগে ভূপেন বৰাক দলত থকাৰ বাবে অপ্ৰাণ চেষ্টা চলাই আছে। কংগ্ৰেছ নেতৃত্বই বৰাৰ পদত্যাগ প্ৰত্যাহাৰ কৰিবলৈ আলোচনা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। অখিল গগৈৰ এই প্ৰস্তাৱে ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসমৰ বিৰোধী শিবিৰৰ মাজত নতুন সমীকৰণৰ সম্ভাৱনাক সৃষ্টি কৰিছে। ৰাইজৰ দলে ইতিমধ্যে কংগ্ৰেছৰ কেইবাজনো বিধায়কক দলত অন্তৰ্ভুক্ত কৰি শক্তি বৃদ্ধি কৰিছে। এতিয়া ভূপেন বৰাৰ দিশত চকু থকাৰ লগতে তেওঁৰ সিদ্ধান্তই অসমৰ ৰাজনীতিত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব বুলি বিশে-ষকসকলে মত প্ৰকাশ কৰিছে। ভূপেন বৰাই এতিয়াও নিজৰ চূড়ান্ত সিদ্ধান্ত ঘোষণা কৰা নাই। কংগ্ৰেছত থাকিব নে নতুন দিশত আগবাঢ়িব—এই প্ৰশ্নৰ উত্তৰ অহা কেইদিনমানৰ ভিতৰতে মিলিব বুলি আশা কৰা হৈছে।

## ঘোষণা কৰিয়েই ফলাফল

আয়োগে এখন আধিকাৰিক বিবৃতি জাৰি কৰি জানিবলৈ দিছে যে, প্ৰকাশিত ফলাফলত অসাৱধানতাবশতঃ কিছুমান ত্ৰুটি (inadvertent error) ধৰা পৰাত তাৎক্ষণিকভাৱে সেইটো বাতিল কৰা হৈছে। আয়োগৰ প্ৰধান পৰীক্ষা নিয়ন্ত্ৰকৰ স্বাক্ষৰিত বিজ্ঞপ্তি নং ৪৬০ PSC/CONঅধিক তীব্ৰভাৱে আক্ৰমণাত্মক হৈ ৰকিবুল হুছেইনে মুখ্যমন্ত্ৰীক কেইবাটাও পোনপটীয়া প্ৰশ্ন কৰে। তেওঁ কয়, "আমি যি কৈছিলোঁ যে তেওঁ আলফা আছিল, তেওঁ আলফা আছিল নে নাই—পোনপটীয়া উত্তৰ দিয়ক। তেওঁ মানুহ হত্যা কৰা মানুহ নেকি? দহ ছেপ্টেম্বৰত গৌৰৱ গগৈৰ চাৰ্জশ্বীট দিয়াৰ কথা কৈ এতিয়া জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰসংগ উত্থাপন কৰিছে। দহ ছেপ্টেম্বৰতেই কেনেকৈ জানিলে যে জুবিনক হত্যা কৰা হৈছে? এইবোৰ প্ৰশ্নৰ উত্তৰ দিয়ক হিমন্ত বিশ্ব শৰ্মাই।" এই ঘটনাই অসমৰ আসন্ন বিধানসভা নিৰ্বাচনৰ (২০২৬) পূৰ্বে কংগ্ৰেছৰ ভিতৰত গভীৰ অসন্তোষ আৰু বিভাজনক স্পষ্ট কৰি তুলিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে ৰকিবুল হুছেইনৰ এই তীব্ৰ প্ৰতিক্ৰিয়াই ৰাজ্যৰ ৰাজনীতিত নতুন মোৰ দিছে। ভূপেন বৰাৰ দলত্যাগৰ পিছতো দলৰ নেতৃত্বই আলোচনা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে, কিন্তু এই ঘটনাই কংগ্ৰেছৰ বাবে বৃহৎ প্ৰত্যাহ্বান হৈ পৰিছে। Exam-37/2024-2025 (তাৰিখঃ ১৬ ফেব্ৰুৱাৰী ২০২৬) অনুসৰি এই ফলাফল বাতিল কৰা হৈছে। বিবৃতিত উল্লেখ কৰা হৈছে যে, বিষয়টো যত্নেৰে পৰীক্ষা কৰি প্ৰয়োজনীয় সংশোধন সম্পন্ন কৰাৰ পাছত অতি সোনকালে নতুন মেধা তালিকা (fresh select list) আয়োগৰ অফিচিয়েল ৱেবছাইটত প্ৰকাশ কৰা হ'ব। এই সংযুক্ত পৰীক্ষাৰ জৰিয়তে অসম অসামৰিক সেৱা (ACS), অসম আৰক্ষী সেৱা (APS) আৰু বিভিন্ন সংলগ্ন সেৱাসমূহৰ মুঠ ২৮৮টা পদৰ বাবে প্ৰাৰ্থী নিৰ্বাচন কৰা হৈছিল। ফলাফল ঘোষণা হোৱাৰ লগে লগে প্ৰাৰ্থীসকলৰ মাজত উৎসাহ দেখা গ'ল যদিও তাৎক্ষণিক বাতিলৰ খবৰে বিস্ময় আৰু হতাশাৰ সৃষ্টি কৰিছে। এই ঘটনাক লৈ অসম জাতীয় পৰিষদে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

## মুখ্যমন্ত্ৰীৰ ভৱিষ্যদ্বাণী; '২৯ৰ

জ্যেষ্ঠ কংগ্ৰেছ নেতা প্ৰদ্যুৎ বৰদলৈও কংগ্ৰেছ এৰি যাব। যেতিয়া মই ভূপেন বৰাই ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ আগতে দল ত্যাগ কৰিব বুলি কৈছিলোঁ, তেতিয়া বহুতে বিশ্বাস কৰা নাছিল। আজি মই দ্বিতীয় ভৱিষ্যদ্বাণী কৰিছোঁ—প্ৰদ্যুৎ বৰদলৈও ২০২৯ৰ লোকসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত কংগ্ৰেছ ত্যাগ কৰিব।" দেৱব্ৰত শইকীয়াৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে কয়, "দেৱব্ৰত শইকীয়াই এইবাৰ নিৰ্বাচনত হাৰিব। হাৰাৰ পিছত তেওঁক বিজেপিত অনা হ'ব। কাৰণ হিতেশ্বৰ শইকীয়াৰ প্ৰতি মোৰ ঋণ আছে। সেই ঋণ শোধ কৰিবলৈ নিৰ্বাচনৰ পিছত বাইদেউক (হিতেশ্বৰ শইকীয়াক) কৈ দেৱব্ৰত শইকীয়াক আমাৰ দলত লৈ আহিম।" তেওঁ লগতে উল্লেখ কৰে যে, "দেৱব্ৰত শইকীয়া এতিয়া বহুত বেছি সন্তুষ্ট নহয়। তেওঁৰ কথা-বাৰ্তা অফ কেমেৰাত কি কৈ থাকে সেইটো আপোনালোকে জানে। কংগ্ৰেছৰ বহু নেতাই অফ কেমেৰাত মোক নিজৰ অসন্তোষৰ কথা কৈ থাকে।" সাংবাদিকে প্ৰশ্ন কৰাত যে দেৱব্ৰত শইকীয়াৰ দলত্যাগ প্ৰদ্যুৎ বৰদলৈতকৈ আগতে হ'ব নেকি, মুখ্যমন্ত্ৰীয়ে উত্তৰ দিয়ে, "নহয়। প্ৰদ্যুৎ বৰদলৈ ২০২৯ চনত লোকসভা নিৰ্বাচনৰ আগতে হ'ব। দেৱব্ৰত শইকীয়া ২০২৭ চনত, অৰ্থাৎ বিধানসভা নিৰ্বাচনৰ পিছত। প্ৰদ্যুৎ বৰদলৈয়ে ভূপেন বৰাতকৈও অধিক অপমান সহ্য কৰিব লাগিব। আজি মই ভৱিষ্যদ্বাণী কৰিছোঁ—প্ৰদ্যুৎ বৰদলৈয়ে যি অপমান পাব, সেইটো কোনেও ভাবিব নোৱাৰে।" এই ভৱিষ্যদ্বাণীসমূহে অসম কংগ্ৰেছৰ ভিতৰত অধিক অস্থিৰতাৰ সৃষ্টি কৰিছে। ভূপেন বৰাৰ পদত্যাগৰ পিছতে মুখ্যমন্ত্ৰীৰ এই মন্তব্যই ২০২৬ৰ বিধানসভা নিৰ্বাচন আৰু তাৰ পিছৰ ৰাজনৈতিক সমীকৰণত নতুন মোৰ দিব পাৰে বুলি ৰাজনৈতিক মহলত চৰ্চা চলিছে।

## "মই বিশ্বাস কৰোঁ যে ভূপেন

ৰকিবুল হুছেইনে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ ভাষাৰে সমালোচনা কৰি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ৰকিবুল হুছেইনে ভূপেন বৰাৰ দলত্যাগক লৈ কোনো গুৰুত্ব নিদিয়াকৈ মুখ্যমন্ত্ৰীৰ উৎফুল্লতাক প্ৰশ্নবিদ্ধ কৰিছে। ভূপেন বৰাৰ দলত্যাগৰ পিছত ৰকিবুল হুছেইনে কয় যে, "কিছুমান ক্ষোভ থাকিব পাৰে। দলৰ নেতৃত্বই আলোচনা কৰি আছে ভূপেন বৰাৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ। মই বিশ্বাস কৰোঁ যে সকলো ঠিক হৈ যাব।" তেওঁ লগতে কয় যে, এই ঘটনাক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইমান উৎফুল্ল হোৱাৰ কোনো কাৰণ নাই। ৰকিবুল হুছেইনে মুখ্যমন্ত্ৰীক পোনপটীয়াকৈ সতৰ্ক কৰি কয়, "যদি তেওঁ মোক ব্যক্তিগতভাৱে আক্ৰমণ কৰে, তেন্তে ময়ো ব্যক্তিগতভাৱে উত্তৰ দিম।" তেওঁ মাজুলীৰ পৰ্যটনৰ উন্নয়নৰ কথা উল্লেখ কৰি কয় যে, পৰ্যটন মন্ত্ৰী হৈ থকা সময়তে তেওঁ মাজুলীত পৰ্যটন নিবাস নিৰ্মাণ কৰিছিল আৰু ব্যক্তিগতভাৱেও অৱদান আগবঢ়াইছিল। পূৰ্বতে হিমন্ত বিশ্ব শৰ্মাই নিজেই তেওঁক ধৰ্মনিৰপেক্ষ বুলি প্ৰশংসা কৰিছিল বুলি স্মৰণ কৰি ৰকিবুল হুছেইনে কয়, "এতিয়া তেওঁৰ ভাল পৰামৰ্শদাতা নাই বাবেই হয়তো মোক মনত পেলাইছে। কিন্তু মোৰ তেওঁলৈ মন নপৰে। যেতিয়াৰ পৰা মোক হত্যা কৰিব বিচাৰিছে, তেতিয়াৰ পৰা মই তেওঁলৈ নাই। তেওঁৰ কেৱল ক্ষমতাৰ প্ৰয়োজন।" গঁড় হত্যাৰ প্ৰসংগত মুখ্যমন্ত্ৰীৰ মন্তব্যৰ প্ৰত্যুত্তৰত ৰকিবুল হুছেইনে কয়, "চোৰাং চিকাৰীয়ে থ্ৰী নট থ্ৰী ৰাইফলৰে গঁড় হত্যা কৰে। কিন্তু সেই সময়ত AK-47, 56 ব্যৱহাৰ কৰি কোনে গঁড় হত্যা কৰিছিল, সেয়া সকলোৱে জানে। SBৰ তথ্য অনুসৰি চোৰাং চিকাৰীতকৈ দাঁতিকাষৰীয়া আত্মসমৰ্পণ কৰা লোকে হত্যা কৰিছিল। সেই লোকসকলৰ সৈতে কাৰ সম্পৰ্ক আছে, সেয়াও সকলোৱে জানে। কলিয়াবৰত ফৰেষ্ট বেটেলিয়ন গঠন কৰিব বিচাৰোঁতে কোনে বাধা দিছিল, সেয়াও জনা আছে।"

## বিজেপিলৈ কংগ্ৰেছৰ বৰগছ

(মাৰ্চ-এপ্ৰিলত অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে) পূৰ্বে এই ঘটনাই ৰাজ্যৰ ৰাজনীতিত নতুন মোৰ লৈ আহিছে। ভূপেন বৰাৰ পদত্যাগৰ কেইঘণ্টামানৰ ভিতৰতে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে বিজেপিয়ে তেওঁৰ বাবে এখন জিকিব পৰা সুৰক্ষিত আসন সংৰক্ষণ কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ আগত কয় যে, "কাইলৈ গধূলি মই ভূপেন বৰাৰ ঘৰলৈ যাম। দুখৰ সময়ত তেওঁৰ লগত থাকিম। আমি বাইছ-তেইছ বছৰ একেলগে কাম কৰিছোঁ। মই কটন কলেজৰ জেনেৰেল ছেক্ৰেটাৰী আছিলোঁ, তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ। মই ২২ বছৰত কংগ্ৰেছ এৰিলোঁ, তেওঁ কিছু সময় লাষ্টিং কৰিলে। গতিকে কাইলৈ যাম, তেওঁৰ ভৱিষ্যতৰ ৰাজনৈতিক পৰিকল্পনাৰ খবৰ ল'ম।" ভূপেন বৰাই বিজেপিত যোগদান কৰিব নেকি বুলি সোধাত মুখ্যমন্ত্ৰীয়ে কয় যে, এতিয়ালৈ আনুষ্ঠানিক যোগাযোগ হোৱা নাই। কিন্তু বিজেপিৰ দুৱাৰ তেওঁৰ বাবে মুকলি। "যদি তেওঁ বিজেপিলৈ আহিব খোজে, মই আদৰণি জনাম। যদি নোখোজে, শুভেচ্ছা জনাম। বিজেপিয়ে তেওঁক বিধায়ক কৰাৰ চেষ্টা কৰিব। কাৰণ সাধাৰণ পৰিয়ালৰ সন্তানক কংগ্ৰেছে স্বীকৃতি নিদিয়ে। মোকো বিজেপিয়ে মুখ্যমন্ত্ৰী পাতিছে। আমি ব্লু ব্লাডৰ ৰাজনীতিৰ পৰা আঁতৰত থাকোঁ।" মুখ্যমন্ত্ৰীয়ে ভূপেন বৰাৰ পদত্যাগক "প্ৰতীকাত্মক" বুলি অভিহিত কৰি কয় যে, সাধাৰণ ঘৰৰ হিন্দু ল'ৰাই কংগ্ৰেছত নেতৃত্ব ল'ব নোৱাৰে বা থাকিব নোৱাৰে। তেওঁ দাবী কৰে যে ভূপেন বৰাৰ পদত্যাগ পত্ৰত দুটা মূল কাৰণ উল্লেখ আছে—এটা ৰকিবুল হুছেইনৰ দপদপনি আৰু দ্বিতীয়টো গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণৰ বিষয়ত সন্তোষজনক উত্তৰ নিদিয়া। "ৰকিবুল হুছেইনে কংগ্ৰেছক গ্ৰাস কৰি লৈছে। গৌৰৱ গগৈ এতিয়া ৰকিবুলৰ নেতৃত্বত চলে। কংগ্ৰেছ এতিয়া সংখ্যালঘু নেতৃত্বৰ দল।" তেওঁ আৰু ভৱিষ্যদ্বাণী কৰে যে ২০২৯ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে প্ৰদ্যুৎ বৰদলৈও বিজেপিত যোগদান কৰিব। "২০২৯লৈ কংগ্ৰেছত গৌৰৱ গগৈ, ৰকিবুল হুছেইন আৰু সংখ্যালঘু লোকহে থাকিব।" এই ঘটনাই অসম কংগ্ৰেছত অধিক অস্থিৰতাৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰীৰ ঘৰলৈ যাত্ৰাৰ পিছত ভূপেন বৰাৰ ৰাজনৈতিক সিদ্ধান্তই ৰাজ্যৰ ৰাজনৈতিক সমীকৰণত বৃহৎ পৰিৱৰ্তন আনিব পাৰে বুলি চৰ্চা চলিছে। বিজেপিৰ পক্ষৰ পৰা দলত্যাগী নেতাসকলক স্বাগত জনোৱাৰ ধাৰা অব্যাহত ৰখাৰ ইংগিত পোৱা গৈছে।

## ভাৰত এআইৰ বিশ্ব নেতৃত্ব

উদ্বোধন কৰে। এই এ'পো ভাৰত এআই ইম্পেক্ট সন্মিলনৰ সমান্তৰালভাৱে ১৬ৰ পৰা ২০ ফেব্ৰুৱাৰীলৈকে অনুষ্ঠিত হৈ আছে। উদ্বোধনৰ সময়ত প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতে কৃত্ৰিম বুদ্ধিমত্তাৰ ৰূপান্তৰকৰণৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি আহিছে আৰু এই অগ্ৰগতিয়ে দেশৰ উচ্চাকাংক্ষাৰ লগতে দায়িত্বশীলতাকো প্ৰকাশ কৰিছে। এ'ত (পূৰ্বৰ টুইটাৰ) এটা পোষ্টত প্ৰধানমন্ত্ৰী মোদীয়ে লিখিছে যে, বিশ্বক একত্ৰিত কৰি এআইৰ বিষয়ে আলোচনাৰ বাবে ভাৰতে দিল্লীৰ ভাৰত মণ্ডপত এই মহাসন্মিলনৰ আয়োজন কৰিছে। তেওঁ বিশ্বৰ নেতা, উদ্যোগপতি, উদ্ভাৱক, নীতি নিৰ্ধাৰক, গৱেষক আৰু প্ৰযুক্তি অনুৰাগীসকলক আন্তৰিক স্বাগতম জনাইছে। সন্মিলনৰ মূল বিষয়বস্তু হৈছে 'সৰ্বজন হিতায়, সৰ্বজন সুখায়' অৰ্থাৎ সকলোৰে কল্যাণ আৰু সকলোৰে সুখ। এই ধাৰণাই মানৱকেন্দ্ৰিক প্ৰগতিৰ বাবে এআইৰ দায়িত্বশীল ব্যৱহাৰৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিক প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে, স্বাস্থ্যসেৱা, শিক্ষা, কৃষি, প্ৰশাসন আৰু উদ্যোগকে ধৰি বিভিন্ন ক্ষেত্ৰত এআয়ে ইতিমধ্যে ইতিবাচক পৰিৱৰ্তন আনিছে। এই সন্মিলনে উদ্ভাৱন, আন্তৰ্জাতিক সহযোগিতা আৰু দায়িত্বশীল এআই ব্যৱহাৰৰ দৰে বিষয়সমূহত বিশ্বব্যাপী আলোচনাক সমৃদ্ধ কৰিব। তেওঁ বিশ্বাস কৰে যে, সন্মিলনৰ ফলাফলে প্ৰগতিশীল, উদ্ভাৱনীমূলক আৰু সুযোগমুখী ভৱিষ্যত গঢ়াত সহায় কৰিব। ভাৰতৰ ১.৪ বিলিয়ন জনসংখ্যাৰ বাবে এআইৰ ৰূপান্তৰকৰণৰ ক্ষেত্ৰত দেশ আগশাৰীৰ স্থানত আছে বুলি প্ৰধানমন্ত্ৰীয়ে কয়।

## বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি

পৰ্যালোচনা কৰিবলৈ ভাৰতৰ নিৰ্বাচন আয়োগৰ (Election Commission of India - ECI) পূৰ্ণাংগ দল আজি অসমত উপস্থিত হৈছে। মুখ্য নিৰ্বাচন আয়ুক্ত (Chief Election Commissioner) জ্ঞানেশ কুমাৰৰ নেতৃত্বত পাঁচ সদস্যীয় এই দলটোৱে তিনিদিনীয়া ভ্ৰমণসূচীৰে ৰাজ্যখনত বিভিন্ন স্তৰৰ বিষয়া আৰু ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে বৈঠকত মিলিত হ'ব। দলটো সোমবাৰে গুৱাহাটী বিমানবন্দৰত অৱতৰণ কৰি পোনপটীয়াকৈ ৰেডিচন ব্লু হোটেললৈ যায়। নিৰ্বাচন আয়োগৰ এই উচ্চ পৰ্যায়ৰ দলত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ লগতে নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীও অন্তৰ্ভুক্ত। দলটোৰ উদ্দেশ্য হৈছে ৰাজ্যৰ নিৰ্বাচনী প্ৰস্তুতিৰ বিস্তৃত পৰ্যালোচনা কৰি স্বচ্ছ, নিৰপেক্ষ আৰু সুস্থ নিৰ্বাচন নিশ্চিত কৰা। মঙলবাৰে দলটোৱে গুৱাহাটীৰ এখন হোটেলত জিলা আয়ুক্তসকল (District Commissioners), আৰক্ষী অধীক্ষকসকল (Superintendents of Police), বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধি আদিৰ সৈতে বিস্তৃত বৈঠকত অংশগ্ৰহণ কৰিব। এই বৈঠকত মাটি পৰ্যায়ৰ প্ৰস্তুতি, নিৰাপত্তা ব্যৱস্থা, ভোটাৰ তালিকাৰ হালধি, লজিষ্টিক ব্যৱস্থা আদি বিষয়ত আলোচনা কৰা হ'ব বুলি জানিব পৰা গৈছে। বুধবাৰে দলটোৱে ৰাজ্যৰ আৰক্ষী সঞ্চালক মহাপৰিদৰ্শক (Director General of Police), মুখ্য সচিব (Chief Secretary) আৰু অন্যান্য জ্যেষ্ঠ বিষয়াৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হ'ব। এই বৈঠকসমূহত নিৰ্বাচনী প্ৰক্ৰিয়াৰ সামগ্ৰিক পৰ্যালোচনাৰ লগতে সম্ভাব্য সমস্যা আৰু সমাধানৰ বিষয়ে আলোচনা হ'ব। ভ্ৰমণৰ শেষত একে দিনা বিয়লি ৩: ৩০ বজাত নিৰ্বাচন আয়োগৰ দলটোৱে সংবাদমেলৰ জৰিয়তে পৰ্যালোচনাৰ ফলাফল আৰু পৰ্যবেক্ষণ সম্পৰ্কে সাংবাদিকসকলক অৱগত কৰিব।

### চাৰিজনক আটক; তিনি কোটি টকা লুণ্ঠন

# মৰিগাঁও আৰক্ষীৰ ছাইবাৰৰ ঘাটিত পুনৰ অভিযান

**অসম বাৰ্তা, ভূৰাগাঁও, ১৪ ফেব্ৰুৱাৰী ঃ** পুনৰ ছাইবাৰ চক্ৰৰ ঘাটিত মৰিগাঁও আৰক্ষীৰ অভিযানত যোৱা নিশা আটক চাৰিজন যুৱক। ৰেডিয়েল কেচলেছ মেনেজমেণ্টৰ কৰ্তিপক্ষৰ অভিযোগৰ ভিত্তিত লাহৰীঘাট থানাত ভাৰতীয় ন্যায় সংহিতাৰ ৬৬চি / ৬৬জি /বি এন এছ ৩১৮৪/৩৬৩/৩৪২/৬১২ ধাৰাত ১৬/২৬ নম্বৰত পঞ্জিয়ন হোৱা গোচৰৰ ভিত্তিত আটক কৰা হৈছে এই চাৰিজন যুৱকক। অভিযোগকাৰী প্ৰতিষ্ঠান টোৰ অধিনৰ এচি মানি নামৰ এপৰ জৰিয়তে অনলাইন ঋণ লৈ চক্ৰটোৱে তিনি কোটি টকা লুণ্ঠন কৰিছিল। আজি মৰিগাঁও জিলা আৰক্ষীৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যই জানিব দিয়া মতে ধৃত চাৰি যুৱকৰ ভিতৰত এজন নাবালক ছাত্ৰ। আনহাতে অন্য এজনক সোধ পোছ কৰি থকা হৈছে যদিও তেওঁৰ বিৰুদ্ধে বিশেষ তথ্য সদৰি কৰিব পৰাকৈ লাভ কৰা নাই। আন দুজন ধৃত ক্ৰমে মেহবুব হাছেন আৰু মাহবুবুল আলম এই লুণ্ঠনত জড়িত থকাৰ যথেষ্ট তথ্য লাভ কৰিছে আৰক্ষীয়ে। চক্ৰ টোৱে ৰেডিয়েন কেছলেছ এপৰ জৰিয়তে লুণ্ঠন কৰিছিল প্ৰায় তিনি কোটি টকা। উল্লেখ্য যে ২০২৩ চনৰ পৰা বৰ্তমানলৈ মৰিগাঁও আৰক্ষীৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নেতৃত্বত চলা ছাইবাৰ বিৰুধী অভিযানত ৩১৫ জনকৈ ছাইবাৰ অপৰাধী গ্ৰেপ্তাৰ হৈছে। এই সময় ছোৱাত জিলাখনত ছাইবাৰ অপৰাধীৰ বিৰুদ্ধে জিলা খনৰ বিভিন্ন থানাত পঞ্জিয়ন হৈছে ৫০ টাৰো অধিক গোচৰ। ইয়াৰে সৰহ সমখ্য গোচৰ পঞ্জীয়ন হৈছে লাহৰীঘাট আৰু মৈৰাবাৰী থানাত। ছাই বাৰ অপৰাধীৰ অভিকেন্দ্ৰ হিছাবে চিহ্নিত জিলা খনৰ মৈৰাবাৰী, লাহৰীঘাট, ভূৰাগাঁও, ভেলৌগুৰি, বুৰালগুৰী আদি অঞ্চলত ছাইবাৰ চক্ৰৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান চলাই আছে মৰিগাঁও আৰক্ষীয়ে। আজি আৰক্ষী বিষয়া গৰাকীয়ে জনোৱা মতে এই সময় ছোৱাত জিলা খনৰ ছাইবাৰ চক্ৰই ৫০ কোটিৰো অধিক বিত্তীয় লুণ্ঠন কৰাৰ তথ্য পোহৰলৈ আহিছে তদন্তত। অৱশ্যে বৰ্তমানলৈ মৰিগাঁও আৰক্ষীয়ে ছাইবাৰ চক্ৰৰ পৰা ১ কোটি ২০ লাখ টকা, ওভতাই আনিবলৈ সক্ষম হৈছে। জিলাখনত সন্ত্ৰাস চলোৱা ছাইবাৰ অপৰাধী সকল ইমানেই ধুৰ্ত যে একাংশই এনে অপৰাধ কৰি আৰক্ষীৰ পৰা সাৰিবৰ বাবে ঘৰৰ চিলিঙিত নৈশযাপন কৰাৰ দৰে ঘটনাও পোহৰলৈ আহিছে। আৰক্ষী বিষয়া গৰাকীয়ে জানিব দিয়া মতে অকল ছাই বাৰ অপৰাধীৰ বিৰুদ্ধে এনে অভিযানতে সীমাবদ্ধ নাথাকি আদালতত আইনী যুঁজতো অৱতিৰ্ণ হৈ অসমৰ ভিতৰতে প্ৰথম বাৰৰ বাবে ছাই বাৰ অপৰাধীৰ কোটি টকীয়া ভূমি সম্পত্তি পৰ্যন্ত জব্দ কৰা হৈছে মৰিগাঁৱত। অৱশ্যে ইমানৰ পাছতো চাইবাৰ চক্ৰৰ ঘাটিত নল মৰি যেন গজালি মেলাৰ দৰে শেহতীয়াকৈ একাংশ কলেজীয়া ছাত্ৰও ছাইবাৰ অপৰাধ জগতত ভৰি দিয়া ঘটনাই স্থানীয় সচেতন মহলক চিন্তিত কৰি তুলিছে।

### নিজৰ মুৰত কণী, গেলা বিলাহী ভাঙি অভিনৱ পন্থাৰে চৰকাৰৰ দৃষ্টি আকৰ্ষণৰ চেষ্টা

# আমগুৰিত উন্নয়ন স্থবিৰতাৰ অভিযোগেৰে অসমীয়া যুৱ মঞ্চৰ উত্তাল প্ৰতিবাদ

### মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ




**অসম বাৰ্তা, আমগুৰি, ১৪ ফেব্ৰুৱাৰী ঃ** অসমত সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়াত বিলুপ্ত হোৱা আমগুৰি সমষ্টিত সামগ্ৰিক উন্নয়ন স্থবিৰ হৈ পৰা আৰু চৰকাৰী পক্ষৰ দ্বাৰা উপেক্ষিত হোৱা বুলি অভিযোগ উত্থাপন কৰি আজি আমগুৰি নগৰত অসমীয়া যুৱ মঞ্চই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। আমগুৰি নগৰৰ মাজমজিয়াত ৰূপায়িত প্ৰতিবাদী কাৰ্যসূচীত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সহ-সম্পাদক আকাশ শইকীয়াই অভিনৱ পন্থাৰে প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁ নিজৰ মূৰতেই কণী আৰু গেলা বিলাহী ভাঙি চৰকাৰী পক্ষৰ আমগুৰিৰ প্ৰতি প্ৰদৰ্শন কৰা উপেক্ষাৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। প্ৰতিবাদত অংশগ্ৰহণকাৰী সংগঠনটোৰ সদস্যসকলে অভিযোগ কৰে যে সমষ্টি কৰ্তনৰ পিছতেই আমগুৰি অঞ্চলত উন্নয়নৰ গতি স্তিমিত হৈ পৰিছে। বিশেষকৈ আমগুৰি চিকিৎসালয়ত পৰ্যাপ্ত সুবিধাৰ অভাৱ, আমগুৰি নাট্যমন্দিৰ সম্পূৰ্ণ হৈনুঠা, আমগুৰি ষ্টেডিয়াম মুকলি নোহোৱা, পৰিদৰ্শন বঙলাৰ জৰাজীৰ্ণ অৱস্থা আৰু আমগুৰি ভৱনৰ ব্যৱহাৰ সম্পৰ্কে স্পষ্টনীতি নথকাৰ বিষয় উত্থাপন কৰে। তেওঁলোকে লগতে কয় যে ৰাজনৈতিকভাৱে সমষ্টি কৰ্তনৰ সিদ্ধান্ত লোৱাৰ পিছতেই আমগুৰি অঞ্চলটো চৰকাৰীভাৱে উপেক্ষিত হৈ পৰিছে। পৰিদৰ্শন বঙলাটো ভাঙি উৰলি যোৱা, চিকিৎসালয়ত ৰোগীসকলৰ বাবে প্ৰয়োজনীয় সুবিধা নথকা আৰু মিনি ষ্টেডিয়াম নিয়মীয়াকৈ মুকলি নকৰাৰ দৰে সমস্যাসমূহৰ অতিশীঘ্ৰে সমাধানৰ দাবী জনায় সংগঠনটোৱে। গুৱাহাটীস্থ আমগুৰি ভৱন আমগুৰিবাসীৰ বাবে উন্মুক্ত কৰাৰো দাবী উত্থাপন কৰে প্ৰতিবাদকাৰীসকলে। লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিজেপি চৰকাৰ আৰু স্থানীয় বিধায়ক প্ৰদীপ হাজৰিকাৰ বিৰুদ্ধেও সোচ্চাৰ হৈউঠে প্ৰতিবাদকাৰীসকল। আমগুৰি সমষ্টি কৰ্তনৰ পিছত অঞ্চলটোৰ সামগ্ৰিক উন্নয়ন পুনৰ গতিশীল কৰাৰ দাবীত অসমীয়া যুৱ মঞ্চই আগন্তুক দিনতো আন্দোলন অব্যাহত ৰাখিব বুলি জানিবলৈ দিয়ে। প্ৰতিবাদৰ অন্তত সংগঠনটোৱে আমগুৰি আঞ্চলিকৰ তৰফৰপৰা ৰাজহ চক্ৰ বিষয়াৰ যোগেদি মুখ্যমন্ত্ৰীলৈ ওপৰত উল্লিখিত সমস্যাসমূহ সমাধানৰ দাবীত এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰা হয়।

### প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিমূৰ্ত্তি দাহ

# গেলেকীত আদিবাসী ছাত্ৰ সন্থাৰ উত্তাল প্ৰতিবাদ



**অসম বাৰ্তা, গেলেকী, ১৪ ফেব্ৰুৱাৰী ঃ** সমাগত ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচন। এনে সময়তে উজনি অসমত দেখা গৈছে দল সংগঠনৰ শাসনাধিষ্ঠ চৰকাৰখনৰ প্ৰতি ক্ষোভ। নাজিৰা সম-জিলাৰ অন্তৰ্গত গেলেকীত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমান্ত বিশ্ব শৰ্মাৰ প্ৰতিমূৰ্ত্তি দাহ কৰি প্ৰতিবাদ সাব্যস্ত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই। কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে গেলেকী আঞ্চলিক সমিতিৰ উদ্যোগত আৰু নাজিৰা আঞ্চলিক সমিতিৰ সহযোগত চাহ জনজাতি লোকসকলৰ জনজাতি মৰ্যাদা প্ৰদান কৰা, ভূমি পট্টা প্ৰদান কৰা, চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৫৫১ টকালৈ বৃদ্ধি কৰাৰ দাবীত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে সংগঠনটোৱে। নৰেন্দ্ৰ মোদী মুৰ্দাবাদ, হিমান্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, বিজেপি গ' বেক ইত্যাদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তুলে গেলেকীৰ পৰিৱেশ উত্তাল কৰি তুলে। বিধান সভাৰ নিৰ্বাচনৰ পূৰ্বে এই দাবী কেইটা পুৰণ কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনাই সংগঠনটোৱে। নিৰ্বাচনৰ পূৰ্বে দাবী সমূহ পুৰণ নকৰিলে বাগিচা অঞ্চলত ৰাজনৈতিক দলৰ নেতা কৰ্মীক প্ৰৱেশত বাধা আৰোপ কৰিব বুলিও হুংকাৰ প্ৰদান কৰে সংগঠনটোৱে। শাসনাধিষ্ঠ ৰাজ্য চৰকাৰখনে চাহ শ্ৰমিক সকলক ভূমি পট্টা দিবৰ বাবে বৰ্তমান যোঁ-জা চলাইছে যদিও এই ব্যৱস্থাত আশ্বস্ত হব পৰা নাই সংগঠনটো। সেয়েহে নিৰ্বাচনৰ পূৰ্বে এই কেইটা দাবী পূৰণ নকৰিলে চাহ বাগিচা অঞ্চলত ৰাজনৈতিক দলৰ প্ৰৱেশ নিষিদ্ধ কৰিব বুলি হুংকাৰ জনাইছে সংগঠনটোৱে। এই কাৰ্যসূচীত উপস্থিত আছিল আছা শিৱসাগৰ জিলা সমিতি উপ-সভাপতি বিতুল কুৰ্মী আৰু সাধাৰণ সম্পাদক অজয় ভূঞা গেলেকী আঞ্চলিক সমিতিৰ সম্পাদক সনাতন বৰাইক আৰু আঞ্চলিকৰ সদস্যসকল।

### গছ ভাঙি পৰাত থিতাতে মৃত্যু যুৱকৰ, আৰক্ষীৰ তদন্ত আৰম্ভ

# মিছামাৰীত তামোল চুৰি কৰিবলৈ গৈ ভয়ংকৰ পৰিণতি

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৪ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত মিছামাৰীৰ পাতিদৈ ভেৰেলা গাঁৱত সংঘটিত হৈছে এক শোকাবহ আৰু অভাৱনীয় ঘটনা। "এশ গৰু মাৰিলে বাঘৰো মৰণ" — এই আপ্তবাক্য যেন আখৰে আখৰে ফলিয়ালে এই ঘটনাই। প্ৰাপ্ত তথ্য অনুসৰি, গাঁওখনৰ বাসিন্দা জীৱন বিশ্বাসৰ তামোল বাগিছাত যোৱা নিশা তামোল চুৰি কৰিবলৈ গৈছিল ৰছিদুল হুছেইন নামৰ এজন যুৱক। নিশাৰ আন্ধাৰত গোপনে তামোল গছত উঠি ফল ছিঙিবলৈ চেষ্টা কৰিছিল বুলি স্থানীয় সূত্ৰে জনাইছে। কিন্তু দুৰ্ভাগ্যবশতঃ গছত উঠাৰ কিছুসময় পাছতেই হঠাতে গছডাল ভাঙি যায় আৰু যুৱকজন মাটিত পৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ঘটনাস্থলীতে তেওঁৰ মৃত্যু হয় বুলি অনুমান কৰা হৈছে। পুৱা ঘটনাটো জানিব পাৰি স্থানীয় লোকসকলে আৰক্ষীক খবৰ দিয়ে। ইতিমধ্যে মিছামাৰী আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰনোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলত চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষীয়ে অস্বাভাৱিক মৃত্যুৰ এটা গোচৰ ৰুজু কৰি ঘটনাটোৰ সকলো দিশ তদন্ত কৰি আছে বুলি জানিব পৰা গৈছে। স্থানীয় লোকসকলে কয় যে, এনে ঘটনা গাঁওখনত পূৰ্বে কেতিয়াও সংঘটিত হোৱা নাছিল। ঘটনাটোৱে পুনৰবাৰ সতৰ্কবাণী হিচাপে কাম কৰিছে যে অবৈধ কাম-কাজৰ ফল কেতিয়াবা ভয়ংকৰ পৰিণতিলৈ লৈ যাব পাৰে।

### নতুন শিক্ষাবৰ্ষৰ পৰা আৰম্ভ হ'ব চাৰি বছৰীয়া আইটিইপি পাঠ্যক্ৰম; উৎফুল্ল পুৰণিগুদামবাসী

# পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়লৈ এনচিটিইৰ স্বীকৃতি

**অসম বাৰ্তা, পুৰণিগুদাম, ১৪ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয় লাভ কৰিছে এক সফলতা। ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদৰ পূৰ্বীয় আঞ্চলিক সমিতিয়ে মহাবিদ্যালয়খনত চাৰি বছৰীয়া সংহত শিক্ষক শিক্ষা কাৰ্যসূচী আৰম্ভ কৰাৰ বাবে আনুষ্ঠানিভাৱে স্বীকৃতি লাভ কৰিছে। যোৱা ৯ ফেব্ৰুৱাৰীত এন চি টি ইৰ ৩৯০ সংখ্যক বৈঠকত এই গুৰুত্বপূৰ্ণ সিদ্ধান্তগ্ৰহণ কৰা হয়। ইয়াৰ লগে-লগে মহাবিদ্যালয়খনত আগন্তুক ২০২৬-২০২৭ শিক্ষা বৰ্ষৰ পৰা বি এ, বি এড পাঠ্যক্ৰম আৰম্ভ হ'ব। প্ৰথম পৰ্যায়ত এটা ইউনিটত ৫০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে এই অনুমতি প্ৰদান কৰা হৈছে। মহাবিদ্যালয়খনৰ এই সফলতাৰ কথা উল্লেখ কৰি অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাসে সংবাদ-মাধ্যমক কয় যে, এই স্বীকৃতি আমাৰ মহাবিদ্যালয়খনৰ বাবে এক গৌৰৱৰ ক্ষণ। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ লক্ষ্যৰ সৈতে সংগতি ৰাখি আৰম্ভ কৰা এই পাঠ্যক্ৰম মধ্য অসমৰ ছাত্ৰ-ছাত্ৰীক শিক্ষকতা বৃত্তিৰ বাবে বিশেষভাৱে উপকৃত কৰিব। ইয়াৰ দ্বাৰা স্নাতক আৰু বি এড ডিগ্ৰী একেলগে ৪ বছৰতে লাভ কৰিব পৰা যাব। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ভাৰ্গৱ দাসে এই প্ৰক্ৰিয়াটো সফল কৰাৰ বাবে অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু পৰিচালনা সমিতিক ধন্যবাদ জনায়। গুণগত শিক্ষা আৰু উন্নত শিক্ষক প্ৰশিক্ষণৰ ক্ষেত্ৰত মহাবিদ্যালয়খনে সদাই নিষ্ঠাৰে কাম কৰি যাব। উল্লেখযোগ্য যে, এন চি টি ইৰ সকলো নীতি-নিৰ্দেশনা আৰু মানদণ্ড সফলতাৰে পুৰণ কৰাৰ বাবে মহাবিদ্যালয়খনক এই স্বীকৃতি প্ৰদান কৰা হৈছে। মহাবিদ্যালয়খনৰ এই সফলতাত পুৰণিগুদামৰ লগতে নগাঁও জিলাৰ শৈক্ষিকমহল উৎফুল্ল হৈ পৰিছে।

# পুঠিমাৰী মহাবিদ্যালয়ত নামনি অসমৰ প্ৰথমতো ড্ৰোন প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**অসম বাৰ্তা, চাংসাৰি, ১৪ ফেব্ৰুৱাৰী ঃ** ৰঙিয়া সমজিলাৰ অন্তৰ্গত পুঠিমাৰী মহাবিদ্যালয়ত নামনি অসমৰ প্ৰথম ড্ৰ'ন প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰা হয়। এই কেন্দ্ৰটোৱে অঞ্চলটোৰ যুৱ শক্তিৰ মাজত নবীন প্ৰযুক্তিৰ প্ৰসাৰ আৰু কেৰিয়াৰৰ নতুন দুৱাৰ মুকলি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। কামৰূপ জিলাৰ কমলপুৰ ৰাজহ চক্ৰৰ পুঠিমাৰী মহাবিদ্যালয়ত এমট্ৰন (একাডেমী অফ মডাৰ্ন টেকনিকেল এণ্ড ৰিচাৰ্চ অৰ্গেনাইজেচন)ৰ সহযোগত নামনি অসমৰ প্ৰথম ড্ৰ'ন প্ৰশিক্ষণ কেন্দ্ৰটো মুকলি কৰা হ'য়। কেন্দ্ৰটোৰ উদ্বোধন কৰে এমট্ৰনৰ অধ্যক্ষ তথা বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। এই উদ্যোগে প্ৰযুক্তিগত শিক্ষাক মহাবিদ্যালয়ৰ শিক্ষাৰ লগত একত্ৰিত কৰাৰ এক যুগান্তকাৰী পদক্ষেপ। এই প্ৰশিক্ষণ কেন্দ্ৰত প্ৰতি সপ্তাহত পাঁচ দিনকৈ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা ৰখা হৈছে। প্ৰশিক্ষণকাৰ্যসূচীত ড্ৰ'নৰ মৌলিক গঠন, উৰণ নিয়ন্ত্ৰণ, এফআৰচি (ফেডাৰেল এভিয়েশ্যন ৰেগুলেটৰী চৰ্তাৱলী)ৰ নীতি-নিয়ম, ডাটা এনালিচিছ, ড্ৰ'নৰ ব্যৱহাৰিক অনুপ্ৰয়োগ আদি বিষয় সামৰি লোৱা হৈছে। প্ৰশিক্ষণৰ শেষত অংশগ্ৰহণকাৰীসকলক এমট্ৰনৰ দ্বাৰা স্বীকৃতিপত্ৰ প্ৰদান কৰা হ'ব। পুঠিমাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ নিত্যানন্দ কলিতাই কৈছে যে আগ্ৰহী যুৱক-যুৱতীসকলে মহাবিদ্যালয়ৰ এই কেন্দ্ৰত প্ৰশিক্ষণ ল'ব পাৰিব। তেওঁ বিশেষকৈ গ্ৰাম্য পৰিৱেশৰ ছাত্ৰ-ছাত্ৰীসকলক এই সুবিধাৰ পৰা উপকৃত হ'বলৈ উৎসাহিত কৰিছে। মহাবিদ্যালয়ৰ নামভৰ্তিৰ ব্যৱস্থাৰে আহিলে অতি কম খৰচত এই প্ৰশিক্ষণ লোৱা সম্ভৱ হ'ব। ইয়াৰ বাবে মহাবিদ্যালয়ৰ বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ উপৰিও বাহিৰৰ যিকোনো আগ্ৰহী ব্যক্তিয়ে নামভৰ্তি কৰিব পাৰিব। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত চিকিৎসক হিতেন কলিতাই তেখেতৰ ভাষণত কয় যে কৃষি, উদ্যোগ, সভা-সমিতি আদি বিভিন্ন ক্ষেত্ৰত ড্ৰ'নৰ ব্যৱহাৰৰ সুবিধা থকাৰ বাবে এই প্ৰশিক্ষণৰ বিশেষ গুৰুত্ব আছে। কৃষি ক্ষেত্ৰত ড্ৰ'নেৰে শস্য নিৰীক্ষণ, কীটনাশক ছটিওৱা, মাটিৰ গুণাগুণ বিচৰণ কৰা আদি কাম সম্ভৱ। উদ্যোগিক ক্ষেত্ৰত ই ইনভেণ্টৰি মেনেজমেণ্ট, নিৰ্মাণ কাম-কাজৰ তদাৰকি আদিত সহায় কৰে। তদুপৰি, ভূ-সৰ্বেক্ষণ, দূৰসংকেত যোগাযোগ, দূৰৱৰ্তী স্থানলৈ ঔষধ-পাতি প্ৰেৰণ, দুৰ্যোগ ব্যৱস্থাপনা, চিনেমাটোগ্ৰাফী আদি বহুতো ক্ষেত্ৰত ড্ৰ'নৰ ব্যৱহাৰ দিনক দিনে বৃদ্ধি পাইছে। সেয়ে এই প্ৰশিক্ষণে যুৱ সমাজক স্বাৱলম্বী হোৱাত সহায় কৰাৰ লগতে অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়নতো অৰিহণা যোগাব। এই প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনে স্থানীয় যুৱক-যুৱতীসকলক ৰাষ্ট্ৰীয় প্ৰযুক্তি মূলসুঁতিৰ লগত সংযুক্ত কৰাৰ লগতে তেওঁলোকক স্ব-নিয়োজিত হোৱাৰ সুযোগো সৃষ্টি কৰিব। ইয়াৰ দ্বাৰা অঞ্চলটোৰ পৰা প্ৰযুক্তিবিদ্যাৰ প্ৰতি আগ্ৰহী প্ৰতিভাসমূহ বিকশিত হোৱাৰ সম্ভাৱনাও বৃদ্ধি পাব।

# গোসাঁইগাঁৱৰ সংকোষ নদীৰ চৌধুৰী ঘাটত ঐতিহাসিক খেৰাই পূজাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৪ ফেব্ৰুৱাৰী ঃ** গোসাঁই গাঁও মহকুমাৰ অন্তৰ্গত অসম-বংগ সীমান্তৰ সংকোষ নদীৰ পাৰত বড়ো জনগোষ্ঠীৰ পবিত্ৰ খেৰাই পূজা উৎসৱ মুকলি সভাত ভাগ লয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। ভাৰত ভূটান তথা পশ্চিমবংগ সীমান্তৱৰ্তী সংকোষ নদীৰ চৌধুৰী ঘাটত এক উৎসৱ মুখৰ পৰিৱেশ। ১১ ফেব্ৰুৱাৰীৰ পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা খেৰাই পূজাৰ আজি তৃতীয় দিন। আজি ৰাতিপুৱা কেন্দ্ৰীয়ভাৱে খেৰাই পূজাৰ পতাকা উত্তোলনৰ লগে লগে একেলগে ৪২খন জিলা সমিতিয়ে পতাকা উত্তোলন কৰে দুলাৰায় "গুদি বাথৌ" আফাদৰ পতাকা। খেৰাই পূজা উপলক্ষে অসমৰ উপৰি পশ্চিম বংগ, ভূটান, নেপাল আৰু বাংলাদেশৰ জিলা সমিতি উপস্থিত থাকি শ্বহীদ বেদীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজি অনুষ্ঠিত মুকলি সভাত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বিটিচিৰ প্ৰধান হাগ্ৰামা মহিলাৰী, মন্ত্ৰী চৰণ বড়ো, বিধায়ক ৰবিৰাম নাৰ্জাৰীৰ উপৰি বিটিচিৰ কাৰ্যবাহী সদস্য, এম চি এল এ সকল উপস্থিত থাকি বড়োসকলৰ ঐতিহ্যমণ্ডিত খেৰাই পূজা সাফল্য মণ্ডিত কৰি তোলে। উক্ত কাৰ্যসূচীৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰী গৰাকীয়ে সংকোষ নদীৰ ঘাটত "খেৰাই বাথৌ"



মন্দিৰৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে দুলাৰায় "গুদি বাথৌ" সংকোষ খেৰাই কমপ্লেক্সৰ বাবে ৫০ কৌটি টকাৰ অনুদান দিব বুলি মুকলি সভাত ভাষণত মুখ্যমন্ত্ৰীৰ মন্তব্যত উল্লেখ কৰে। আজি সংকোষ নদীৰ পাৰত খেৰাই পূজা কৰিব পাৰি অসমৰ মুখ্যমন্ত্ৰীয়ে নিজকে ধন্য বুলি প্ৰকাশ কৰে। আজি পবিত্ৰ বাথৌ পূজাত মুখ্যমন্ত্ৰীয়ে উপস্থিতিয়ে বড়োসকলৰ বাবে গৌৰৱৰ বিষয় বুলি আভ্যৰ্থনা সমিতিৰ সভাপতি তথা বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে উল্লেখ কৰে।

### ছয়গাঁৱৰ মাজগুমীৰ যুৱকৰ লগত সংঘটিত এই কাণ্ড

# হানি ট্ৰেপিং কৰি এগৰাকী যুৱতীয়ে এজন যুৱকৰ পৰা সৰকালে ৩৫ লাখ টকা

**ছয়গাঁও, ১৪ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱত সংঘটিত হৈছে এক হানি ট্ৰেপিংৰ ঘটনা। বিগত পাঁচটা বছৰে প্ৰেমৰ চলনাৰে এগৰাকী যুৱতীয়ে ছয়গাঁও মাজগুমীৰ এজন যুৱকৰ পৰা সৰকালে ৩৫ লাখ টকা। আনহাতে ছয়গাঁৱৰ নোৱাপাৰাৰ আন এজন যুৱকৰ সৈতেও যুৱতী গৰাকীয়ে প্ৰেমৰ সম্পৰ্ক স্থাপন কৰি ৰচনা কৰিছিল শৰযন্ত্ৰৰ জাল। ৰহস্যময়ী যুৱতী গৰাকী মৰিগাঁৱৰ প্ৰেৰণা শৰ্মা বুলি জানিব পৰা গৈছে। আনহাতে যুৱক দুজনক মহিলা গৰাকীয়ে কুকী শৰ্মা বুলি কৈছিল। টকা নিদিলেই যুৱতীগৰাকীয়ে আত্মহত্যাৰ ভাবুকি দিছিল মাজগুমীৰ যুৱক গৰাকীক। যুৱকজনক VIDEO call কৰি মৃত্যুৰ ভাবুকি দিয়ে যুৱতীগৰাকীয়ে। শেহতীয়াকৈ ২ লাখ ৬৫ হাজাৰ দাবী কৰিছিল মাজগুমীৰ যুৱকজনক। নিদিলে VIDEO call ভাইৰেল কৰাৰ ভাবুকি দিছিল। উপায়ন্তৰ হৈ যুৱকগৰাকীয়ে শুক্ৰবাৰে ছয়গাঁও আৰক্ষীৰ ওচৰ চাপিছিল। লগে লগে ছয়গাঁও থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিজয় দুৱাৰাই ঘটনাটো গুৰুত্বসহকাৰে লৈ তদন্ত আৰম্ভ কৰে। শুক্ৰবাৰে যুৱতী গৰাকীয়ে যুৱকজনৰ পৰা দুই লাখ ৬৫ হাজাৰ টকা ছয়গাঁৱৰ এখন চাহ দোকানলৈ নিবলৈ আহি ছয়গাঁও আৰক্ষীৰ জালত পৰে। সম্প্ৰতি ছয়গাঁও থানাই যুৱতীগৰাকীক জেৰা অব্যাহত ৰাখি গুৱাহাটীলৈ প্ৰেৰণ কৰে। ভুক্তভোগী যুৱকজনে ছয়গাঁও থানাত ৩০০ পৃষ্ঠাজোৰা প্ৰমাণ লৈ আৰক্ষী কাষ চাপি এজাহাৰ দাখিল কৰে।

# যোৰহাটত অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস পালন

### বৰ্ষীয়ান বিজ্ঞানীক সম্বৰ্ধনা

**অসম বাৰ্তা, যোৰহাট, ১৪ ফেব্ৰুৱাৰী ঃ** অসম বিজ্ঞান সমিতিৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি ৰাজ্যখনৰ অন্য শাখাৰ লগতে যোৰহাট শাখায়ো পালন কৰে। যোৰহাট বিজ্ঞান সমিতিৰ বৰভেটাত অৱস্থিত বিজ্ঞান চৌহদত ড° ৰাজেন্দ্ৰ প্ৰসাদ দাসে পুৱা পতাকা উত্তোলনেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। যোৰহাট চোলাধৰাৰ অসম ছল্ট ব্ৰুক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত দিৱস উপলক্ষে হোৱা মুকলি সভাত বৰ্ষীয়ান বিজ্ঞানী ড° বীৰেন্দ্ৰ নাথ গোস্বামীক কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা প্ৰদান কৰা প্ৰশস্তি-পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা জনাব লগীয়া অন্য দুজন বিজ্ঞানী ড° চৌধুৰী নাথ শইকীয়া আৰু সূৰ্য গগৈ স্বাস্থ্যজনিত কাৰণত সভাত উপস্থিত থাকিব নোৱাৰিলে। বিজ্ঞান সমিতিৰ যোৰহাট শাখাৰ কাৰ্যকৰী সভাপতি ড° বিমলা প্ৰসাদ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত ভাৰপ্ৰাপ্ত সম্পাদক ড° দণ্ডেশ্বৰ দত্তই অসম বিজ্ঞান সমিতিয়ে অসম বিজ্ঞান দিৱস হিচাপে পালন কৰা প্ৰতিষ্ঠা দিৱস আৰু সমিতিৰ কামকাজৰ বিষয়ে অৱলোকন কৰে। অনুষ্ঠানত অসম বিজ্ঞান দিৱসৰ বক্তৃতা প্ৰদান কৰি টোকোলাই চাহ গৱেষণা প্ৰতিষ্ঠানৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানী ড° প্ৰদীপ তামুলীয়ে চেন্সৰ আৰু ইয়াৰ প্ৰয়োগ সম্পৰ্কে বিস্তৃত ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত বিদ্যালয়খনৰ মুৰব্বী ড° জেহিৰুল আহমদ, বিজ্ঞানী ড° ৰমেশ চন্দ্ৰ বৰুৱা, ড° শোভন চন্দ্ৰ নাথে বক্তব্য আগবঢ়ায়। বিজ্ঞান সমিতিৰ যুটীয়া সম্পাদক ড° প্ৰশান্ত হাজৰিকাই শলাগ জনোৱা অনুষ্ঠানত কৃষিবিজ্ঞানী ড° ৰাজেন্দ্ৰ প্ৰসাদ দাস, ড° ৰাজীৱ গোস্বামী, ড° ঈশ্বৰ চন্দ্ৰ বৰুৱা, ড° পুলকজ্যোতি ভূঞা, ড° নিৰ্মলা শৰ্মা, ওম প্ৰকাশ চাহু, শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।

# নাজিৰাৰ লখিমীপুখুৰীত শ্ৰীমদ্ভাগৱত পাঠ আৰু ব্যাখ্যানুষ্ঠানৰ আয়োজন

**অসম বাৰ্তা, নামতি, ১৪ ফেব্ৰুৱাৰী ঃ** নাজিৰাৰ লখিমী পুখুৰী জয়খামদাং খাট্ গাঁৱৰ ৰাইজৰ উদ্যোগত ১নং লখিমী পুখুৰী জয়খামদাং খাট্ গাঁৱৰ নামঘৰত অহা ৫, ৬, ৭, ৮ আৰু ৯ মাৰ্চত পাঁচদিনীয়া কাৰ্যসূচীৰে বৈকুণ্ঠৰ কল্পতৰু শ্ৰীমদ্ভাগৱত পাঠ আৰু ব্যাখ্যানুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানৰ কাৰ্যক্ৰমণিকা অনুসৰি ৫ মাৰ্চত পুৱা ৭ বজাত ভাগৱত ভ্ৰমণ আৰু সন্ধিয়া ৫ বজাত গৃহে গৃহে বন্তি প্ৰজ্বলন কৰা হ'ব। ৬ মাৰ্চত পুৱা ৪ বজাত উষা কীৰ্তনেৰে কাৰ্যসূচী আৰম্ভ কৰিব তৰুণ ভাগৱতী আৰু তেওঁৰ সহযোগীসকলে। পুৱা ৭ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব চন্দ্ৰধৰ গগৈয়ে। স্মৃতি তৰ্পণ কৰিব ৰূপেশ্বৰ ৰাজখুৱাই। উক্ত কাৰ্যসূচীত বক্তব্য প্ৰদান কৰিব দিলীপ কুমাৰ গগৈয়ে। পুৱা ৯ বজাত শৰাই উছৰ্গা কৰিব টংকেশ্বৰ গগৈয়ে। ৯.৩০ বজাত গৌতম গোস্বামীৰ পৰিচালনাত নাম প্ৰসঙ্গ অনুষ্ঠিত হ'ব। পুৱা ১০.৩০ বজাত ভাগৱত পাঠ অনুষ্ঠানৰ উদ্বোধন কৰিব বাৰেঘৰ সত্ৰৰ সত্ৰাধিকাৰ ইন্দুভূষণ মহন্তই। ভাগৱত পাঠ আৰু ব্যাখ্যানুষ্ঠানৰ শুভাৰম্ভ কৰিব মুখ্য পাঠাচাৰ্য দেবোৰাম কোঁৱৰে। পাঠাচাৰ্য হিচাপে অংশগ্ৰহণ কৰিব চুচন গগৈ, পোণা বৰুৱা, ৰক্তিম গগৈ, খগেশ্বৰ মহন, ৰাকেশ গগৈ আৰু উদ্ধৱ দিহিঙ্গীয়াই। উক্ত দিনা ব্যাখ্যাকাৰক হিচাপে উপস্থিত থাকিব মন ৰাজগুৰু। ৭ মাৰ্চৰ কাৰ্যসূচীত সন্ধিয়া ব্যাখ্যাকাৰক হিচাপে উপস্থিত থাকিব মাধুৰ্য বৰা। ৮ মাৰ্চৰ সন্ধিয়া ভাগৱত ব্যাখ্যাকাৰক হিচাপে উপস্থিত থাকিব জগত বণিয়া। ৯ মাৰ্চত দিনৰ ১১ বজাত ভাগৱত পাঠৰ সামৰণি পৰাৰ পিছতে নাম প্ৰসঙ্গ অনুষ্ঠিত হ'ব। অনুষ্ঠানভাগিৰ লগত সংগতি ৰাখি সন্ধিয়া ৮ বজাৰ পৰা "নৃসিংহ মুৰাৰী" নাট ভাওনাখনি প্ৰদৰ্শন কৰা হ'ব। উক্ত অনুষ্ঠানৰ সমূহ কাৰ্যসূচীত ভক্ত প্ৰাণ ৰাইজৰ দিহা পৰামৰ্শ, সহায়-সহযোগিতা কামনা কৰিছে নামঘৰ পৰিচালনা সমিতিৰ হৈ সভাপতি পলাশ বৰা, সম্পাদক বিতুল গগৈৰ লগতে উদযাপন সমিতিৰ হৈ সভাপতি ৰাজেন গগৈ, কাৰ্যকৰী সভাপতি দিলীপ টাইৰাই, সম্পাদক কিৰণ গগৈ, সহঃসম্পাদক আকাশ টাইৰাই আৰু মনোজ কুমাৰ গগৈয়ে।

**“ৰাইজে অগপ-বিজেপিক ভোট দিলে জাতি আৰু দেশ নাবাচে কিন্তু কংগ্ৰেছৰ বিধায়কে দিলে দিলে বাচে”**

# ৰাষ্ট্ৰপতি নিৰ্বাচনত মিত্ৰজোটৰ প্ৰাৰ্থীক ভোট দি জয়ী কৰোৱাৰ বাবে ৯২ শতাংশ সংখ্যালঘুৰে গঠিত সৃজনগ্ৰাম সমষ্টি উপহাৰ দিছে চৰকাৰেঃ ভূপেন ৰায়




**অসম বাৰ্তা, কোকিলা, ১৪ ফেব্ৰুৱাৰী ঃ** সমাগত বিধানসভা নিৰ্বাচন। নিৰ্বাচনত প্ৰতিদন্দিতা কৰিবৰ বাবে প্ৰতিটো দলেই কঁকালত টঙালি বান্ধি থিয় দিছে। নিজৰ প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে দলীয় কৰ্মী সকলে। বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম সমষ্টিৰ গোলাপাৰাত অসম গণ পৰিষদ দলৰ বুথ সন্মিলনত ৰাইজৰ সঁহাৰিত সন্তুষ্টি প্ৰকাশ অগপ প্ৰাৰ্থী ছাহিদুল হকৰ লগতে প্ৰাক্তন বিধায়ক ভূপেন ৰায়। বুথ সন্মিলন সভাৰ সভাপতি পৰেশ দাসৰ সভাপতিত্বত অনুষ্ঠিত হয় সভাখন। সভাত উপস্থিত থাকে কেন্দ্ৰীয় কমিটিৰ উপ সভাপতি তথা গোৱালপাৰা পুব সমষ্টিৰ প্ৰাক্তন বিধায়ক জতিশ দাস, কেন্দ্ৰীয় কমিটিৰ সাধাৰণ সম্পাদক তথা চাৰিবাৰৰ প্ৰাক্তন বিধায়ক ভূপেন ৰায়, কেন্দ্ৰীয় কমিটিৰ প্ৰতিনিধি উমেশ ঠাকুৰীয়া, বালুকডুবি জিলা পৰিষদৰ সদস্য আব্দুৰ ৰহিম জিব্ৰান, বঙাইগাঁও জিলা কমিটীৰ সাধাৰণ সম্পাদক ৰহিজুল ইছলাম, সৃজনগ্ৰাম সমষ্টি কমিটীৰ সভাপতি আব্দুল হক, উপ সভাপতি জাহিদুল ইছলাম, সাধাৰণ সম্পাদকদ্বয় ক্ৰমে আক্ৰাম আলী আৰু আনিচুল চৌধুৰীকে আদি বিভিন্ন পৰ্যায়ৰ নেতা কৰ্মী সকল উপস্থিত থাকে। সভাত ভাষণত প্ৰসংগত ভালুকডুবি জিলা পৰিষদ সদস্য আব্দুৰ ৰহিম জিব্ৰানে কয় যে বিজেপিৰ উচ্ছেদ অবৈধ নহয়, এই উচ্ছেদৰ বিষয়ে বিজেপিৰ নিৰ্বাচনী ইস্তাহাৰত উল্লেখ আছিল লগতে কয় যে মিত্ৰজোটৰ চৰকাৰ থাকিলে য'ত য'ত অগপ প্ৰাৰ্থী জয়ী হ'ব তাত তাত উচ্ছেদ নহয় আৰু কয় যে ’২৬ত চৰকাৰ মিত্ৰজোটৰ নিশ্চিত, ২৬ত চৰকাৰ হ'লে চৰে চৰে চৰকাৰী ভূমিত উচ্ছেদ চলিব। ইয়াৰ পৰা ৰক্ষা পাবলৈ হলে সৃজনগ্ৰামৰ পৰা অগপ প্ৰাৰ্থী ছাহিদুল হকক কৰাব লাগিব তেতিয়াহে ছাহিদুল হকে চৰকাৰক বাধা প্ৰদান কৰিব পাৰিব। কোনো কংগ্ৰেছ্বো এআইইউডিএফৰ নেতাই বাধা দিব নোৱাৰে। বৰ্তমানৰ বিধায়ক আব্দুল বাতিন খন্দকাৰৰ উচ্ছেদ ৰখাব পৰা ক্ষমতা নাই। সভাত উপস্থিত থাকে গোৱালপাৰা পুব সমষ্টিৰ প্ৰাক্তন বিধায়ক জ্যোতিষ দাস। দাসে ভাষণ প্ৰসংগত কয় যে অগপৰ প্ৰতিনিধি থকা কোনো স্থানত উচ্ছেদ নচলে, এয়া খাচাং। ভষণত আওপকীয়াকৈ কয় যে কংগ্ৰেছৰ এগৰাকী বিধায়কে কথা কিছুদিন পূৰ্বে মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান জনাই কৈছিল যে দম আছে যদি মোৰ সমষ্টিত উচ্ছেদ কৰি দেখাওক। মুখ্যমন্ত্ৰীয়ে তেওঁৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি পিছ দিনাৰে পৰাই সেই সমষ্টিত চৰকাৰী ভূমিত উচ্ছেদ কৰিছিল। গতিকে মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান জনাই ৰাইজক বিপদত পেলাই নিজে মুনাফা আদায়ৰ ফন্দি ৰচিছিল। গতিকে মুখ্যমন্ত্ৰীক বাধা দিব পৰা একমাত্ৰ দল অগপ। একেদৰে চাৰিবাৰ বিধায়ক তথা অভয়াপুৰী সমষ্টিৰ অগপ প্ৰাৰ্থী ভূপেন ৰায়ে আমাৰ এক প্ৰশ্নৰ উত্তৰত কয় যে আমি বঙাইগাঁও জিলাৰ তিনিওটা সমষ্টিত প্ৰাৰ্থী আগবঢ়াম আৰু জয়ী হম। মুখ্যমন্ত্ৰীয়ে সাংসদ ফণি ভূষণ চৌধুৰীক যিকোনো এটা সমষ্টি এৰি দিয়াৰ প্ৰস্তাব হে দিছে এতিয়ালৈকে কোনো বুজাবুজি হোৱা নাই। ৰায়ে নাম উল্লেখ নকৰাকৈ কংগ্ৰেছৰ বিধায়কক সমালোচনা কৰি কয় যে সাধাৰণ ৰাইজে অগপক ভোট দিলে জাতি আৰু দেশ নাবাচে কিন্তু কংগ্ৰেছৰ বিধায়কে দিলে জাতি আৰু দেশ দুয়োটাই বাচে। ৰাষ্ট্ৰপতি নিৰ্বাচনত মিত্ৰজোটৰ প্ৰাৰ্থী শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক ভোট দিয়াৰ উপহাৰ স্বৰূপে ৯২ শতাংশ সংখ্যালঘু ভোটাৰৰ সৃজনগ্ৰাম সমষ্টি দিছে। ইয়াৰ পৰা বুজা যায় যে কোন কংগ্ৰেছী বিধায়কে ৰাষ্ট্ৰপতি নিৰ্বাচনত মিত্ৰজোটৰ প্ৰাৰ্থী শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক ভোট দিছিল। লগতে কয় যে কেৱল টিকট পালেই জয় নিশ্চিত বুলি ভাৱি আছে। কোনে ৰাষ্ট্ৰপতি নিৰ্বাচনত ভোট দি ৯২ শতাংশ সংখ্যালঘু সমষ্টি উপহাৰ পালে সেয়া অৱশ্যে উল্লেখ কৰা নাই। সভাখনত পুৰুষ মহিলাকে আদি প্ৰায় ৪ শতাধিক ৰাইজ উপস্থিত থাকে।

# শিৱসাগৰত জিলা আয়ুক্তৰ অধ্যক্ষতাত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বৈঠক সম্পন্ন




**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১৪ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষ মৃদুল য়াদৱৰ অধ্যক্ষতাত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত দুৰ্যোগ সহাঁৰি পুঁজিৰ আঁচনি, পুনঃসংস্থাপনৰ সাহায্য তথা অন্যান্য বিভাগীয় ক্ষতিপূৰণৰ প্ৰতিবেদনসমূহ বিবেচনা আৰু অনুমোদনৰ বাবে উপস্থাপন কৰা হয়। বৈঠকত ইতিমধ্যে লাভ কৰা ১১৪খন তেনে প্ৰতিবেদন সম্পৰ্কে বিতংভাবে আলোচনা কৰাৰ শেষত ১৪, ৫২, ২৩, ৪৮০ টকা পুঁজিৰ বাবদ আটাইকেইখন প্ৰতিবেদনত সৰ্বসন্মতি ক্ৰমে অনুমোদন জনোৱা হয়। তদুপৰি আজিৰ বৈঠকত জিলাখনত আগন্তুক সময়ত সম্ভাব্য বান পৰিস্থিতি সন্দৰ্ভত গ্ৰহণ কৰিবলগীয়া প্ৰস্তুতিমূলক ব্যৱস্থাপনা সম্পৰ্কেও বিস্তৃতভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্ত গৰাকীয়ে সমূহ প্ৰস্তুতিমূলক পদক্ষেপৰ বিষয়ে পুংখানুপুংখ বুজ লৈ, সম্ভাব্য বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিব পৰাকৈ সংশ্লিষ্ট সকলো পক্ষকে সক্ষম আৰু তৎপৰ হৈ থাকিবলৈ আহ্বান জনায় আৰু সাহায্য সামগ্ৰী প্ৰদানৰ ক্ষেত্ৰত কোনো ধৰণৰ ত্ৰুটি নাৰাখিবলৈ নিৰ্দেশ দিয়ে। আজিৰ বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া মীনাক্ষী পেৰ্মে, সহকাৰী আয়ুক্ত চন্দনা জাহ্নৱী, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া ৰূপমজ্যোতি বৰা, ৰাজহ চক্ৰ বিষয়াসকল, পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকল প্ৰমুখ্যে সংশ্লিষ্ট বিভাগীয় বিষয়াসকল আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ ক্ষেত্ৰ পৰ্যায়ৰ বিষয়াসকল উপস্থিত থাকে।

# কেন্দ্ৰীয় বাজেটক লৈ নগাঁৱত বিজেপিৰ ৰাষ্ট্ৰীয় উপসভাপতি বৈজয়ন্ত পাণ্ডাৰ সংবাদমেল

**অসম বাৰ্তা, নগাঁও, ১৪ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় উপসভাপতি তথা দলটোৰ অসমৰ নিৰ্বাচনী প্ৰভাৰী সাংসদ বৈজয়ন্ত জে পাণ্ডাই আজি নগাঁও জিলা বিজেপি কাৰ্যালয়ত এক সংবাদমেল অনুষ্ঠিত কৰি কেন্দ্ৰীয় বাজেটৰ ওপৰত ব্যাখ্যা দাঙি ধৰে। বিজেপিৰ ৰাষ্ট্ৰীয় নেতাগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰৰ বিগত ১১ বছৰীয়া সফলতাৰ বিষয়ে উল্লেখ কৰি কয় যে এসময়ত ভাৰতবৰ্ষক শাসন কৰা ব্ৰিটেইনৰ অৰ্থনীতিক ভাৰতৰ অৰ্থনীতিয়ে দুই-তিনি বছৰ পূৰ্বে অতিক্ৰম কৰিবলৈ সক্ষম হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত আমাৰ দেশ ভাৰতবৰ্ষ বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। ভাৰতবৰ্ষৰ ২৫কোটি লোকে দৰিদ্ৰ সীমাৰেখা অতিক্ৰম কৰিছে। আনহাতে উৎপাদনৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ তৃতীয় বৃহৎ শক্তি হিচাপে স্বীকৃতি লাভ কৰিছে। পূৰ্বৰ ইউ পি এ চৰকাৰৰ কাৰ্যকালত ২০০৪-১৪বৰ্ষৰ তুলনাত ২০২৫-২৬ বৰ্ষত দেশত মুলধন বিনিয়োগ ৪০০ শতাংশৰো অধিক বৃদ্ধি কৰা হৈছে। আনহাতে ইউপিএ চৰকাৰৰ কাৰ্যকালত ২০০৪ বৰ্ষৰ পৰা ২০১৪ বৰ্ষলৈ ১০ বছৰত অসমে কেন্দ্ৰীয় চৰকাৰৰ ৰাজহৰ পৰা মাত্ৰ ৬৪ হাজাৰ কোটি টকা লাভ কৰিবলৈ সক্ষম হোৱাৰ বিপৰীতে বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত এই ধনৰাশি ৩লাখ ১২ হাজাৰ কোটি টকালৈ বৃদ্ধি পাই বুলি পাণ্ডাই জানিবলৈ দিয়ে। আনহাতে কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত অসমক ইউপিএ চৰকাৰে ১০ বছৰত মাত্ৰ ৬৩ হেজাৰ কোটি টকা আবণ্টন দিয়াৰ ইয়াৰ বিপৰীতে বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত কেন্দ্ৰীয় চৰকাৰে অসমক ২লাখ ৫হাজাৰ কোটি টকা মোকোলাই দিছে। বিজেপি নেতা গৰাকীয়ে কয় যে ইউপিএ চৰকাৰৰ প্ৰধানমন্ত্ৰী গৰাকী অসমৰে ৰাজ্যসভাৰ সাংসদ আছিল যদিও অসমক ইউপিএ চৰকাৰে গুৰুত্ব দিয়া নাছিল। আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী বৰ্তমানলৈকে উত্তৰ-পূবৰ ৰাজ্যসমূহলৈ বৰ্তমানলৈকে ৭৬ বাৰ আহিছে আৰু ইয়াৰে ৩৭ বাৰ অসমলৈ আহিছে। ইপিনে বেংকৰ জনধন যোজনাক বিৰোধীয়ে উপহাস কৰা বুলি মন্তব্য কৰি তেওঁ কয় যে জনধন যোজনাৰ সুফল সাধাৰণ ৰাইজে লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী চৰকাৰৰ কাৰ্যকালত অসমত সকলো ক্ষেত্ৰতে অভূতপূৰ্ব উন্নয়ন হোৱা বুলি উল্লেখ কৰি বিজেপিৰ ৰাষ্ট্ৰীয় নেতা গৰাকীয়ে কয় যে ২০১৬লৈকে অসমত মাত্ৰ ৬খন চিকিৎসা মহাবিদ্যালয় স্থাপন হোৱাৰ বিপৰীতে বৰ্তমান অসমত ১৪খন চিকিৎসা মহাবিদ্যালয় সম্পূৰ্ণ হৈ উঠিছে। অহা বছৰলৈকে অসমত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ২১খনলৈকে বৃদ্ধি পাব। তেওঁ আৰু কয় যে অসমলৈ উচ্চমানৰ উদ্যোগ আহিছে। ২৭ হেজাৰ কোটি টকা ব্যয় সাপেক্ষে জাগীৰোডত নিৰ্মাণৰত ছেমিকণ্ডাক্টৰ উদ্যোগৰ কাম দ্ৰুত গতিত আগবাঢ়িছে। আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন চৰকাৰৰ কাৰ্যকালত মহিলাৰ সবলীকৰণ আৰু স্ব-নিৰ্ভৰশীলতাৰ ওপৰত অধিক গুৰুত্ব দিয়া বুলি উল্লেখ কৰি বিজেপিৰ ৰাষ্ট্ৰীয় নেতাগৰাকীয়ে কয় যে লাখপতি আঁচনিৰ জৰিয়তে আমাৰ মহিলাসকল স্বাৱলম্বী হৈছে। সমগ্ৰ দেশৰে প্ৰতিখন জিলাৰ সদৰত মহিলাৰ বাবে হোষ্টেল নিৰ্মাণ কৰা হ'ব। অসমৰ ৩৫খন জিলাত ৩৫টা হোষ্টেল নিৰ্মাণ কৰা হ'ব য'ত বিভিন্ন কামলৈ চহৰলৈ অহা মহিলাই নিৰাপদে থাকিব পাৰিব। আনহাতে গেমিং, এনিমেশ্যন আৰু গ্ৰাফিকছত ২০ লাখ যুৱক-যুৱতীৰ বাবে চাকৰি লক্ষ্য স্থিৰ কৰা হৈছে বুলি উল্লেখ কৰি বিজেপিৰ ৰাষ্ট্ৰীয় নেতা গৰাকীয়ে কয় যে দেশৰ ১৫হাজাৰ বিদ্যালয় আৰু ৫০০ মহাবিদ্যালয়ত ‘কনটেণ্ট ক্ৰিয়েটৰ লেবৰেটৰী’ নিৰ্মাণ কৰা হ'ব। আনহাতে বিগত ৭০ বছৰত দেশত যিমান সংখ্যক বিমান বন্দৰ নিৰ্মাণ কৰা হৈছে তাৰ তুলনাত যোৱা পাঁচ বছৰত দুগুণ বিমান বন্দৰ দেশত নিৰ্মাণ কৰা হ'ল। একেদৰে ৰেলসেৱা আৰু জল পৰিবহণৰ ক্ষেত্ৰত উন্নত দেশৰ লগত তুলনা কৰিব পৰাকৈ ভাৰতবৰ্ষ সাজু হৈ উঠা বুলি তেওঁ মন্তব্য কৰে। সংবাদ মেলত নগাঁও বটদ্ৰবা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ৰঞ্জীৱ শৰ্মা, বিজেপিৰ ৰাজ্যিক সম্পাদক অভিজিত নাথ আৰু ভাৰপ্ৰাপ্ত জিলা সম্পাদক সুবৰ্ণ সিং উপস্থিত থাকে।




## টংলা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অন্তৰ্গত বীজ মূলধনৰ চেক প্ৰদানৰ শুভাৰম্ভ ড° শৰ্মাৰ

# ওদালগুৰিত বিটিচিৰ মিনি সচিবালয় আৰু এখন ৰে'লৱে উৰণ সেতু নিৰ্মাণৰ শিলান্যাস মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৪ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি জিলাৰ ওদালগুৰি নগৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ মিনি সচিবালয় আৰু এখন ৰে'লৱে উৰণ সেতু নিৰ্মাণৰ শিলান্যাস কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে কলাইগাঁৱত আয়োজিত এখন বিশাল ৰাজহুৱা সভাত টংলা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অন্তৰ্গত বীজ মূলধনৰ চেক প্ৰদানৰ শুভাৰম্ভ কৰে। উদ্যমিতা পুজিৰ চেক বিতৰণৰ সভাৰ পৰাই মুখ্যমন্ত্ৰীয়ে আভাসীয়ভাৱে টংলা নগৰ পানী যোগান প্ৰকল্প (খণ্ড ১ আৰু ২)ৰ উদ্বোধন কৰে। উল্লেখযোগ্য যে প্ৰায় ১৫০ কোটি টকা ব্যয়ৰে ২৫ বিঘা ভূমি সামৰি ওদালগুৰিত বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ মিনি সচিবালয় নিৰ্মাণ কৰা হ'ব। পাঁচ মহলীয়া মিনি সচিবালয় ভৱনটোত বিটিচিৰ বিভিন্ন বিভাগ, সভাগৃহ আদি থাকিব। তদুপৰি ইয়াত বিটিচি বিধানসভা ভৱন নিৰ্মাণ কৰা হ'ব। প্ৰকল্পটোৰ অন্তৰ্গত অতিথিশালা, বিষয়া-কৰ্মচাৰীৰ আৱাসগৃহ, চৌহদৰ ভিতৰৰ ৰাস্তা-ঘাট, পাৰ্কিং এলেকা, চৌহদৰ দেৱাল আদিও নিৰ্মাণ কৰা হ'ব। আনহাতে ৬৩.৪৫ কোটি টকা ব্যয়ৰে ওদালগুৰিৰ গোলমা চ'কৰ পৰা মিছন চাৰিআলি পথত থকা ৰে'লৱে গেটত ৰে'লৱে উৰণ সেতুখন নিৰ্মাণ কৰা হ'ব। আজি সেতুখন নিৰ্মাণৰ পিছত মুখ্যমন্ত্ৰীয়ে উপস্থিত সংবাদ মাধ্যমৰ আগত সদৰী কৰে যে সেতুখনৰ তলভাগত বেডমিণ্টন খেলৰ সুবিধা সন্নিবিষ্ট কৰাৰ বাবে লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়া হৈছে। আনহাতে টংলা সমষ্টিত সৰ্বমুঠ ২৬, ৯৮৮ গৰাকী হিতাধিকাৰীয়ে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অন্তৰ্গত ১০ হাজাৰ টকাকৈ আজি বীজ মূলধনৰ চেক লাভ কৰে। ইয়াকে ধৰি আঁচনিখনৰ জৰিয়তে ১১৪টা বিধানসভা সমষ্টিৰ ২৮, ৪৪, ৮৪৫ গৰাকী মহিলালৈ উদ্যমিতা পুঁজি বিতৰণ কৰা হ'ল। আনহাতে ৩৬ কোটি টকা প্ৰকল্প ব্যয়েৰে নিৰ্মাণ কৰা টংলা নগৰ পানী যোগান প্ৰকল্পৰ জৰিয়তে ৩, ৮৬৫টা পৰিয়ালৰ বাবে নল সংযোগ দিয়া হৈছে। বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ মিনি সচিবালয়ৰ শিলান্যাস কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ডিব্ৰুগড়ক অসমৰ দ্বিতীয়খন ৰাজধানী হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে চহৰখনত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদ, মুখ্যমন্ত্ৰীৰ সচিবালয় আদি স্থাপন কৰিছে। শিলচৰতো আন এটা সচিবালয় নিৰ্মাণ কৰা হৈছে। তেওঁ কয় যে নিৰ্বাচনৰ সময়ত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে ওদালগুৰিত মিনি সচিবালয় স্থাপনৰ প্ৰতিশ্ৰুতি দিছিল। ওদালগুৰিত যিহেতু বিটিচিৰ বিধানসভা ভৱনো নিৰ্মাণ হ'ব, গতিকে কোকৰাঝাৰৰ পিছত ওদালগুৰি বিটিচিৰ দ্বিতীয় ৰাজধানী সদৃশ হৈ পৰিব। প্ৰকল্পটো যাতে দুবছৰৰ ভিতৰত সম্পূৰ্ণ হৈ উঠে তাৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। তেওঁ বিকাশৰ জৰিয়তে বড়োলেণ্ড তথা অসমৰ উন্নয়নৰ বাবে কাম কৰি যাব বুলিও মন্তব্য কৰে। আনহাতে ১৮ মাহৰ ভিতৰত ৰে'লৱে উৰণ সেতুখনৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। অনুষ্ঠানত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, পৰিবহণ আদি বিভাগৰ মন্ত্ৰী চৰণ বড়ো, বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী, বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য ৰিহন দৈমাৰী, বিটিচিৰ অধ্যক্ষ ত্ৰিদীৱ দৈমাৰী, বিটিচিৰ কেইবাগৰাকী কাৰ্যবাহী সদস্য, জিলা আয়ুক্ত তথা গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণৰ কাৰ্যসূচীত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ মহিলাসকলে বহুদিনৰ পৰা নিজা উপাৰ্জনৰ বাবে কিবা এটা কৰিব বিচাৰি আছিল যদিও সুবিধা পোৱা নাছিল। সেয়ে চৰকাৰে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান গ্ৰহণৰ পিছতে মহিলাসকলৰ মাজত পাৰভঙা উছাহৰ সৃষ্টি হয়। উদ্যমিতা পুঁজিৰ ব্যৱহাৰৰ পদ্ধতিৰ বিষয়ে মহিলাসকলক অৱগত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উদ্যমিতা পুঁজি হিচাপে লাভ কৰা ১০ হাজাৰ টকাৰ প্ৰথম কিস্তিৰ ধন যদি মহিলাসকলে নিজৰ আত্মসহায়ক গোটত জমা কৰে তেনেহ'লে ১ লাখ টকাৰ এটা পুঁজি গঠন হ'ব। এই পুঁজিৰে তেওঁলোকে সমূহীয়াভাৱে কোনো ব্যৱসায় আৰম্ভ কৰিব পাৰে বা নিজাববীয়াকৈও কোনো ব্যৱসায়ত বিনিয়োগ কৰিব পাৰে, নাইবা পৰিয়ালৰ পূৰ্বতে থকা ব্যৱসায়ৰ সম্প্ৰসাৰণৰ কামতো এই পুঁজি ব্যৱহাৰ কৰিব পাৰিব। ছমাহমানৰ পাছত চৰকাৰে এই পুঁজিৰ ব্যৱহাৰৰ মূল্যায়ন কৰিব বুলি উল্লেখ কৰি তেওঁ কয় যে মহিলাসকলে প্ৰাৰম্ভিক পুঁজি হিচাপে লাভ কৰা এই ১০ হাজাৰ টকা সদ্ব্যৱহাৰ কৰিলে পৰৱৰ্তী পৰ্যায়ত ক্ৰমে ২৫ হাজাৰ টকা আৰু ৫০ হাজাৰ টকা লাভ কৰিব। তেওঁ কয় যে পুৰুষৰ লগতে মহিলাসকলেও যাতে উপাৰ্জন কৰি ঘৰখন আগবাঢ়ি যোৱাত অৰিহণা যোগাব পাৰে তাৰ বাবে চৰকাৰে মহিলাসকলক লাখপতি বাইদেউ হিচাপে গঢ়িব বিচাৰিছে। এগৰাকী মহিলা লাখপতি বাইদেউ হ'লে ঘৰত আৰু সমাজত মহিলাগৰাকীৰ সন্মান বাঢ়িব। তেওঁ কয় যে ইতিমধ্যে অসমৰ আত্মসহায়ক গোটৰ ৮ লাখ মহিলা লাখপতি বাইদেউ হৈছে। দুখীয়া আৰু মধ্যবিত্ত ৰাইজৰ কষ্ট লাঘৱ কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰে। তেওঁ টংলা সমষ্টিত নতুনকৈ দুহেজাৰ মহিলাক অৰুণোদয় আঁচনিৰ সুবিধা দিয়া হ'ব বুলিও ঘোষণা কৰে। টংলা সমষ্টিত হোৱা উন্নয়নমূলক কামৰ বিষয়ে সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কলাইগাঁৱত এখন মহাবিদ্যালয়ৰ নিৰ্মাণ প্ৰায় সম্পূৰ্ণ হৈছে, কেইবাখনো বিদ্যালয়ৰ ভৱন ৭ কোটিকৈ টকাৰে নিৰ্মাণ কৰি থকা হৈছে। ইয়াৰ উপৰি টংলা সমষ্টিত অসম মালাৰ অধীনত পথ, চিকিৎসালয়, প্ৰেক্ষাগৃহ নিৰ্মাণ কৰি থকা হৈছে। তেওঁ কয় যে অসমৰ আন জিলাৰ দৰে বিটিচিৰ জিলাসমূহতো উন্নয়নৰ নতুন দিগন্তৰ সূচনা হৈছে। সভাত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, পৰিবহণ আদি বিভাগৰ মন্ত্ৰী চৰণ বড়ো, বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী, বিধায়ক দুৰ্গা দাস বড়ো, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অভিযান সঞ্চালক কুন্তলমণি শৰ্মা বৰদলৈ প্ৰমুখ্যে কেইবাগৰাকীও সমাজকৰ্মী, জ্যেষ্ঠ বিষয়া তথা গণ্যমান্য ব্যক্তি আৰু হিতাধিকাৰী মহিলাসকল উপস্থিত থাকে।

# অসম বিজ্ঞান সমিতি ডিব্ৰুগড় শাখাৰ প্ৰতিষ্ঠা দিৱস পালন

**৩ গৰাকী ৭৫ ঊৰ্ধ্বৰ বিজ্ঞানীক সম্বৰ্ধনা**




**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৪ ফেব্ৰুৱাৰী ঃ** বিজ্ঞানৰ প্ৰচাৰ প্ৰসাৰৰ অৰ্থে ১৯৫৩ চনতে গুৱাহাটীত “গৌহাটী বিজ্ঞান সমিতি” নামেৰে গঢ়লৈ উঠা অনুষ্ঠানটিয়ে ১৯৫৬ চনত ‘অসম বিজ্ঞান সমিতি’ নামেৰে পৰিচিত হৈ বৰ্তমান পাঁচ শতাধিক শাখাৰে অসমৰ চুকে কোণে জাতিষ্কাৰ হৈ পৰিছে। ১৩ ফেব্ৰুৱাৰী অনুষ্ঠানটিৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি এইবাৰ কেন্দ্ৰৰ তৰফৰ পৰা শাখা সমূহলৈ দিয়া নিৰ্দেশ অনুসৰি ষাঠিৰ দশকতে গঢ়লৈ উঠা অন্যতম পুৰণি শাখা ডিব্ৰুগড় শাখাই ৭৫ বছৰৰ ঊৰ্দ্ধৰ তিনিগৰাকী বিজ্ঞানীক সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানৰ লগতে ‘নিচাজাতীয় দ্ৰব্যৰ অপকাৰিতা’ সম্পৰ্কত এক বক্তৃতানুষ্ঠানৰো আয়োজন কৰে। ডিব্ৰুগড় হনুমানব' সুৰজমল কানৈ মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানটিত সভাপতিত্ব কৰে ডিব্ৰুগড় শাখাৰ সভাপতি, কানৈ মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অৱসৰী মুৰব্বী অধ্যাপিকা ড° ভাৰতী দত্তই। শাখাৰ সম্পাদক নাছিৰ চুলতানে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটি উদ্বোধন কৰি মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলিয়ে বিজ্ঞান সমিতিয়ে বিজ্ঞানৰ প্ৰচাৰ তথা প্ৰসাৰৰ অৰ্থে কৰি অহা কাৰ্যৰ প্ৰশংসা কৰে। ডিব্ৰুগড় শাখাৰ কাৰ্যাৱলীৰ অনুকৰণীয় দিশ সমূহো তেখেতে উল্লেখ কৰে। সম্বৰ্ধনা অনুষ্ঠানটিৰ আঁত ধৰে শাখাৰ কাৰ্যকৰী সভানেত্ৰী সুদক্ষিণা দাসে। সম্বৰ্ধিত তিনিগৰাকী ব্যক্তি যথাক্ৰমে ডাঃ ৰমা প্ৰসাদ মেধি, ড° কুঞ্জলতা দেউৰী আৰু ড° মুহিবুল ইছলামে তেখেতসকলৰ কৰ্মৰ স্বীকৃতি স্বৰূপে সম্বৰ্ধনা জনোৱাত ডিব্ৰুগড় শাখাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। ড° মুহিবুল ইছলামে তাহানিতে অসম বিজ্ঞান সমিতিৰ সৈতে থকা ওতপ্ৰোত সম্পৰ্কৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। কেন্দ্ৰীয় সমিতিৰ সভাপতি সম্পাদক আৰু ডিব্ৰুগড় শাখাৰ সভাপতি, সম্পাদকৰ দ্বাৰা স্বাক্ষৰিত সম্বৰ্ধনা পত্ৰ, ফুলাম গামোছা আৰু একোটি গ্ৰন্থৰ টোপোলাৰে তেখেতসলক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা পত্ৰ পাঠ কৰে শাখাৰ সভাপতি ড° ৰঞ্জিত সিংহ, টিকেন্দ্ৰজিৎ গগৈ আৰু ড° চুলতানা হাজৰিকাই। ডিব্ৰুগড় হনুমানবক্স সূৰুযমল কানৈ মহাবিদ্যালয়ত আজি অনুষ্ঠিত বক্তৃতানুষ্ঠানত বিশিষ্ট বক্তা হিচাপে উপস্থিত থাকি মনোৰোগ বিশেষজ্ঞ ডাঃ প্ৰণীত কুমাৰ চৌধুৰীয়ে কয় যে পাৱাৰ পইণ্ট প্ৰেজেণ্টেচনৰ দ্বাৰা নিচাজাতীয় দ্ৰব্যৰ প্ৰকাৰ, শাৰীৰিক তথা মানসিক দিশত এইসমূহৰ ব্যৱহাৰে কৰা অপকাৰিতা, সমাজত পৰা কুপ্ৰভাৱ, সমাজৰ কৰণীয় আদি বিভিন্ন দিশ সামৰি মনোজ্ঞ ভাষণ প্ৰদান কৰে। নিচাজাতীয় দ্ৰব্য সেৱন কৰা ব্যক্তিৰ লক্ষণসমূহ জানিলে পৰিয়ালে সচেতন হ'ব পাৰে। এনে দ্ৰব্যৰ প্ৰতি আসক্ত কৰিব পৰা পৰিৱেশৰ পৰা নিজ সন্তানক আঁতৰাই ৰাখিব পাৰিব লাগিব। সম্প্ৰতি নৱপ্ৰজন্মই এনে দ্ৰব্যৰ প্ৰতি আসক্ত হৈ পৰিয়াল একোটিক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। সমাজৰ যথেষ্ট কৰণীয় আছে বুলি বক্তা গৰাকীয়ে কোৱাৰ লগতে স্কুল-কলেজত পাঠ্য পুথিত মাদক দ্ৰব্য অপকাৰিতা সম্পৰ্কত বিষয় থাকিব লাগে বুলিও তেওঁ কয়। তেখেতে বিভিন্নজনৰ প্ৰশ্নৰ উত্তৰো দিয়ে। ডিব্ৰুগড় শাখাৰ ড° ফৰিদা আহমেদ, অজিত শৰ্মা, টিকেন্দ্ৰজিৎ গগৈয়ে নিজা নিজা অভিমত ব্যক্ত কৰে। কানৈ মহাবিদ্যালয়ৰ বিশেষকৈ ভূগোল বিজ্ঞান বিভাগৰ অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী সকলৰ অনুষ্ঠানত সক্ৰিয় সহযোগিতা প্ৰশংসনীয় আছিল। বিএল বেৰীয়া আৰু মানকটা হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীসকল অনুষ্ঠানত উপস্থিত আছিল। সমিতিৰ সভানেত্ৰীয়ে তেওঁৰ বক্তব্যত অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱসত সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আৰু সম্পাদক যথাক্ৰমে ভি ডি থাৱানি আৰুপ্ৰসন্ন চন্দ্ৰয় গোস্বামীক সোঁৱৰণ কৰাৰ লগত সমিতিৰ উত্তৰণত কামকৰি যোৱা ব্যক্তিসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। ডিব্ৰুগড় শাখাটিৰ তাহানিৰ কাৰ্যকৰ্তা প্ৰয়াত ডিম্বেশ্বৰ চলিহা, ডাঃ তোলন শইকীয়া প্ৰমুখ্যে ব্যক্তিসকলক সোঁৱৰে। সম্বৰ্ধিত ব্যক্তি কেইগৰাকীৰ কৰ্মৰ শলাগ লয়। নিচাজাতীয় দ্ৰব্যৰ পৰা নিজকে আঁতৰাই ৰখাৰ বাবে মানসিকভাৱে শক্তিশালী হোৱাৰ পোষকতা কৰে সভানেত্ৰীয়ে। সভানেত্ৰীয়ে তেওঁৰ বক্তব্যত অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱসত সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আৰু সম্পাদক যথাক্ৰমে ভি ডি থাৱানি আৰু প্ৰসন্ন চন্দ্ৰভগোস্বামীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ লগত সমিতিৰ উত্তৰণত কাম কৰি যোৱা ব্যক্তিসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। ডিব্ৰুগড় শাখাটিৰ তাহানিৰ কাৰ্যকৰ্তা প্ৰয়াত ডিম্বেশ্বৰ চলিহা, ডাঃ তোলন শইকীয়া প্ৰমুখ্যে ব্যক্তিসকলকো অনুষ্ঠানত সোঁৱৰে। সম্বৰ্ধিত ব্যক্তিকেইগৰাকীৰ কৰ্মৰ শলাগ লয়। নিচাজাতীয় দ্ৰব্যৰ পৰা নিজকে আঁতৰাই ৰখাৰ বাবে মানসিকভাৱে শক্তিশালী হোৱাৰ পোষকতা কৰে সভানেত্ৰীয়ে। সভাত উপস্থিত থকা অন্যান্য বিশিষ্ট ব্যক্তিসকল আছিল সাহিত্যিক, অভিযন্তা ধনীৰাম বৰুৱা, অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° কমলেশ্বৰ দত্ত, সাংবাদিক এম হাছিম আলি, ৰাজেন দত্ত, ড° জ্যোতিপ্ৰসাদ ফুকন, অনুজ বৰুৱা, বিজয়লক্ষ্মী শৰ্মা গোস্বামী, কানন বৰুৱা, ফাৰহানা ইছলাম আদি।

# দৰং জিলা আশা অভিৱৰ্তন সম্পন্ন

**অসম বাৰ্তা, দেওমৰনৈ, ১৪ ফেব্ৰুৱাৰী ঃ** দৰং জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি মঙলদৈ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ২০২৫-২৬ বৰ্ষৰ আশা অভিৱৰ্তন খনি অনুষ্ঠিত কৰা হয়। এই অভিৱৰ্তন খনত সমগ্ৰ জিলাৰ সহস্ৰাধিক আশা, আশা পৰিদৰ্শিকা, স্বাস্থ্য বিভাগৰ বিষয়া কৰ্মচাৰীসকল একত্ৰিত হয়। গ্ৰাম্য আৰু দুৰ্গম অঞ্চলৰ প্ৰাথমিক স্বাস্থ্যসেৱা সেৱা শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা তৃণমূল পৰ্যায়ৰ স্বাস্থ্যকৰ্মীসকলৰ অক্লান্ত প্ৰচেষ্টাক স্বীকৃতি দিয়াৰ লক্ষ্যৰে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। অভিৱৰ্তনখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক বসন্ত দাসে। তেওঁ আশা সকলৰ লগত মত বিনিময় কৰে আৰু তেওঁলোকৰ অভাৱ অভিযোগ সমূহৰ বুজ লৈ এই সমূহ আগন্তুক বিধানসভা অধিবেশনত উত্থাপন কৰিব বুলি আশ্বাস প্ৰদান কৰে। ভাৰপ্ৰাপ্ত যুটীয়া জিলা স্বাস্থ্যসেৱা সঞ্চালক ডাঃ দিল্লীৰাম অধিকাৰীয়ে আদৰণি ভাষণ প্ৰদান কৰে উক্ত অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা আঁচনি প্ৰবন্ধক নয়না পৰাশৰে উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানত দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা, মঙলদৈ পৌৰসভাৰ পৌৰপতি নিৰ্মালী দেৱী শৰ্মা, দৰং জিলা পৰিষদৰ কাৰ্য্যবাহী বিষয়া কৰবী শইকীয়া কৰণে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত স্বাস্থ্য বিভাগৰ দায়িত্বত থকা ছিপাঝাৰৰ সম জিলা আয়ুক্ত পাপৰি দাস, স্বাস্থ্য আৰু অন্যান্য বিভাগৰ বিষয়া কৰ্মচাৰী সকল উপস্থিত থাকে। অনুষ্ঠানত নিজ কৰ্মত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা ১৮ গৰাকী আশাক প্ৰমাণ পত্ৰ প্ৰদান কৰাৰ লগতে ১১ গৰাকী অৱসৰ প্ৰাপ্ত আশাক সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে অসম চৰকাৰে অৱসৰপ্ৰাপ্ত আশাক তেওঁলোকৰ বছৰ বছৰ ধৰি নিষ্ঠাবান সেৱাৰ স্বীকৃতি দি এককালীনভাৱে ২ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিছে। অভিৱৰ্তনখনিত আশা আৰু অন্যান্য সকলে সাংস্কৃতিক কাৰ্য্যসূচীও প্ৰদৰ্শন কৰে।

নতুন সমিতি গঠন; জিলা আয়ুক্তক সভাপতি, যদু কলিতাক জিলা সম্পাদক নিৰ্বাচিত

# মাজুলী জিলা ৰেডক্ৰছ ছ'চাইটিৰ সাধাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ মাজুলী জিলা সমিতিখন আজি পূৰ্ণাংগ পৰ্যায়ত গঠন কৰা হয়। মাজুলী জিলা ৰেডক্ৰছ ছ'চাইটিৰ আজি অনুষ্ঠিত হোৱা সাধাৰণ সভাত উক্ত জিলা ৰেডক্ৰছ ছ'চাইটি গঠন কৰা হয়। মাজুলী জিলা ৰেডক্ৰছ ছ'চাইটিৰ সভাপতি তথা মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ আহ্বান ক্ৰমে আজি অসম ৰাজ্যিক ৰেডক্ৰছ ছ'চাইটিৰ উদ্যোগত মাজুলী জিলা ৰেডক্ৰছ ছ'চাইটিৰ সাধাৰণ সভাখন অনুষ্ঠিত হয়। মাজুলীৰ জিলা আয়ুক্তৰ কনফাৰেন্স হলত আজি দুপৰীয়া এঘাৰ বজাৰ পৰা আৰম্ভ হোৱা উক্ত সাধাৰণ সভাত সভাপতিত্ব কৰে মাজুলী জিলাৰ অতিৰিক্ত উপায়ুক্ত শ্ৰুভম আদিত্য বৰাই। মাজুলী জিলা ৰেডক্ৰছ ছ'চাইটিৰ তদৰ্থ সমিতিৰ সম্পাদক যদু কলিতাই আঁত ধৰা উক্ত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আহ্বায়ক মণ্ডলীৰ হৈ প্ৰাক্তন সম্পাদক ডাঃ থানেশ্বৰ মূদৈয়ে। সভাত মাজুলী জিলা ৰেডক্ৰছ ছ'চাইটিৰ অৰ্ধ শতাধিক আজীৱন সদস্য-সদস্যা আৰু স্বেচ্ছাসেৱকে অংশগ্ৰহণ কৰে। উক্ত সাধাৰণ সভাত চিনাকি পৰ্ব অনুষ্ঠানৰ পাছতে পৰ্যবেক্ষক তথা অসম ৰাজ্যিক ৰেডক্ৰছ ছ'চাইটিৰ উপাধ্যক্ষ হেমন্ত কুমাৰ গোঁহাইয়ে ৰেডক্ৰছ ছ'চাইটিৰ নীতি আদৰ্শ ব্যাখ্যা কৰে আৰু জিলা সমিতি গঠনৰ সকলো নিয়মাৱলী ডাঙি ধৰে। উক্ত, সাধাৰণ সভাত মাজুলী জিলা ৰেডক্ৰছ ছ'চাইটিৰ লাইফ মেম্বাৰ সকলে মাজুলীত ৰেডক্ৰছ ছ'চাইটিৰ শক্তিশালী আৰু গতিশীলতা প্ৰদান কৰিবলৈ সকলোকে আহ্বান জনায়। সভাত মাজুলী জিলা ৰেডক্ৰছ ছ'চাইটিৰ সোণালী ইতিহাস, বিগত সময়ত ৰূপায়ণ কৰা বিভিন্ন জনকল্যাণমূলক কামসমূহ আজীৱন সদস্য সদস্যাসকলে আলোকপাত কৰে। সভাত আগন্তুক দুবছৰীয়া কাৰ্যকালৰ বাবে মাজুলী জিলা ৰেডক্ৰছ ছ'চাইটিৰ নতুন সমিতিখন গঠন কৰা হয়। উক্ত, নতুন সমিতিত ৰেডক্ৰছৰ সংবিধান অনুসৰি মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকক সভাপতি, যদু কলিতাক সাধাৰণ সম্পাদক, ড° আনন্দ হাজৰিকাক মেনেজিং সমিতিৰ অধ্যক্ষ, ডাঃ থানেশ্বৰ মূদৈক উপাধ্যক্ষ হিচাপে লৈ ৩১ জনীয়া সদস্যৰে এখন পূৰ্ণাংগ জিলা সমিতি গঠন কৰা হয়। জিলা সমিতি গঠনৰ পাছতে মাজুলী জিলা ৰেডক্ৰছ ছ'চাইটিৰ অধীনত " দুৰ্যোগ ব্যৱস্থাপনা সমিতি", "জুনিয়ৰ ৰেডক্ৰছ সমিতি" আৰু "বিত্ত উপ-সমিতি" গঠন কৰা হয়। উক্ত দুৰ্যোগ ব্যৱস্থাপনা সমিতিৰ সভাপতি হিচাপে ডিম্বেশ্বৰ দত্তক, সম্পাদক হিচাপে গুণেশ্বৰ গায়ন, বিত্ত উপ-সমিতিৰ সভাপতি হিচাপে ডাঃ থানেশ্বৰ মূদৈ, সম্পাদক হিচাপে কৃষ্ণ কমল শইকীয়া আৰু জুনিয়ৰ ৰেডক্ৰছ ছ'চাইটিৰ সভাপতি হিচাপে ড° অৰূপ কুমাৰ বৰা আৰু সম্পাদক হিচাপে ৰঞ্জিত সেনক নিৰ্বাচিত কৰা হয়। উক্ত, নতুন সমিতি গঠনৰ পাছতে ৰেডক্ৰছ ছ'চাইটিৰ নীতি অনুসৰি নতুন সমিতিয়ে শপত গ্ৰহণ কৰে। শপত বাক্য পাঠ কৰোৱায় পৰ্যবেক্ষক হেমন্ত কুমাৰ গোঁহাইয়ে। উক্ত, সাধাৰণ সভাতে মাজুলী জিলা ৰেডক্ৰছৰ কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰিবলৈ জিলা আয়ুক্তৰ কাৰ্যালয় প্ৰাংগণত এটা কোঠা বিচাৰি আবেদন কৰা, মাজুলী ৰেডক্ৰছ ছ'চাইটিৰ নামত থকা মাটিত স্থায়ী কাৰ্যালয় স্থাপন কৰা, মাজুলীৰ মৃত ৰেডক্ৰছাৰ সকলক এখন কৃতজ্ঞতা পত্ৰ প্ৰদান কৰা, ৰেডক্ৰছাৰ সকলৰ বাবে পৰিচয় পত্ৰ বনোৱা, দুৰ্যোগ প্ৰৱণ অঞ্চলত কাম কৰা সন্দৰ্ভত গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উক্ত, সাধাৰণ সভাত মাজুলী ৰেডক্ৰছ ছ'চাইটিৰ সন্দৰ্ভত ড° আনন্দ হাজৰিকা, ডিম্বেশ্বৰ দত্ত, কিশোৰী মোহন পাল, ডাঃ থানেশ্বৰ মূদৈ, যদু কলিতা, আনন্দ নাথ, ড° অৰূপ কুমাৰ বৰা, জয়ন্ত বৰা, মিনতি শইকীয়া, তিলক শৰ্মা, গুণেশ্বৰ গায়ন, ৰেণুমালা দত্ত, সুভদ্ৰা বৰা, নীলমণি ভূঞা, বীৰেন শৰ্মা আদিয়ে বিভিন্ন পৰামৰ্শ প্ৰদান কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে যদু কলিতাই। উক্ত, সাধাৰণ সভাৰ পাছতেই ড°০ আনন্দ হাজৰিকাৰ সভাপতিত্বত এখন কাৰ্যনিৰ্বাহক সভাও আজি বিয়লি অনুষ্ঠিত হয়। উক্ত, কাৰ্যনিৰ্বাহক সভাতো কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

চিলাপথাৰ এটা পৰীক্ষা কেন্দ্ৰত নকলক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি

# ধেমাজি চিলাপথাৰৰ পৰীক্ষা কেন্দ্ৰ যুদ্ধক্ষেত্ৰত

**অসম বাৰ্তা, ধেমাজি, ১৬ ফেব্ৰুৱাৰী ঃ** ধেমাজি জিলাৰ চিলাপথাৰৰ সমীপৰ অকাজান ট্ৰাইবেল ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰত পৰীক্ষা কেন্দ্ৰৰ বহিঃ নিৰীক্ষকক পহাৰ। নিজ দায়িত্ব আৰু কৰ্তব্য পালন কৰিবলৈ গৈ একাংশ উন্মত্ত পৰীক্ষাৰ্থীৰ লগতে একাংশ নিকৃষ্ট মানসিকতাৰ লোকৰ নিৰ্বিচাৰ বৰ্বৰ আক্ৰমণৰ সন্মুখীন হৈ অতি সংকটজনক অৱস্থাত ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হ'ব লগা হৈছে। এয়া এক চৰম লজ্জাৰ কথা। পৰীক্ষা কেন্দ্ৰটোত অনুষ্ঠিত হোৱা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আধুনিক ভাৰতীয় ভাষাৰ (MIL) (অসমীয়া) বিষয়ৰ পৰীক্ষা শেষ হ'বলৈ অকণমান সময় থকা অৱস্থাতে এগৰাকী পৰীক্ষাৰ্থীয়ে অসৎ উপায় অৱলম্বন কৰা পৰিলক্ষিত হয়। পৰীক্ষা কেন্দ্ৰটোৰ দায়িত্বত থকা অন্য এগৰাকী বহিঃ নিৰীক্ষকে ছাত্ৰীগৰাকীক সতৰ্ক কৰি দিছিল। পৰৱৰ্তী সময়ত পৰীক্ষাৰ্থীগৰাকীয়ে পৰীক্ষা কেন্দ্ৰৰপৰা ওলাই গৈ হঠাতে ৰাষ্ট্ৰীয় ঘাই পথত চলন্ত গাড়ীৰ আগত পৰি আত্মহত্যাৰ চেষ্টা কৰে। পৰীক্ষাৰ্থীগৰাকী গুৰুতৰভাৱে আহত হয় আৰু লগে লগে চিলাপথাৰ নগৰস্থ প্ৰাথমিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। কিছু সময়ৰ পাছতে আহত ছাত্ৰীগৰাকীক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰা হয়। ইফালে একাংশ ন্যস্ত স্বাৰ্থজড়িত লোকে লগে লগে ছাত্ৰী গৰাকীৰ মৃত্যু হোৱা বুলি এক উৰাবাতৰি অপপ্ৰচাৰ কৰি ঘটনাটোক লৈ হঠাতে এক ভয়ানক উত্তপ্ত পৰিৱেশৰ সৃষ্টি কৰে। একাংশ পৰীক্ষাৰ্থীৰ লগতে শ শ লোকৰ দ্বাৰা পৰীক্ষা কেন্দ্ৰত নিৰ্বিচাৰ আক্ৰমণ কৰি পৰীক্ষাকেন্দ্ৰৰ কনফিডেন্সিয়েল কোঠাৰ লগতে কেইবাটাও কোঠাৰ আচবাব, দুৱাৰ-খিৰিকি ভাঙি ছিঙি লণ্ড-ভণ্ড কৰে। আক্ৰমণকাৰী নিৰ্বিচাৰ শিলাবৰ্ষণ আৰু একাংশই হাতত লাঠি লৈ আক্ৰমণ কৰি পৰীক্ষা কেন্দ্ৰৰ ভিতৰত থকা কেইবাজনো নিৰীক্ষক, কৰ্মচাৰী, আৰক্ষী গুৰুতৰভাৱে আহত। অনেকে বেঞ্চ-ডেস্ক, চকী-টেবুলৰ তলত সোমাইয়ো প্ৰাণ ৰক্ষা কৰিব লগীয়া অৱস্থা হয়। আক্ৰমণকাৰীয়ে চৌহদত থকা শিক্ষক-কৰ্মচাৰীৰ যান-বাহনবো বিস্তৰ ক্ষতি কৰে। এই ভয়াবহ আক্ৰমণত নিশালৈকে আবদ্ধ হৈ পৰে পৰীক্ষা কেন্দ্ৰত নিয়োজিত নিৰীক্ষক, বহিঃনীৰিক্ষকৰ, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, বিভাগীয় বিষয়া-কৰ্মী সকলো আৱদ্ধ হৈ পৰে। পৰীক্ষা কেন্দ্ৰৰ কৰ্তৃপক্ষই আৰক্ষীক খবৰ দিয়াত পৰীক্ষা কেন্দ্ৰত আৰক্ষী মোতায়েন কৰা হয়। আৰক্ষীৰ সহযোগত নিৰীক্ষক, বহিঃ নিৰীক্ষসকলক পৰীক্ষা কেন্দ্ৰৰ পৰা উদ্ধাৰ কৰিবলৈ চেষ্টা কৰা হয়। পৰীক্ষা কেন্দ্ৰৰ বহিঃনীৰিক্ষকৰ দায়িত্ব পালন কৰা ধেমাজি চিটি কলেজৰ সহকাৰী অধ্যাপকজনক একাংশই লক্ষ্য কৰি লোৱাত তেখেতক আৰক্ষীৰ সাজ পিন্ধাই উদ্ধাৰ কৰিবলৈ চেষ্টা কৰা হয় যদিও আৰক্ষীৰ সুৰক্ষাৰ আৰেস্তনি ফালি উন্মত্ত লোকে গুৰুলাগুৰুলকৈ প্ৰহাৰ কৰে। আনকি আক্ৰমণকাৰীয়ে পিছফালৰ পৰা অধ্যাপকজনক শিলেৰে মূৰত সজোৰে আঘাত কৰি গুৰুতৰভাৱে আহত কৰে। তেজেৰে তুমৰলি হৈ পৰা গুৰুতৰভাৱে আহত অধ্যাপকজনক কোনোৰকমে উদ্ধাৰ কৰি নিশা ততাতৈয়াকৈ ডিব্ৰুগড়স্থ অসম চিকিৎসা মহাবিদ্যালয়লৈ জৰুৰী চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয়। আনহাতে ঘটনাস্থলীত ধেমাজি জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ মুৰব্বীসকল উপস্থিত হৈ পৰিস্থিতি বুজ লয়। চৰকাৰ-প্ৰশাসনে শান্তিৰে আৰু নিকাকৈ পৰীক্ষা অনুষ্ঠিত কৰিবলৈ চেষ্টা কৰিছে; পৰীক্ষাৰ্থী, অভিভাৱক ৰাইজেও তাকে আশা কৰিছে যদিও একাংশই এইদৰে শিক্ষা ব্যৱস্থাটো পংগু কৰিবলৈ অপচেষ্টা কৰিছে। এনেবোৰ দৈত্য-দানৱ, অসংস্কাৰী চৰিত্ৰৰ মানুহৰ অবিবেচক চিন্তা আৰু অপকৰ্মৰ বাবেই সৎ তথা নিষ্ঠাবান শিক্ষক, বিষয়া, কৰ্মচাৰী, সৎ আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীৰ মনোবল হেৰুৱাব লগা হৈছে। যি ঘটিছে এয়া শুভ লক্ষণ নহয়। ইয়াৰ শীঘ্ৰে নিৰাময়ৰ প্ৰয়োজন।

# বিশ্বনাথত "কৃষি সঁজুলি/ যন্ত্ৰপাতিৰ মেৰামতি আৰু ৰক্ষণাবেক্ষণ" শীৰ্ষক প্ৰশিক্ষণ অনুষ্ঠিত

**অসম বাৰ্তা, জিনজিয়া, ১৬ ফেব্ৰুৱাৰী ঃ** ৰাজ্যিক কৃষি ব্যৱস্থাপনা আৰু সম্প্ৰসাৰণ প্ৰশিক্ষণ প্ৰতিষ্ঠান ৰ উদ্যোগত যোৱা ১০ ফেব্ৰুৱাৰীৰ চলি থকা বিশ্বনাথ চাৰিআলিৰ ফাৰ্ম মেচিনেৰী ট্ৰেনিং এণ্ড টেষ্টিং ইনষ্টিটিউটত "কৃষি সঁজুলি/যন্ত্ৰপাতিৰ মেৰামতি আৰু ৰক্ষণাবেক্ষণ" শীৰ্ষক এক তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ কালি সামৰণি পৰে। ৰাজ্যখনৰ ৫খন জিলা ক্ৰমে ধেমাজি, পূব কাৰ্বি আংলং, নগাঁও, মৰিগাঁও আৰু বিশ্বনাথৰ এফ.পি.অ' আৰু কৃষি উদ্যোগীৰ মুঠ ১৯ গৰাকী প্ৰগতিশীল কৃষকে এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। এই তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীত ট্ৰে"ৰ চলোৱা আৰু ইয়াৰ ৰক্ষণাবেক্ষণৰ লগতে বিভিন্ন কৃষি যন্ত্ৰ যেনে— ধান ৰোপণ যন্ত্ৰ, আলু ৰোপণ যন্ত্ৰ, নিউমেটিক প্লাণ্টাৰ, ছুপাৰ চিডাৰ, কম্বাইন হাৰ্ভেষ্টাৰ আৰু কৃষি ড্ৰোনৰ ব্যৱহাৰিক প্ৰদৰ্শন কৰা হয়। ইয়াৰ উপৰিও শস্য সুৰক্ষা সঁজুলি, জলসিঞ্চন প্ৰণালী আৰু লিংগ-অনুকূল কৃষি সঁজুলিৰ বিষয়েও প্ৰত্যক্ষ জ্ঞান প্ৰদান কৰা হয়। প্ৰশিক্ষণৰ অন্তত বিশ্বনাথৰ জিলা কৃষি বিষয়া বানেশ্বৰ বে', উত্তৰ-পূব ফাৰ্ম মেচিনেৰী ট্ৰেনিং এণ্ড টেষ্টিং ইনষ্টিটিউটৰ সঞ্চালিকা পি. কমলাবাই, জ্যেষ্ঠ কৃষি অভিযন্তা এম.আৰ. পাটিল, সহকাৰী কৃষি অভিযন্তা অস্মিতা পাল, ছামেটিৰ নয়ন বড়ো, বিশ্বনাথ জিলা কৃষি বিষয়া কাৰ্যালয়ৰ হিৰণ্য বৰা, কৃষ্টি বৰা আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত আনুষ্ঠানিকভাৱে প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। সামৰণি অনুষ্ঠানত উপস্থিত কৃষকসকলে কয় যে প্ৰতিষ্ঠানটোৰ প্ৰশিক্ষকসকলৰ পৰা তেওঁলোকে পথাৰত সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ ব্যৱহাৰিক সমাধান লাভ কৰিছে। তেওঁলোকে ভৱিষ্যতে কৃষি যন্ত্ৰপাতিৰ পৰিচালনা, মেৰামতি আৰু ৰক্ষণাবেক্ষণৰ বিষয়ে অধিক বিশদ জ্ঞান অৰ্জনৰ বাবে এটি দীৰ্ঘম্যাদী প্ৰশিক্ষণ কাৰ্যসূচীৰ আহ্বান জনায়।

# বৰপেটা ৰোড বিজেপিৰ নগৰ মণ্ডলৰ কাৰ্যালয়ত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ সংবাদমেল




**অসম বাৰ্তা, বৰপেটাৰোড, ১৬ ফেব্ৰুৱাৰী ঃ** সংবাদমেল সম্বোধন কৰি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে ক্ষোভ উজাৰিলে বিধায়ক মনোৰঞ্জন তালুকদাৰৰ ওপৰত। আগুন্তক দেড় বছৰত ৭১কোটি ৩২ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব বৰপেটা ৰোড মানাহ সংযোগী পথ। অসম মালা ৩.০ৰ অধীনত এই পথটো নিৰ্মাণ হ'ব বুলি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ ঘোষণা। ইতিমধ্যে নিবিদা যোগে এই পথৰ কাম হৈছে যদিও কামটোৰ ওৱাৰ্ক অৰ্ডাৰ উলোৱা নাই। ২০২৪ চনৰ পৰাই এই কামটোৰ বাবে ধাৰাবাহিকভাৱে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে লাগি থকাৰ কথা সদৰী কৰে কিন্তু এই পথটোক লৈ সংবাদ মাধ্যমত সঘনাই বিভ্ৰান্তি মূলক তথ্য দি অহা বুলি সৰভোগৰ বিধায়ক মনোৰঞ্জন তালুকদাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে মন্ত্ৰী ৰঞ্জিত দাসে। মনোৰঞ্জন তালুকদাৰে আনকি সৰভোগৰ গৌৰৱ পথৰ লাইট কাটি দিয়া বিষয়টোক লৈও ৰাজনীতি কৰা বুলি ৰঞ্জিত দাসৰ অভিযোগ কিন্তু যোৱা ৫ বছৰে ৰঞ্জিত দাসে অনুমোদন কৰি অনা ১০০ কোটি টকা ব্যয় সাপেক্ষৰ কাহিদামা পথ আৰু দোমনীৰ দ্বিতীয়খন দলং আজিও বিধায়ক মনোৰঞ্জন তালুকদাৰে সম্পূৰ্ণ কৰিব নোৱাৰিলে।

হোমযজ্ঞ আৰু নৈবেদ্য বিলোৱা পৰম্পৰা

# বকোৰ শ্ৰীশ্ৰী দলবাৰী বুঢ়াগোহাঁই আশ্ৰীত গঞা ৰাইজৰ বৰসবাহত হৰিধ্বনি

**অসম বাৰ্তা, বকো, ১৬ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ বকো ৰাজহ চক্ৰৰ অন্তৰ্গত ১ নং আৰু ২ নং দিলিঙ্গাৰ শ্ৰী শ্ৰী দলবাৰী বুঢ়াগোহাঁই আশ্ৰীত গঞা ৰাইজৰ বাৰ্ষিক বৰ সবাহ আনুষ্ঠানিকভাৱে যোৱা শুক্ৰবাৰে অৰ্থাৎ ১৩ ফেব্ৰুৱাৰীত আৰম্ভ হৈছে। দুই দিনীয়াকৈ বিস্তৃত কাৰ্য্যসুচীৰে আয়োজন কৰা বুঢ়াগোহাঁই মন্দিৰৰ সবাহৰ ১৩ ফেব্ৰুৱাৰীত পুৱাৰে পৰা ধৰ্মীয় ৰীতি নীতিৰে মাংগলিক নিয়মেৰে আৰম্ভ হৈছে বৰ সবাহৰ কাৰ্য্যক্ৰমণিকা। ইফালে সন্ধিয়া মুল প্ৰবেশ দ্বাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক নকুল কলিতাই; বাটচ'ৰা উদ্বোধন কৰে নগেন দাসৰ সৈতে পৰিয়ালবৰ্গই; মুখ্য মণ্ডপ উদ্বোধন আৰু বৰ গৰখীয়া মণ্ডপ মাংগলিক নিয়মৰ মাজেৰে উন্মোচন কৰে বকোৰ যুৱ সমাজ কৰ্মী তথা বকো সৰ্বজনীন পূজা সমিতিৰ সম্পাদক মাণিক কুমাৰে। ইফালে মুল গোসাঁই দ্বাৰ আৰু গোসাঁই ফুৰোৱা কাৰ্য্যসুচী উদ্বোধন কৰে বকোৰ প্ৰাক্তন বিধায়ক জ্যোতিপ্ৰসাদ দাসে। অনুষ্ঠানত মন্দিৰত দুটা বিগ্ৰহ উন্মোচন কৰে বকোৰ বিশিষ্ট সমাজ কৰ্মী তথা ব্যৱসায়ী হীৰেন ৰাভাই। ৰাইজৰ ভড়াল উদ্বোধন কৰে যুৱ সমাজ কৰ্মী পবিত্ৰ কুমাৰ দাসে। মন্দিৰ চৌহদৰ প্ৰস্থান গেট মুকলি কৰে দাতা নাৰায়ণ মেধিয়ে। ইয়াৰ পিছতে মেজি জ্বলোৱা আৰু গোসাঁই স্থাপনৰ জৰিয়তে বৰ সবাহ শুভাৰম্ভ হয়। বকোৰ ১ নং আৰু ২ নং দিলিঙ্গা শ্ৰীশ্ৰী দলবাৰী বুঢ়াগোহাঁই আশ্ৰীত গঞা ৰাইজৰ বাৰ্ষিক বৰসবাহ পৰিচালনা সমিতিৰ সভাপতি জ্যেষ্ঠ সমাজ কৰ্মী তাৰানাথ কলিতা; উপ সভাপতি নাৰায়ণ মেধি; সম্পাদক প্ৰসন্ন কুমাৰ দাস আৰু সহকাৰী সম্পাদক পবিত্ৰ কুমাৰ দাসে জনোৱা অনুসৰি প্ৰত্যেক বছৰে মাঘ মাহৰ ৩১ তাৰিখ আৰু ফাগুন মাহৰ ১ তাৰিখে দুদিনীয়াকৈ বিস্তৃত কাৰ্য্যসুচীৰে আয়োজন কৰা হয় বৰসবাহ। ১ নং আৰু ২ নং দিলিঙ্গাৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী দলবাৰী বুঢ়াগোহাঁই আশ্ৰিত গঞাই জনোৱা অনুসৰি দলবাৰী বুঢ়াগোহাঁই মন্দিৰৰ বৰসবাহখন আজিৰে পৰা প্ৰায় ৪০০ শ বছৰ আগৰ পৰাই পালন কৰি আহিছে। আজি সবাহৰ দ্বিতীয় দিনা মুল সবাহৰ কাৰ্য্যসুচী। সবাহৰ দিনা ৰাজহুৱা নৈবেদ্য আৰু হোমযজ্ঞ অনুষ্ঠিত হয়। হোমযজ্ঞত ৰাজহুৱা পূৰ্ণ আহুতি দিয়া হয় আৰু প্ৰসাদৰ নৈবেদ্য বিলোৱা হয়। ইফালে পথাৰৰ মাজত অৱস্থিত শ্ৰীশ্ৰী দলবাৰী বুঢ়াগোহাঁই আশ্ৰীত গঞা ৰাইজৰ মন্দিৰৰ বৰ সবাহত ধৰ্মীয় ৰীতি-নীতিৰে মাংগলিক নিয়মেৰে পৰিচালিত হয় বৰ সবাহৰ কাৰ্য্যক্ৰমণিকা।

# মৰিয়নি বন বিভাগৰ চৰম অকৰ্মণ্যতা, ধ্বংসৰ গৰাহত হোলোঙাপাৰ গিবন অভয়াৰণ্য

**অসম বাৰ্তা, মৰিয়নি, ১৬ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলাৰ একমাত্ৰ বন্য প্ৰাণী অভাৰান্য তথা জৈৱ-বৈচিত্ৰ্যৰ ভঁৰাল হোলোঙাপাৰ গিবন অভয়াৰণ্যত বৰ্তমান চলিছে অবাধ ধ্বংসযজ্ঞ। মৰিয়নি বন বিভাগৰ চৰম অবহেলা আৰু দায়িত্বহীনতাৰ বাবেই এতিয়া সংকটাপন্ন হৈ পৰিছে এই সংৰক্ষিত বনাঞ্চলখন। অভিযোগ উঠিছে যে, বন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰ নাকৰ তলেদিয়েই অভয়াৰণ্যখনৰ মূল্যবান সম্পদ লুটি নিছে একাংশ দুষ্কৃতিকাৰীয়ে। জানিব পৰা মতে অভয়াৰণ্যখনৰ সমীপৱৰ্তী চাহ বাগিচাসমূহৰ প্ৰায় ৩০-৪০ জনীয়া পুৰুষ-মহিলাৰ এটা দলে প্ৰতিদিনে মুকলিকৈ অভয়াৰণ্যত প্ৰৱেশ কৰে। আৰু অভাৰন্য খনৰ মূল্যবান গছ কাটি আনি খৰি হিচাপে বজাৰত বিক্ৰী কৰাৰ লগতে বন্য হস্তীৰ অন্যতম খাদ্য 'ঔতেঙা' বস্তাই বস্তাই সংগ্ৰহ কৰি মৰিয়নিৰ বজাৰত বিক্ৰী কৰি আহিছে। ফলত বনাঞ্চলৰ ভিতৰত বন্যপ্ৰাণীৰ খাদ্যৰ তীব্ৰ নাটনি ঘটিছে। আনফালে স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, মৰিয়নি বন আঞ্চলিক বিষয়াক এই সন্দৰ্ভত বাৰম্বাৰ অৱগত কৰা হৈছে যদিও বিভাগটোৱে কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা নাই। তাৰ বিপৰীতে অভিযোগ উঠিছে, অবৈধ শিল আৰু বালি কঢ়িওৱা ডাম্পাৰৰ পৰা 'কমিচন' সংগ্ৰহ কৰাত ব্যস্ত থকাৰ বাবে বন বিভাগৰ হাতত অভয়াৰণ্যখন সুৰক্ষা দিবলৈ সময় নাই। যাৰ বাবে অভয়াৰণ্যৰ ভিতৰত চলি থকা এই ধ্বংসলীলাৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে জনজীৱনত। বনাঞ্চলৰ ভিতৰত খাদ্যৰ অভাৱ হোৱাৰ পৰিপ্ৰেক্ষিতত বনৰীয়া জীৱ জন্তুৱে জনাঞ্চলত প্ৰৱেশ কৰি চলাইছে ব্যাপক উপদ্ৰৱ। যাৰ ফলত এতিয়া আতংকত দিন কটাব লগা হৈছে স্থানীয় ৰাইজে। প্ৰকৃতিপ্ৰেমী সংগঠন আৰু স্থানীয় ৰাইজে এতিয়া প্ৰশ্ন উত্থাপন কৰিছে— এইদৰেই যদি বন বিভাগ নিমাত হৈ থাকে, তেন্তে ভৱিষ্যতে মানচিত্ৰৰ পৰা গিবন অভয়াৰণ্যৰ অস্তিত্ব মচ খাই নাযাবনে?

চেইনপুৰত চি.আৰ.পি.এফ.ক দা-লাঠীৰে আক্ৰমণৰ লক্ষ্য নগাৰ

# অসম-নাগালেণ্ড সীমান্তত তীব্ৰ উত্তেজনা

**অসম বাৰ্তা, সৰুপথাৰ, ১৬ ফেব্ৰুৱাৰী ঃ** আগ্ৰাসী নগা যুদ্ধংদেহী ৰূপ। চোকা অস্ত্ৰ লৈ সমুখ-সমৰত চি.আৰ.পি.এফ'ৰ। পেট্ৰল পাম্প বন্ধ কৰিবলৈ অহা চি আৰ পি এফক দা, লাঠী, কেটেপা লৈ আক্ৰমণ কৰি খেদি পঠিয়াইনগাই। গোলাঘাট জিলাৰ সৰুপথাৰ সমজিলাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী অসমৰ মতে চেইনপুৰ আৰু নগাৰ মতে ৰালান বস্তিত পুনৰ নগাৰ দপদপনি। পূৰ্বতে নগাই নিৰ্মাণ কৰা পেট্ৰল পাম্প দুয়োখন ৰাজ্যৰ প্ৰশাসনৰ হস্তক্ষেপত বন্ধ কৰি থোৱা হৈছিল। পুনৰবাৰ অসম ভূমিত নগাই স্থাপন কৰা পেট্ৰল পাম্প পুনৰ অসম চৰকাৰ তথা সৰুপথাৰ সমজিলা সীমান্ত দণ্ডাধীশৰ অনুমতিৰ অবিহনে আৰম্ভ কৰিছে নগাই। ইয়াৰ পিছতেই অসম-নাগালেণ্ড সীমান্তত তীব্ৰ উত্তেজনা। চি.আৰ.পি.এফে বাধা প্ৰদান কৰিবলৈ যোৱাত নগাই তেওঁলোকক চোকা অস্ত্ৰ, কেটেপা, দা-লাঠীৰে আক্ৰমণৰ লক্ষ্য কৰি লয়। অসহায় কেন্দ্ৰীয় নিৰাপত্তা বাহিনী চি.আৰ.পি.এফ। চি.আৰ.পি.এফ'কো কেৰেপ নগৰে নগাই। এতিয়া সীমান্তৰৰ বিবদমান এলেকাত নগাৰ কথাই হৈ পৰিছে আইন। নগাই সীমান্তত যি কয় সেয়া অসমে মানিব লাগিব। চোকা অস্ত্ৰ, লাঠি, দাৰে চি.আৰ.পি.এফ'ক নগাই দমন কৰাৰ ঘটনা হ'লে সাধাধণ জনতাৰ কি অৱস্থা হ'ব। অসমৰ মতে চেইনপুৰ আৰু নগাৰ মতে ৰালান বস্তিত শনিবাৰে সংঘটিত হৈছে এই ঘটনা। হাতত অস্ত্ৰ থকাৰ পিছতো চি.আৰ.পি.এফ বাহিনীয়ে অসহায়বোধ কৰিছে। নগাৰ ভয়ত পিছোৱাই আহিবলগীয়া হৈছে সহস্ত্ৰবাহিনী। ইয়াৰ পিছতেই সীমান্তত তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে। উল্লেখযোগ্য যে দুদিন পূৰ্বে অসম-নাগালেণ্ড সীমান্তৰ চুণ্ডাজানত নগাই গেট স্থাপন কৰাৰ ঘটনা মাৰ নাযাওঁতেই চেইনপুৰত পুনৰ এই ঘটনা সংঘটিত হৈছে। সীমান্তবাসীয়ে এই বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰি সীমান্তৰ জনতাৰ জীৱন আৰু সম্পত্তি সুৰক্ষা কৰাৰ দাবী জনাইছে।

# গহপুৰ-নুমলীগড় সংযোগী টুইন টিউব নদী সুৰংগ পথত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন

উৎসাহিত গহপুৰীয়া ৰাইজ



**অসম বাৰ্তা, গহপুৰ, ১৬ ফেব্ৰুৱাৰী ঃ** মহাবাহু ব্ৰহ্মপুত্ৰৰ তলেৰে নিৰ্মাণ হ'বলগীয়া গহপুৰ—নুমলীগড় সংযোগী টুইন টিউব নদী সুৰংগ(স্থলপথ আৰু ৰে'লপথ)পথৰ অভিলাষী প্ৰকল্পই লাভ কৰিছে নতুন গতি। কেন্দ্ৰীয় চৰকাৰে উক্ত অভিলাষী প্ৰকল্পত অনুমোদন জনোৱাৰ খবৰ বিয়পি পৰাৰ লগে গহপুৰৰ ৰাইজ উৎসাহিত হৈ পৰা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত ইতিমধ্যে গহপুৰৰ বিধায়ক উৎপল বৰাই ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সামাজিক মাধ্যমৰ জৰিয়তে কৃতজ্ঞতা জ্ঞাপন কৰিছে। প্ৰায় ১৮, ৬৬২ কোটি টকাৰ এই বৃহৎ আন্তঃগাঁথনি প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চলৰ যোগাযোগ ব্যৱস্থাত আনিব এক আমূল পৰিৱৰ্তন। গহপুৰ ৰাজহ চক্ৰৰ উত্তৰাঞ্চলৰ মিলনপুৰৰ বালিটিকা গাঁৱৰ পৰা আৰম্ভ হ'ব এই প্ৰকল্পৰ নিৰ্মাণৰ কাম। এই গাঁৱৰ মাজেৰে চাৰিলেন যুক্ত পথ আৰম্ভ হ'ব। ইয়াৰ বাবে ইতিমধ্যে ৰাজহ বিভাগ, লোক নিৰ্মাণ বিভাগ, মীন বিভাগ, কৃষি বিভাগ আৰু বন বিভাগৰ জৰিপৰ কাম শেষ হৈছে। প্ৰস্তাৱিত এই টুইন টিউব নদী সুৰংগটো ব্ৰহ্মপুত্ৰৰ পানীৰ ৩২ মিটাৰ তলেৰে প্ৰায় ৩৩.৭৭ কিলোমিটাৰ দীঘল হ'ব বুলি জানিব পৰা গৈছে। প্ৰকল্পটো সম্পূৰ্ণ হ'লে বৰ্তমানৰ ২৪০ কিলোমিটাৰৰ যাত্ৰাৰ দূৰত্ব হ্ৰাস পাই মাত্ৰ ৩৪ কিলোমিটাৰলৈ নামি আহিব। আনহাতে ৫/৬ ঘণ্টাৰ যাত্ৰাৰ সময় কমি আহিব মাত্ৰ ৩০ মিনিটলৈ। ইয়াত পৃথক পথ আৰু ৰেল পথৰ সুৰংগ থাকিব। যাৰ ফলত সাধাৰণ যাতায়তৰ লগতে সামৰিক দিশতো বিশেষ সুবিধা বৃদ্ধি পাব। দ্ৰুত সৈন্য মোতায়েন আৰু অৰুণাচল প্ৰদেশসহ আন উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্যসমূহৰ সৈতে সংযোগ অধিক শক্তিশালী হোৱাৰ লক্ষ্যৰে প্ৰকল্পটোৱে ইতিমধ্যে প্ৰাৰম্ভিক অনুমোদন লাভ কৰাৰ পিছত এই বিষয়টোৱে এতিয়া বিশেষ গুৰুত্ব পাইছে গহপুৰৰ লগতে উত্তৰ অসম আৰু দক্ষিণ অসমত। চুক্তি প্ৰদান কৰাৰ তাৰিখৰ পৰা প্ৰায় পাঁচ বছৰৰ ভিতৰত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই বৃহৎ আন্তঃগাঁথনি প্ৰকল্পই কেৱল যোগাযোগ ব্যৱস্থা উন্নত কৰাই নহয়- অঞ্চলটোৰ অৰ্থনীতি, বাণিজ্য আৰু পৰ্যটন খণ্ডতো উল্লেখযোগ্য গতি প্ৰদান কৰিব। গহপুৰ—নুমলীগড় সুৰংগ প্ৰকল্প বাস্তৱায়িত হ'লে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন যাত্ৰাত সংযোজন হ'ব এক নতুন অধ্যায়ৰ। এই টুইন টিউব নদী সুৰংগ পথটো ভাৰতৰ ভিতৰতে প্ৰথম হ'ব বুলি জানিব পৰা গৈছে। **গহপুৰত আনন্দৰ ঢল ঃ** কেন্দ্ৰীয় চৰকাৰে উক্ত টুইন টিউব নদী সুৰংগ পথ নিৰ্মাণৰ বাবে অনুমোদন জনোৱাৰ খবৰ বিয়পি পৰাৰ লগে লগে আজি বিয়লি প্ৰায় ৪ বজাত গহপুৰ নগৰৰ মাজমজিয়াৰ অসম ৰাজ্যিক বাছ আস্থান চৌহদত আনন্দ ফূৰ্তি কৰে গহপুৰৰ ৰাইজে। ঢোল তাল, মাদলৰ শব্দত নাচি বাগি আৰু ব'ম ফটকা ফুটাই আনন্দ ফূৰ্তিত মচগুল হয় সমবেত ৰাইজ। উক্ত স্থানত এখন ৰাজহুৱা সভাও অনুষ্ঠিত হয়। অনুষ্ঠিত সভাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে গহপুৰৰ বিধায়ক উৎপল বৰাক কৃতজ্ঞতা জ্ঞাপন কৰে। এই নদী পথ সুৰংগই গহপুৰক বাণিজ্যিক ভাৱে বহু আগুৱাই নিব বুলি সকলোৱে মতপোষণ কৰে।

# মৈৰাবাৰীত ভিজ'নাৰী পাব্লিক স্কুলৰ শুভ উদ্বোধন

**অসম বাৰ্তা, মৈৰাবাৰী, ১৬ ফেব্ৰুৱাৰী ঃ** যি সময়ত মৰিগাও জিলাৰ মৈৰাবাৰী অঞ্চলত শিক্ষাপ্ৰেমী ৰাইজে এখন উন্নত মানদণ্ডৰ ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানৰ স্থাপনৰ বাবে আশাৰে বাট চাই আছে। যি শিক্ষানুষ্ঠানৰ পৰা ছাত্ৰ -ছাত্ৰী সকল ৰাষ্ট্ৰীয় শৈক্ষিক পৰ্য্যায়ত অংশ লবলৈ যোগ্য হয়, ঠিক সেই সময়ত মৈৰাবাৰীৰ ৰাইজে বিচৰা ধৰণে ভিজ'নাৰী পাব্লিক স্কুল" (আৱাসিক আৰু অনা আৱাসিক)ৰ শুভ উদ্বোধন হয়। ইয়াকলৈ স্থানীয় সচেতন ৰাইজে সন্তুষ্ট প্ৰকাশ কৰিছে। প্ৰাপ্ত বাতৰি মতে আজি দিনৰ ১০ বজাত তাতিকটা ভিজ'নাৰী পাব্লিক স্কুলত আছাম নলেজ ছ'চাইটিৰ সভাপতি নুৰুল আমিনৰ সভাপতিত্বত ভিজ'নাৰী পাব্লিক স্কুলৰ উদ্বোধনী সভা সফলতাৰে সম্পন্ন হয়। বিগত কেইবা বছৰ ধৰি ধিং, মৈৰাবাৰী, লাহৰীঘাট অঞ্চলৰ প্ৰশংসা বুটলিবলৈ সক্ষম হোৱা স্মাৰ্ট কচিং ইনষ্টিটিউটৰ সঞ্চালক ড° ৰাবুল আহাদৰ প্ৰচেষ্টাত মৈৰাবাৰীত নতুনকৈ ইংৰাজী মাধ্যমৰ বিদ্যালয় ভিজনাৰী পাব্লিক স্কুল শুভ উদ্বোধন কৰা হয়। আজি ভিজনাৰী পাব্লিক স্কুলৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অৱসৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক আব্দুল কদ্দুছ চাহাবে বিদ্যালয়খন শুভ উদ্বোধন কৰে। ড° ৰাবুল ইবনে আহাদৰ অধ্যক্ষকতাত চলিব বিদ্যালয় খন। মৈৰাবাৰী অঞ্চলৰ তাতিকটাত স্থাপিত হোৱা এইখন ইংৰাজী মাধ্যমৰ বিদ্যালয়ে অঞ্চলটোৰ শিক্ষাৰ মান উন্নত কৰাৰ আশা কৰিছে অঞ্চলবাসীয়ে। বিদ্যালয়খন প্ৰী নাৰ্ছৰীৰ পৰা দ্বাদশ শ্ৰেণী লৈকে পাঠ্যক্ৰম চলিব। ইতিমধ্যে অঞ্চলটোৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় খনত নাম ভৰ্তি কৰিছে। মৈৰাবাৰীত প্ৰথম বাৰৰ বাবে স্থাপন কৰা হয় এই আৱাসিক অনা আবাসিক বিদ্যালয়খন। বিদ্যালয়খনে গুণগত শিক্ষাৰ ক্ষেত্ৰত অতি গুৰুত্ব প্ৰদান কৰিব। মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত বিদ্যালয়খনে যাতে অনবৰত চেষ্টা কৰি যায় তাৰ কাৰণে সকলোৱে মত প্ৰকাশ কৰিছে। বিদ্যালয়খন শুভ উদ্বোধন কৰাৰ উপলক্ষে অনুষ্ঠিত হয় এখনি সভা। নাৰ্ছৰী ক্লাছৰ পৰা দ্বাদশ শ্ৰেণী লৈকে ছাত্ৰ ছাত্ৰীয়ে অধ্যয়ন কৰিব পৰা সুবিধাৰে আৰম্ভণি হোৱা বিদ্যালয় খনত আছে বিভিন্ন ধৰণৰ সা-সুবিধা। ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ উপৰিও হোষ্টেলৰ সু-ব্যৱস্থা, উচ্চ শিক্ষিত অভিজ্ঞ শিক্ষক সকলৰ দ্বাৰা পাঠদান, ছাত্ৰ ছাত্ৰীৰ সুবিধাৰ্থে কম্পিউটাৰ ক্লাচ, প্ৰজে"ৰ দ্বাৰা পাঠদান আৰু প্ৰত্যেকটো ক্লাছত ২৫ ৰ পৰা ৩০জন ছাত্ৰ ছাত্ৰীৰ নাম ভৰ্তি সুবিধা কৰা হৈছে। ইয়াৰ উপৰিও প্ৰি নাৰ্ছৰী, নাৰ্ছৰী আৰু KG'ৰ বাবে আছে প্লেগ্ৰাউণ্ডৰ আৰু খেলা-ধূলাৰ সা-সামগ্ৰী সুবিধা আছে। ভিজনাৰী পাব্লিক স্কুলৰ আজিৰ শুভ উদ্বোধনী অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে, আছাম নলেজ ছোছাইটীৰ মুখ্য সঞ্চালক নুৰুল আমিন, মৈৰাবাৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বাহাৰুল ইছলাম, মৈৰাবাৰী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° মইদুল ইছলাম, আচ্ছু ফাউণ্ডেচনৰ মুখ্য সঞ্চালক আহাদ উল্লাহ হাজৰিকা, ইকৰা একাডেমীৰ অধ্যক্ষ মহিবুৰ ৰহমান, মৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক কমৰুল ইছলাম, জ্যেষ্ঠ সাংবাদিক বদৰুজ জামান আকতাৰ, ছাইফুল ইছলাম, বৰথল দলৈগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ এমদাদুৰ ৰহমান, সমাজ সেৱক ছফিকুল ইছলামকে ধৰি বহুকেইজন বিশিষ্ট শিক্ষানুৰাগী ব্যক্তি।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালতত‌হে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন